# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২৫/০২/২০১৯ সোমবাৰ**

**আজি ইংৰাজী ২৫-০২-২০১৯ তাৰিখে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচীমতে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশন,২০১৯ অনুষ্ঠিত হয়।**

**(মাননীয় অধ্যক্ষ মহোদয়ে আসন গ্ৰহণ কৰাৰ লগে লগে মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন ডাঙৰীয়াই বিষয়টো উত্থাপন কৰে)**

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি এটা Adjournment Motion আনিব বিচাৰিছো। গোলাঘাট আৰু যোৰহাটত আজি এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বিভিন্ন বাতৰি কাকতত প্ৰকাশিত হৈছে ‘ বিষাক্ত সুৰাই প্ৰাণ ল’লে ১৬৫ জনতকৈও অধিক লোকৰ’। সেইকাৰণে এই বিষয়ৰ ওপৰত গুৰুত্ব দি আজি সদনৰ অন্য কাৰ্য্যসূচী বাতিল কৰি আমি ক’ব বিচাৰিছো যে আজি এই কথাখিনি আলোচনা কৰক। ‘মৃত্যুৰ বিভীষিকাই সকলোকে মৰ্মাহত কৰিছে’ এই কথাটোত আমি সকলোতকৈ বেছি গুৰুত্ব আৰোপ কৰিছো আৰু আপোনালোকেও নিশ্চয় প্ৰত্যক্ষ কৰিছে যে প্ৰতিখন কাকতৰেই শিৰোনামা ‘ন-ন অঞ্চললৈ বিয়পিছে বিৰবিষৰ বিষক্ৰিয়া’, ‘যোৰহাট, গোলাঘাটত আজিও হাহাকাৰ পৰিস্থিতি’, ‘চিকিৎসালয়লৈ আহিয়েই আছে আক্ৰান্ত লোক’, ‘মৰ্গত মৃতদেহৰ শাৰী’, ‘নিহত সকলৰ ৫০ গৰাকী মহিলা’, ‘তিনিদিনতে মৃত্যু ১৬৫ জনৰ’, ‘বিষাক্ত সুৰাৰ প্ৰতিবাদত আজি ধৰ্ণা।

**মাননীয় অধ্যক্ষ ঃ** ৰকিবুল হুছেইন ডাঙৰীয়া, আমি আজি এই কথাটো নিশ্চয় আলোচনা কৰিম।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, আজি আমাৰ সদন চলি আছে। এই সময়খিনিত সমগ্ৰ অসমৰ লোকে আমাক চাই আছে। আজি যদি আমি সকলোতকৈ গুৰুত্বপূৰ্ণ এই বিষয়টো আলোচনা নকৰি আন বিষয়বোৰ আলোচনা কৰো তেতিয়াহলে মই ভাবো এইটো আমাৰ দোষ হ’ব। এইটো এটা যথেষ্ট মৰ্মান্তিক ঘটনা। গতিকে অধ্যক্ষ মহোদয়, আমি অনুৰোধ কৰিছো যাতে সদনৰ সকলো কাৰ্য্যসূচী বাতিল কৰি প্ৰথমতে এই দুঃখজনক ঘটনাটোৰ ওপৰত আলোচনা কৰিব লাগে। তাৰ পিছতহে আমি অন্য কথাৰ আলোচনালৈ যাব লাগে।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ ( উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ, It is a very important matter.

**মাননীয় অধ্যক্ষ ঃ** আপুনি নকব , আপোনালোকৰ Deputy Leader য়ে কোৱাৰ পিছত আপুনি কেলেই কৈ আছে?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰ Rule 50 ত আমিও আজি বিষাক্ত সুৰাৰ ফলত যিটো ঘটনা সংঘটিত হ’ল সেই বিষয়টোৰ ওপৰত আজি বিস্তৃত আলোচনা কৰাৰ কাৰণে অনুমতি প্ৰদান কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হয়, মই আপোনাৰ Notice পাইছো আৰু আমিনুল ইছলাম ডাঙৰীয়াৰো

Notice পাইছো ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানুহ মৰিয়েই আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি অলপ ধৈৰ্য্য ধৰিব লাগিব। মই আপোনাকো বাধা দিছো আৰু কমলেক্ষ্য দে পুৰকায়স্তকো বাধা দিছো। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানুহ মৰিয়েই আছে। ডেৰশৰো অধিক মানুহৰ মৃত্যু ঘটিছে। ---হুলস্থুল---------।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে যদি আলোচনা বিচাৰিছে তেনেহলে ধৈৰ্য্য ধৰক। ---হুলস্থুল ---

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শুক্ৰবাৰেও যদি এই আলোচনাটো হলহেঁতেন তেতিয়াহলে আজি ইমান লোকৰ মৃত্যু নহলহেঁতেন। ইয়াৰ বাবে চৰকাৰ দায়ী।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে যদি আলোচনা বিচাৰিছে তেনেহলে অলপ বহক। আমিনুল ইছলাম ডাঙৰীয়াও যিহেতু এখন Notice দিছিলে সেইকাৰণে মই তেখেতকো ক'বলৈ দিছো। matter টো মই important নহয় বুলি কোৱা নাই। ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়া, আপুনি কৈছে যে সিদিনাখন matter টো আপুনিয়েই উঠাইছিল বুলি। ---হুলস্থুল -------কূৰ্মী ডাঙৰীয়া, মই আপোনাৰ আবেগটো বুজিছো। কিন্তু মই সেইদিনাই চৰকাৰক directly কৈছিলো যে a statement must be issued.

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** অধ্যক্ষ মহোদয়, statement খন সেইদিনাই issue হ'ব লাগিছিল। তেতিয়া ইমানবোৰ মানুহৰ মৃত্যু নহলহেঁতেন। ---হুলস্থুল---------

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো Adjourment Motion দিছো, যিটো ঘটনা হৈ গ'ল তাৰ বাবে আমি সকলোৱে অতি দুঃখিত আৰু ইমান বৃহৎ সংখ্যক লোকৰ অকাল মৃত্যুয়ে অকল ভাৰতবৰ্ষকেই নহয় গোটেই বিশ্বক জোকাৰি গৈছে আৰু দুৰ্ভাগ্যক্ৰমে এই ঘটনা সংঘটিত হৈছে আমাৰ অসমত। গতিকে আমি সাধাৰণতে Adjournment motion বিলাক Question Hour পিছত যদিও আলোচনা কৰা হয়, আমি আজি বিছাৰিছো including Question Hour আজিৰ দিনটোৰ সকলো কাৰ্য্যসূচী স্থগিত ৰাখি এই গুৰুত্বপুৰ্ন বিষয়টো আলোচনাৰ কাৰণে লোৱা হওঁক, সেইটোৱে মই আপোনাক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** ঠিকে আছে। আপুনি কিবা কৈছে, মই সেইটো Allow কৰিছো যেতিয়া সকলোৱে শুনি লৈছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, সিদিনা এই ঘটনাটো যেতিয়া সংঘটিত হৈছিল, আপুনি কৈছিল যে এই ঘটনাটোৰ সৰ্ম্পকত চৰকাৰ অৱগত হয়নে নহয় আৰু চৰকাৰে এই সম্পৰ্কত এটা statement দিব লাগে আৰু আমি চৰকাৰৰ তৰফৰ পৰা কৈছিলো যে আমি এটা statement এই সম্পৰ্কত দিম। গতিকে বিস্তাৰিত ভাবে আমি এটা statement দিম। গতিকে আপোনাৰ নিৰ্দেশ মৰ্মে আমাৰ চৰকাৰে চৰকাৰী পক্ষৰ পৰা আমি statement দিম বুলি কৈছো। আমি সেই statement দিম। অধ্যক্ষ ডাঙৰীয়া এই যিটো ঘটনা হৈছে, এই ঘটনাটো আমি কোনো ৰাজনৈতিক দলে গোটেই বিষয়টো এটা ৰাজনৈতিক দৃষ্টিভংগীৰে চোৱাতকৈ মানবীয় দৃষ্টিৰে চালে ভাল হব। সেই কাৰণে গোটেই সমস্যা বিলাক সমাধান কৰিবলৈ হলে আমি সকলোৱে মিলিত এটা প্ৰচেষ্টাৰে আগন্তুক দিনত এনেকুৱা ঘটনা যাতে নহয়, তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ-** বৰহোলাত মানুহ মৰিছে, আপোনালোকৰ মুখ্যমন্ত্ৰী গৈ সৌভাগ্য

আঁচনি উদ্বোধন কৰিলে কিন্তু বৰহোলাৰ সেই মৃতকৰ ঘৰলৈ যাবলৈ সময় নহ'ল।

**মাননীয় অধ্যক্ষ ঃ-** Please, Please

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ-** কথাখিনি শুনাত আপত্তি কি? শুনিবতো পাৰো,

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পক্ষৰ পৰা যিটো Concern তেখেত সকলে দিছে, আমাৰ চৰকাৰো সমানে Concern এই বিষয়টোক লৈ। গতিকে এই সম্পৰ্কত আমি সকলোৰে যৌথভাৱে আগন্তুক দিনত এনে ঘটনা যাতে আকৌ নহয়,তাৰ কাৰণে প্ৰচেষ্টা চলাব লাগিব। গতিকে এই বিষয়টো ৰাজনৈতিক দৃষ্টিভংগী লৈ আমি চৰকাৰেও statement নিদিও আৰু বিৰোধী পক্ষইয়ো, এওঁলোক দুখীয়া মানুহ, তেওঁলোকৰ যি কাৰণতে নহওঁক তেওঁলোকৰ মৃত্যু হৈছে।

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ-**আপোনাৰ ভিউটো দিয়ক।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ-** হয়। গতিকে অধ্যক্ষ মহোদয় আমাৰ যিটো Question Hour থাকে, Question Hour ৰ পিছত সাধাৰণতে Adjournment motion দিয়া হয়।

**(সদনত হুলস্থুল)**

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ-** অধ্যক্ষ ডাঙৰীয়া, বিষয়টো আলোচনাহে হ'ব লাগে আৰু আলোচনাৰ পিছত আমি চৰকাৰে কি ব্যৱস্থা লৈছো, চৰকাৰে কেনেকৈ আগবাঢ়িব, সেইটোৰ উত্তৰটো লাগে। মই ইতিমধ্যেParliamentary Affairs Minister হিচাপে ২-৩ খন এই সম্পৰ্কত শুন্যকালীন ঘন্টাৰ জাননী পাইছো। গতিকে আমাৰ কথাটো হ'ল তেওঁলোকে সদন নীতি-নিয়ম মতে ইয়াৰ পৰৱৰ্তী সময়ত তেওঁলোকে যিটো শুন্যকালীন ঘন্টাৰ জাননী দিছে, সেইটো ক্লাব কৰি আলোচনা হ'ব দিয়ক আৰু আমি উত্তৰ দিম।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্রী ৰূপজ্যোতি কুৰ্মী, মৰিয়নী ঃ-** মই ১ মিনিট কব বিছাৰিছো, স্বাস্থ্য মন্ত্ৰী মহোদয়ক লাগিছিলে ছাৰ, আজি বৰ গুৰুত্বপুৰ্ন বিষয় সেই কাৰনে স্বাস্থ্য মন্ত্ৰী ক'ত আছে মাতিলে ভাল হয়।

**(সদনত হুলস্থুল)**

**শ্রী চন্দ্রমোহন পাটোৱাৰী, মন্ত্রী ঃ-** অধ্যক্ষ ডাঙৰীয়া, স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়া ঘটনাস্থলীলৈকে গৈছে, আৰু তাৰ উপৰিও আমাৰ ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী ইয়াত উপস্থিত আছে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে।

**শ্রী কমলসিং নাৰ্জাৰী সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত আমাৰ সকলোৰে সমমৰ্মিতা আছে। গতিকে হাউচ কমিটি গঠন কৰি সৰ্বদলীয় ভাবে তাত প্ৰতিনিধি পঠাব নেকি?

**(সদনত হুলস্থুল)**

**শ্রীপল্লৱলোচন দাস, মন্ত্রী ঃ-** আপোনালোকে ইমান বছৰ চৰকাৰ চলাই আছিলে, চাহ শ্ৰমিক সকলক আপোনালোকে কি আঁচনি দিছিলে? আপোনালোকে দায়ী হয়, আপোনালোকৰ সংগঠন দায়ী হয়। এখন স্কুল নাই ছাৰ, এদিনতে হৈ আছে নেকি এই ঘটনা?

**(সদনত হুলস্থুল)**

**মাননীয় অধ্যক্ষ ঃ-** মই এটা কথা কব বিচাৰিছো। মই উঠি দিছো, বিষয়টো আমাৰো আবেগত

লাগিছে যে সিদিনা মই ভাবিছিলো যে কথাটো সৰু হ'ব। ইমান বহল প্ৰসাৰী নহয় বুলি ভাবছিলো সেই কাৰণে চৰকাৰক কলো যে Statement এটা দিয়ক। কিন্তু যোৱা দুটা দিনত ইমান বহল প্ৰসাৰ হৈ গ'ল, এতিয়াও হৈ আছে। গতিকে মই প্ৰথমতে Question Hour বুলি আপোনালোকক বহুৱাই দিয়া নাই। মই কিয় Allow কৰিলো আপুনি যেতিয়া উঠিছিল It is a Sensitive matter মই নিশ্চয় বুজো। Question ত কৈ এইটো importance আছে। মই সেই কাৰণে সকলোৰে অকণমান শুনিছো। সেয়েহে শেষত মই কিবা এটা কব বিচাৰিছো, কথাটো এনেকুৱা আলোচনাটো ইয়াত সম্পূৰ্ণ হ'ব লাগে। আপোনালোকৰ মনৰ খিনিও ক'ব লাগিব। চৰকাৰেও তাৰ উত্তৰ দিব লাগিব। কিন্তু আপোনালোকে ডিভাইচ যিটো লৈছে, Adjournment ৰ সেই ডিভাইছটো আপোনালোকে লৈছে, অজন্তা নেওগে যোৱা কালি এখন Zero hour notice মোক নিজেও গৈ দিছে। তেখেতক কৈছো যে আপোনালোকে এই বিষয়টো যে আনিছে, মই আপোনাক ক'লোহেঁতেন নহলে। কাৰণ তেখেতৰ সমষ্টি আছে তাত। যে এই বিষয়টো আমি আলোচনা কৰিব লাগিব। সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মীয়েও সেইদিনা কওঁতে মই ইমান seriousness টো কথাটো কৈছে। গতিকে চৰকাৰে statement দিয়ক। মই যেতিয়া দেখিছো, এনেকুৱা, যে ইমান seriousness টো, আজি শ্ৰীঅতুল বৰাকো দেখিছো তাত যোৱা। এই গোটেই কথাটো seriously আলোচনা কৰাতো মই বিচাৰিছো অধ্যক্ষ হিচাপে। মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ আজি Adjournment মই ৰাতিপুৱা ৮.৩০ বজাত পাইছো। আপোনালোকে ৮.২৫ ত দিছে আৰু মোক ৮.৩০ ত তেওঁলোকে দিছে। কালি যিহেতু Zero Hour ত কৈছিলে। মই শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াক ৰাতিপুৱা ফোন কৰিছিলো। মই আপোনাক Contact কৰিব নোৱাৰিলো, কাৰণ আপোনাৰো এখন Adjournment Motion মই ৰাতি পালো। মই কৈছো যে Adjournment Motion হ'বলৈ হ'লে সকলোৱে মিলি কৰিব পাৰিলে ভাল আৰু নহ'লে Zero Hour ৰেই হওঁক, আকৌ Rule 50 ৰ পৰা Notice পালো। শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, আপোনালোকৰ Rule 50 ৰ পৰা Notice পাইছো। মই সেই কাৰণে ভাবিছিলো যে, Question Hour ৰ পিছতেই আপোনালোকৰ লগত আলোচনা কৰি এটা সিদ্ধান্ত লম। কিন্তু আপোনালোকে প্ৰথমতেই কৰিলে। এতিয়া সেই কাৰণে মই কৈছো, Question Hour ৰ টোত কেবাজানো Questionnaire আছে ইয়াত। সাধাৰণতে আমি Question Hour টো লৈ আলোচনা কৰো। কিন্তু আপোনালোকে তৎক্ষণাত বিচাৰিছে, মই সেইটোতো allow কৰিব নোৱাৰো As per Rule. সেই কাৰণে মই ভাবিছো যে, আপোনালোকৰ leader সকলৰ লগত মই অলপ আলোচনা কৰি লওঁ, আৰু আলোচনাটো হোৱাটো উচিত। Adjournment Motion ৰ কাৰণেও কিছু অসুবিধা আছে। মই এতিয়া এইবিলাক নকওঁ। কিন্তু মই আলোচনা হোৱাটো বিচাৰিছো, কেনেকৈ পাৰো। সেইক্ষেত্ৰত আপোনালোকৰ leader সকলৰ লগত মই অলপ অভিমত লৈ কৰিব বিচাৰিছো। গতিকে মই বিচাৰিছো, আলোচনা হওঁক, সৌহাদ্যপূৰ্ণভাৱে। কোনে কি কৰিলে, কি হৈছে, এইবিলাক নকৈ আমি কেনেকৈ যাতে আগলৈ কৰিব নোৱাৰো, এই মানুহখিনিক কেনেকৈ আমি তেওঁলোকৰ ওচৰত থিয় দিম। একেটা পৰিয়ালৰে সকলো গৈছে, সৰু ল'ৰা-ছোৱালীকেইটাহে জীয়াই আছে। এই কথাবিলাক মৰ্মান্তিক। সেই কাৰণে মই বিচাৰো যে, এটা আলোচনা হওঁক, আজি শেষ দিন, কাইলৈতো Speaker's Initiative Day নিচিনা এটা ৰাখি থৈছো আৰু দিননো নাই। গতিকে এই গোটেই কথাখিনিৰ কাৰণে আজিৰ ভিতৰতে আমি কথাখিনি পতাতো ভাল। সেই কাৰণে পৰিৱেশ এটাৰ কাৰণে মই বিচাৰিছো Question Hour টো চলক, মই adjectly ১০.৩০

বজাত কথাখিনি পাতি আপোনালোকৰ পৰা সিদ্ধান্ত এটা লৈ Unintimate বিচাৰিছো, আলোচনা হওঁক। মই আলোচনা বিচাৰিছো। গোটেই কথাটোত, আপোনালোকে যিটো কথা কৈছে, Question Hour টো suspend টো সাধাৰণতে আমি নকৰো আৰু কৰিলেও কিহত আলোচনা কৰিম, সেইটো এটা Consensus হ'ব লাগিব। Consensus নোহোৱাকৈ মই নোৱাৰো। সেই কাৰণে মই দুজনকে সুধিছো, শ্ৰী ৰকিবুল হুছেইন আৰু শ্ৰী দেৱব্ৰত শইকীয়াও আছে, আপুনি Leader of the Opposition. মই বিচাৰিছো, যে এটা Consensus কৰি আলোচনা কৰো। আলোচনা কৰিবলৈ মই চৰকাৰোকো কৈছো, যে তেখেতসকলে statement দিয়ক। তেখেতসকলেও কৈছে, কৰিবলৈ প্ৰস্তুত আছে। সেই কাৰণে আলোচনাতো সফল হোৱা কাৰণে এটা Unintimaty অলপ হ'লেও আহিব লাগিব আৰু এইটোৱে মোৰ মূল কথা। গতিকে শ্ৰী দেৱব্ৰত শইকীয়া, আপোনাৰ পইণ্টকেইটা বিচাৰিছো আৰু কোনেও ন'কব। আপোনাৰ কথাতোও কৈছো, Rule 50 ও আছে। Even I can relax in the Question Hour also.মোৰ আপত্তি নাই। কিন্তু Adjournment Motion ৰ Admissibility ৰ গোটেই কথাবিলাক আহিব। কথাখিনি মই আলোচনা কৰিব খুজিছিলো। Adjournment Motion মই নাকচ কৰা নাই এই মূহুৰ্তত। শুনা নাই যিহেতু। গতিকে মই এই কাৰণে কৈছো যে, গোটেই কথাখিনি গোটেই কেইজন Leader ৰ এটা Consensus কৰি ল'ব পাৰিলে সদনৰ পৰা ভাল মেছেজ এটা যাব। যদি Consensus নহয়, যিটো হয়, সাধাৰণতে, সেইটোৱেই হ'ব। সেই কাৰণে মই প্ৰথমে আপোনাক সুধিছো যে, Question Hour ১০.৩০ শেষ কৰি আমি আৰম্ভ কৰিব পাৰো নেকি? আৰু তেখেতে তাৰ এটা উত্তৰ দিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Admissibility আৰু অন্য বিষয়ত Deputy Leader ৰে ক'ব। মই এতিয়া যিখিনি কথা হৈ গ'ল, তাৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰি আপোনাৰ discretion এটা বিচাৰিম। প্ৰথম কথা হ'ল যে আমি ৰাজনীতি কৰা নাই। যিটো ৰাজনীতিৰ কথা কৈছে, শাসকীয় পক্ষৰ বিধায়কে কৈছে যে এইটো ৰাজনীতি হয়, সেই গতিকে যিটো কথা কৈছে এইটো আমাৰ মনত বহুত আঘাত দিছে। আমি কোনো ৰাজনীতি কৰা নাই, কিন্তু গোলাঘাট জিলাৰ শাসকীয় পক্ষৰ বিধায়কে কৈ আছে যে, এইটো ৰাজনীতি কৰিছে, চৰকাৰৰ বিভিন্ন আঁচনিত তাৰমানে আমাক বদনাম কৰিবলৈ।

**মাননীয় অধ্যক্ষ ঃ** ইয়াতে কৈছে নেকি?

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** চাৰ, আমি পাইছো। চৰকাৰী ফালে সৰু-সৰা ঘটনা এটা হ'লে আমি দুখ প্ৰকাশ কৰো। ইমান ডাঙৰ এটা ঘটনা হ'ল, চৰকাৰীভাৱে কোনো শোকসপ্তাহ, শোকৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। চৰকাৰী কাৰ্য্যকৰী কাচা সোণা নামৰ টি ভিত দেখিবলৈ পাইছো, গধুলি ২২, ২৩, ২৪ নে কোনটো তাৰিখলৈকে সদায় সন্ধিয়া ৰাইজ নাথাকিলেও মঞ্চত নেতাসকল আৰু নৃত্য শিল্পীসকল আৰু অন্যান্য সকলে সাংস্কৃতিক অনুষ্ঠানে মনত আঘাত দিছে। অসমৰ অনুভূতি। এইটো ৰাজনীতি নহয়, এইখিনি সত্য কথা কৈ আছো। দ্বিতীয়তে চাৰ, আজিও বাতৰি কাকতত যোৱা কালি বিজ্ঞাপন পাইছো। চাহ জনজাতিৰ ফুটবল খেলৰ ফাইনেল হ'ব। কেনেকুৱা এখন হৃদয় লৈ চৰকাৰখনে যিখিনি কৈ থাকে, অনুভৱ এইখিনি আমি কেনেকৈ দেখাব বিচাৰিছো। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই অন্যান্য ক্ষেত্ৰত শোক প্ৰকাশ কৰে, কিন্তু ইমান ডাঙৰ ঘটনাটোত কেতিয়া কেনেকৈ কৰিলে, গম নাপালো। যিহেতু ৰাজনীতিৰ কথা কৈছে, Leader of the House ৰ তেখেতেও ইয়াতে যদি অলপ থাকি এইখিনি কথা শুনিলে হয়, আমি নিশ্চিতভাৱে বহুতখিনি কৰিলোহেঁতেন,

আৰু কেইদিনমানৰ আগত বিধায়িকা শ্ৰীমতী সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে যিখিনি কথা কৈছিল, অবৈধ সুৰাৰ বিষয়ে। মন্ত্ৰী ডাঙৰীয়াই তাৰ উত্তৰ দিলে কেনেকৈ টায়াৰত কিবাকিবি কৰি যায়। তাৰ পাছতো বিভাগ কিয় সতৰ্ক নহয়।

**মাননীয় অধ্যক্ষ ঃ** ইয়াতকৈ আৰু নক'ব। ক'লেতো আলোচনাই কৰা হ'ল।

**শ্ৰী দেৱব্ৰত শইকীয়া, নাজিৰা ঃ** হয় চাৰ, সেই গতিকে সদনৰ সকলো কাৰ্য্যসুচী বাতিল কৰি এইটোক আগতীয়া priority দিয়াতো আপোনাৰ পৰা আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই গোটেই বিষয়টো বহুত স্পৰ্শকাতৰ আৰু এনেকুৱা দুখীয়া মানুহৰ এই মৃত্যুটোত আমি সকলোৱে দুখ প্ৰকাশ কৰিছো। আমি সকলোৱে এই বিষয়টো লৈ Concern আৰু এই বিষয়টো লৈ আপুনি আজি নহয়, পৰহি যেতিয়া সদন শেষ হৈছিল, তেতিয়া আপুনি কৈছিল যে, এটা ঘটনা হৈছে এই সম্পৰ্কত চৰকাৰে এটা বিবৃতি দিব লাগে। মাননীয় বিৰোধী পক্ষৰ সদস্যসকলেও আছিল, আৰু আমি তেতিয়া কৈছিলো যে, চৰকাৰৰ তৰফৰ পৰা এই সম্পৰ্কত বিবৃতি দিম বা কি action লৈছো, কেনেকৈ কাম কৰিম। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিষয়টো আলোচনা হোৱাত আমাৰ আপত্তি নাই। কিন্তু আলোচনা হওঁতে Zero Hour Notice ৰ কেইবাখনো আছে। আমাৰ বিৰোধীও দিছে। Adjournment Motion ও দিছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, অসম বিধান সভাৰ যিটো Rule, Rule টো আমি creat কৰিব নোৱাৰো। আমি আধাঘণ্টা পিছত গোটেই বিষয়টো আলোচনা কৰিলে একো লোকচান নহয়। সেই কাৰণে মই ভাৱো, এটা device ত এই কথাখিনি আলোচনা হওঁক। স্থানীয় মাননীয়া বিধায়িকা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীও Zero Hour দিছে। কেইবাজনেও Zero Hour দিছে। গতিকে গোটেই কেইটা পাৰ্টিতে গোটেইখিনি ক্লাব কৰি সকলোকে ক'ব দিয়ক। চৰকাৰৰ ফালৰ পৰা আমি উত্তৰ দিম। কিন্তু তাৰ আগতে এইখিনি কৰিব যাওঁতে বিধান সভাৰ যিটো Rules of Procedure and Conduct of Business, যে যিকোনো এনেকুৱা ধৰণৰ যদি emergency matter আহে, in the form of adjournment motion or rule 50 বা অন্যান্য matter ত যদি আহে তেতিয়া হ'লে after one hour starting of the proceedings সেইটো আহে। সেই কাৰণে অধ্যক্ষ ডাঙৰীয়া, মই ভাবো যে, যিটো কথা কৈছে, যে আমাৰ গোটেই কেইটা leader কেইজনে consensus কৰক যে এটা divice ত আমাৰ আলোচনাটো হ'ব লাগে। অসমৰ ৰাইজৰ সপক্ষে এই যিটো সমস্যা আহিছে, আলোচনাটো হ'ব লাগে। Procedure ৰ কথাতো আপুনি জেষ্ঠ সদস্য, তেনেকে ক'ব নাপায়। গতিক অধ্যক্ষ ডাঙৰীয়া, মই ভাবো,গোটেই কেইটা leader কেইজনৰ consensus হৈ আপুনি যিটো সিদ্ধান্ত লৈছে, সেইটোৱে ভাল। গতিকে এটা divice ৰ Zero Hour য়েই হওঁক বা Rules 50 হওঁক আপুনি সিদ্ধান্ত লৈ তেনেকে কথাখিনি আগবাঢ়িলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই দুইটা পক্ষৰ শুনিলো। এতিয়া কথাটো হৈছে, আমি কি কৰিম, মই leader কেইজনক মাতিম। কিন্তু গোটেই কথাটো হৈছে মই বিচাৰিছিলো যে ১০.৩০ আমি বহি ৫-১০ মিনিট আলোচনা কৰি পুনৰ সদনত আহিম। এতিয়া ১০.০০ বাজিছে। প্ৰশ্ন কেইবাটাও আছে। কোনোবাই যদি নকৰে, নালাগে। মই এতিয়াই ক'লো, ১০.৩০ ত আমি ৫ মিনিটৰ কাৰণে অলপ House Adjourn কৰি মই leader কেইজনৰ লগত বহি এটা যদি consensus কৰি আলোচনা কৰিলে ভাল হ'ব। মই বিচাৰিছো যে, সেইখিনিলৈকে যাব পাৰো নেকি ১০.৩০

লৈকে। কাৰণ সেইটো Rule. আৰু যদি আপোনালোকে যাব নিবিছাৰে, তেতিয়াহ'লে মই নকওঁ। মই সেই কাৰণে সুধিছো যে, ১০.৩০ মই ভাবিছো যে আমি এই বিষয়টো আপোনালোকৰ লগত আলোচনা কৰিম। কাৰণ এনেকুৱা এটা কথা এই মূহুৰ্তত যিহেতু Question Hour তো totally suspention ৰ কথাটো এতিয়া একমত নহ'লে মই নোৱাৰো। একমত হ'ব লাগিব। শাসক আৰু আপোনালোকৰ মাজত এটাই কথা। দুটা পাৰ্টিয়ে যদি consensus নহয়, তেতিয়াহ'লে মই Question Hour suspention কৰিবলৈ I will take up the matter at 10.30. শ্ৰী ৰকিবুল হুছেইন আপুনি কওঁক।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ কথাৰে আতধৰি আমি ক'ব বিচাৰিছো যে, আপুনি ক'লে যে Question Hour suspend কৰিব নোৱাৰি সাধাৰণতে। কিন্তু এইটো সাধাৰণ পৰিস্থিতি নহয়, অলপ অসাধাৰণ।

**মাননীয় অধ্যক্ষ ঃ** Consensus টো লাগে। Opposition ৰো লাগে আৰু Ruling ৰ দুয়োটাৰে লাগিব।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আঁত ধৰি কৈছো যে, এইটো এটা অসাধাৰণ পৰিস্থিতি।

**মাননীয় অধ্যক্ষ ঃ** মই অকলে নচলাওঁ।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি অসাধাৰণ সময়, এই সময়খিনিত আমি বিচাৰিছো যে ৰাইজে আমাক চাই আছে । আমি যদি এতিয়া Question Hour কৰি বেলেগ কথা আলোচনা কৰো ৰাইজে আমাক ধিক্কাৰ দিব যে, আমি মৃত্যুৰ তাড়ণাত চটফটাই আছো, আৰু তাত সদনত আমাৰ প্ৰতিনিধি সকলে অন্য কথালৈ ব্যস্ত। এইকথাখিনি যদি আমি আধাঘণ্টাৰ পাছত পাতিব পাৰো, আধাঘণ্টাৰ আগত কিয় পাতিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** Please, মোক নিশিকাব এইটো কথা।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক শিকোৱা নাই। আমাক ক'বলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক ক'বলৈ দিছো। কিন্তু এনেকুৱা debate কৰিবলৈ দিয়া নাই। আপুনি এইটো insist নকৰিব।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৈছো যে, আমি আধা ঘণ্টাৰ আগত কিয় কৰিব নোৱাৰা। মৃত্যুৰ যন্ত্ৰণাত চটফট াই আছে।

**মাননীয় অধ্যক্ষ ঃ শ্ৰী** দেৱব্ৰত শইকীয়াই কোৱাৰ পাছত আৰু কিয় ক'ব লাগে।

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি ঃ** মাননীয় অধ্যক্ষ মহোদয়, Question Hour টো আমি পিছুৱাই দিও। এই কথাখিনি অতি গুৰুত্বপূৰ্ণ। আমি বিচাৰিছো সকলো কাম কাজ কাটি কৰি থৈ এই কথাখিনি আলোচনা হওঁক। বাকী কথাখিনি আধা ঘণ্টাৰ পাছত হ'লেও কোনো আপত্তি নাই। এই কথাখিনি তৎক্ষণাত হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো যে Question কৰাৰ কাৰো ইচ্ছা নাই। মই leader কেইজনক মাতি নিম। প্ৰথম I will have to discuss with the leaders.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাউচৰ পৰম্পৰাটো কেতিয়াও বিনষ্ঠ হ'ব দিব নালাগে। মই কিন্তু এইটো কথা বিচাৰো। আমি চৰকাৰী পক্ষই বিচাৰিছো যে আলোচনা হওঁক।

(বিৰোধী দলসমূহৰ পৰা প্ৰতিবাদ)

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** চৰকাৰী পক্ষৰ সদিচ্ছা নাই। অকল ভোটৰ ৰাজনীতি কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে পুৰকায়স্থ আপুনি কোৰেশ্যন কৰিব ?

**শ্ৰীৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, ভুক্তভোগী ৰাইজে ছটফটাই আছে। চৰকাৰৰ যে আলোচনাৰ বাবে সদিচ্ছা নাই এই কথাটো ফুটাই তোলে।

(সদনত হুলস্থূল- তীব্ৰ প্ৰতিবাদ)

(কংগ্ৰেছ আৰু এ ই আই ইউ ডি এফ দলৰ সদস্যসকলে অধ্যক্ষৰ আসনৰ ওচৰলৈ আহি বিৰোধ প্ৰদৰ্শন কৰে । সদনত প্লে-কাৰ্ড প্ৰদৰ্শনকৰে)

**শ্ৰীআব্দুল খালেকঃ** অধ্যক্ষ মহোদয় কথাখিনি আলোচনা কৰিবলৈ সুবিধা দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** প্লিজ- প্লিজ - I will Take up the matter at 10.30 সদন ১০.৩০ বজালৈ স্থগিত ৰখা হ'ল।

(সদন ১০.৩০ বজালৈ স্থগিত ৰখা হ'ল)

(কিছু সময় বিলম্বৰ পিছত ১০.৫০ বজাত সদনৰ কাৰ্য্যক্ৰমণিকা পুনৰ আৰম্ভ হয়)

(সদনত অধ্যক্ষৰ প্ৰবেশ)

**মাননীয় অধ্যক্ষ ঃ** মোৰ সভাকক্ষত- সকলো দলৰ প্ৰতিনিধি-দলপতি আৰু নিৰ্দ্দলীয় সদস্যক লৈ এটা আলোচনা কৰিছিলো। আলোচনাটো অনুষ্ঠিত কৰাত কোনো দলেই আপত্তি কৰা নাই। কিন্তু ডিভাইছ লৈ এটা কথা আছিল, সেইটোত সকলোৰে একমত হোৱা নাই। বিষয়টো খুব গুৰুত্বপূৰ্ণ বাবে তাৎক্ষনিকভাবে আলোচনা কৰাৰ স্বাৰ্থত মই দিব বিচাৰিছিলো। যিহেতু জিৰো আৱাৰত দুখন নোটিছ পাইছো অলপ Flexibility হে এই মুহুৰ্ত্তত মই আলোচনা হোৱাটো বিচাৰিছো। তাত বৃন্দাবন গোস্বামী ডাঙৰীয়া , অজন্তা নেওগ ডাঙৰীয়ানীৰ চহী আছে। মই আমিনুল ইছলামকো ক'বলৈ ক'ম। এই গোটেই বিষয়টো details আলোচনা হোৱাটো বিচাৰিছো। মই এনেকৈ আগবাঢ়িব বিচাৰিছো এইক্ষেত্ৰত সদনৰ সন্মতি বিচাৰিছো যাতে আলোচনাটো কৰিব পাৰো।

শ্ৰীকমলেখ্য দে পুৰকায়স্থ ঃ অধ্যক্ষ মহোদয়- আমি adjourn Motionটো দিছো।

মাননীয় অধ্যক্ষ ঃ মই নিদিও বুলি কোৱা নাই। মই কৈছো তাৎক্ষনিক আলোচনা হ'ব। এতিয়াই আলোচনা হ'ব। এই মুহুৰ্ত্ততে আলোচনা হোৱাটো বিচাৰিছো। আপোনালোকৰ পৰা জিৰো আৱাৰৰ নোটিছ আছে- কংগ্ৰেছ দলৰো আছে। মই এই গোটেই সামগ্ৰিক বিষয়টো আপোনালোকৰ পৰাই প্ৰথমে আলোচনা হোৱাটো বিচাৰিছো। চৰকাৰৰ যিখিনি loophole আছে আপোনালোকে কওঁক। গোটেইখিনি ভালকৈ আলোচনা হওঁক। যিখিনি পিড়ীত লোক আছে, হাউচৰ পৰা তেওলোকলৈ এটা মেছেজ যাওঁক। সেই কাৰনে মই বিচাৰিছো যে immediate আলোচনা হওঁক। আলোচনাটো যাতে হয় মই Allow কৰিছো।

শ্ৰীঅজন্তা নেওগ ঃ আমি যিহেতু সভা স্থগিত প্ৰস্তাৱটো আনিছো। এই কাৰনে আনিছো অধ্যক্ষ মহোদয় এই গোটেই কথাখিনি অতি গুৰুত্বপূৰ্ণ । প্ৰায় ১৬৫ জন লোকৰ মৃত্যু হৈছে। সভা স্থগিত প্ৰস্তাৱটো আপুনি গ্ৰহণ কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ কথাটো আমি অল পাৰ্টিত পাতিছিলো। আমি কনচাচ পোৱা নাই। আলোচনাটো এই মুহুৰ্ত্তত মই বিচাৰিছো । আলোচনাটো আপুনি এই মুহুৰ্ত্তত কৰিব পাৰে। সেই কাৰনে মই আপোনাক এলাউ কৰিছো।- আপোনালোকে আলোচনাটো হোৱাত সন্মতি দিয়া নাইনেকি ?

শ্ৰীঅজন্তা নেওগ ঃ আলোচনা হোৱাত আমাৰ সন্মতি আছে, কিন্তু সভা স্থগিত প্ৰস্তাৱৰ যোগেদি

আলোচনা কৰাটো বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সভা স্থগিত প্ৰস্তাৱৰ পিছত Admissibility তাৰ পিছত মোৰ Ruling হ'ব তাৰ পিছত আলোচনা হ'ব। মই এনেকৈ যাব খোজা নাই কাৰন কনচেনচাচ নহ'লে একে গতিয়ে হ'ব। মই কিন্তু বিষয়টোৰ আলোচনা বিচাৰিছো। আপোনালোকে যদি বিষয়টো এতিয়া আলোচনা কৰে মই ভাবো গোটেই ৰাজ্যখনৰ বাবে ভাল হয়।

**শ্ৰীঅজন্তা নেওগ ঃ** অধ্যক্ষ মহোদয়, Admissibility টো আগতে দিয়াৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । মই বিষয়টোত আলোচনা হোৱাটো বিচাৰিছো। Admissibility technical Cutage আহিব আকৌ। সেই technical Cutage য়ে আমাৰ মূল বিষয়টো আলোচনা কৰাত কেতিয়াবাহে সময় দিব। আমাৰ সময়ৰ ঠিক নাই। কাৰণ আজিৰ দিনটো আমাৰ লাষ্ট ডে। কাইলৈ আমাৰ স্পীকাৰ ইনিচিয়েটিভ আছে। গতিকে তাত হয়তো বেলেগধৰনৰ বিষয় নাথাকিব পাৰে। আপোনালোকে যদি সেইটো কৰে মোৰ আপত্তি নাথাকিব কিন্তু মই বিচাৰিছিলো যে আলোচনাটো এই মুহুৰ্ত্ততে অজন্তা নেওগ ডাঙৰীয়ানীয়ে আৰম্ভ কৰিব পাৰে। কিন্তু আপুনি কৈছে যে প্ৰথমে Admissibilityৰ ওপৰত আৰম্ভ কৰিবলৈ দিয়ক। তেতিয়া হ'লে প্ৰথমে আমিনুল ইছলাম। আপোনাৰ মই এডজৰ্নমেন মোশ্যন প্ৰথমে পাইছো। প্ৰথমে Admissibilityৰ ওপৰত আপুনি কওঁক।

**শ্ৰীআমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো বিষয়ৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ দিছো- বিজ্ৰয়টো অতি জটিল- স্পৰ্শকাতৰ আৰু অতি ভয়াবহ এটি ঘটনা। আমি যদিও সদনত এই বিষয়টো লৈ আলোচনা কৰিব বিচাৰিছো বা এই বিষয়টো লৈ সদনত বাদানুবাদ চলি আছে মই ভাবো আমি সদনৰ প্ৰত্যেকজন সদস্যই, প্ৰতিটো দলেই কনচাৰ্ণ । ইয়াত শাসক বা বিৰোধী বুলি কোনো কথা নাই। এই ঘটনাটো প্ৰত্যোকৰে হৃদয় ছুই যাব পৰা এটা ঘটনা। এই বৃহৎ সংখ্যক শ্ৰমিক- অতি সহজ-সৰল লোক তেওলোকে অকাল মৃত্যুক সাবটি ল'ব লগা হ'ল। এই ঘটনাটো আলোচনা কৰিব লাগে কাৰনে আলোচনা হ'ব এনেকুৱা নহয় যিহেতু এনেকুৱা ঘটনা আগতেও সংঘটিত হৈছিল। এই গুৰুত্বপূৰ্ণ বিষয়টো পৰ্য্যাপ্ত সময় লৈ সকলো দলৰ সদস্যই আলোচনা কৰি এটা সৰ্ব্বসন্মত সিদ্ধান্ত ল'ব লাগে বুলি আমি নোটিছটো দিছিলো। Rule 55 Adjournment Motion যিটো দিয়া হয়, এইটোত এটা কথা আমি জানো যে এই যিটো Notice আমি দিছো এই Noticeটো এইটো হ'ব লাগে - not more than one such motion shall be late at the same made setting আৰু আমি আজি যিটো বিষয়ত Notice দিছো এই বিষয়ৰ setting বিষয়ৰ ওপৰত আৰু Adjournment Motion দিয়া হোৱা নাই। তাৰ লগতে Adjournment Motion এইটো হ'ব লাগে Not more than one matter can be discussed on the same motion on the same date. আমি Adjournment Motion ত এটা particular বিষয় দিছো, এটা ঘটনা আৰু ইয়াত কেইবাটাও ঘটনা আমি সংলগ্ন কৰি দিয়া নাই। যিহেতু Adjournment Motion ৰ নিয়ম অনুসৰি এটা particular বিষয়ৰ ওপৰত দিব পাৰি, সেইটো হ'ব লাগে এটা specific matter of recent occurrence. এই ঘটনাটো অতি recent দুই তিনি দিনৰ ভিতৰত এই ঘটনাখিনি হ'ল, যি সকল শ্ৰমিকক আমি হেৰুৱালো। তেখেত সকলে জীৱন দান কৰিব লগা হ'ল এইটো অতি recent occurrence আৰু specific ঘটনা আৰু সকলোৱে এটা কাৰণতে বিষাক্ত সুৰা সেৱন কৰাৰ ফলতে তেখেত সকলৰ মৃত্যু হৈছে। আৰু এটা কথা কোৱা আছে At the motion

must not anticipate a matter which has been previoully appointed for consideration or with reference to which and notice of motion has been previously given regard being have to the probability of the matter anticipated being brought before the House within a reasonable time. এই বিষয়টো যিহেতু সংঘটিত হৈছে অতি সম্প্ৰতি এই দুই তিনি দিনত। ইয়াৰ পূৰ্বে আমি অন্যান্য যিমান বিলাক Notice দিছিলো বা এই Sessionৰ আগৰ দিন বোৰত আলোচনা হৈছিল তেতিয়া ঘটনাটো সংঘটিত হোৱা নাছিল। গতিকে এই বিষয়টো অতি সম্প্ৰতি হোৱা কাৰণে আৰু অতি সম্প্ৰতি ৰাজ্য খনতে নহয় সমগ্ৰ ভাৰত বৰ্ষৰ লগতে বিশ্বৰ বুকুত খলকনি টোলা এটা ঘটনা। হয়তো অন্যান্য প্ৰদেশতো এই সংখ্যাটো গম পাই, ভাৰতৰ বাহিৰতো গম পাই যে ইমান বৃহৎ সংখ্যক শ্ৰমিক মৃত্যু মূখত পৰিছে। গতিকে সকলোৰে কথাটো ভাৱে আৰু সকলোকে কথাটো ভৱাই তুলিব পৰা এটা ঘটনা। অন্য এটা কথা কোৱা হৈছে যে এই ঘটনাটো the motion must not bring with the matter on which a resolution could not be moved এইটো এনেকুৱা ঘটনা নহয় যিটোৰ ওপৰত আমি কোনো Resolution লব নোৱাৰো হাউচে, এই ঘটনাটো এনেকুৱা ঘটনা যাৰ ওপৰত আমি Resolution লব পাৰো। আমি ভাৱো যে এই ঘটনাটো ইয়াত আলোচনা কৰিলে আমি হয়তো বিহাৰৰ নিচিনা অসমক সুৰামুক্ত ৰাজ্য হিচাপে ঘোষণা কৰাৰ কাৰণে প্ৰস্তাৱ ল'ব পাৰো বা আমাৰ ইয়াত CBIৰ enquaryৰ বাবেও প্ৰস্তাৱ ল'ব পাৰো। যিহেতু অবৈধ সুৰা য'ৰ পৰা সৰবৰাহ হয়, আগতেও এনেকুৱা বিষাক্ত সুৰা সেৱনৰ ফলত বহু শ্ৰমিক মৃত্যু মূখত পৰিছিল। গতিকে সেইবিলাক তদন্ত কৰা আৰু Excise dutyত যিসকল আছে, তেওঁলোকৰ ও এনেকুৱা এটা অভিযোগ পোৱা গৈছে যে তেওঁলোকে এই সুৰা সৰবৰাহৰ ক্ষেত্ৰত সামান্য কিছু উৎকোচ লৈ এইবোৰ সৰবৰাহ কৰিব দিয়ে। অৰ্থাৎ তেওঁলোকে সেইবিলাক বন্ধ নকৰে ভালদৰে, পৰীক্ষা নকৰে, সমান্য উৎকোচ লৈ এইবোৰ সৰবৰাহ কৰিব দিয়ে। গতিকে সেই ক্ষেত্ৰত CBIৰ enquary দিয়া হওক বা দোষী সকলক উপযুক্ত শাস্তি প্ৰদান কৰক। এই ধৰণৰ কেইবাটাও Resolution লব পৰা Scope আছে। গতিকে এইটো এনেকুৱা এটা প্ৰস্তাৱ নহয় যাৰ ওপৰত সদনে কোনো Resolution লব নোৱাৰিব। তাৰ পিছত কোৱা হৈছে The motion shall not deal with any matter which is under a jurisdiction by a court of Law having jurisdiction in any part of India. এই বিষয়টো যিহেতু আদালতৰ বিচাৰাধীন এটা বিষয় বস্তু নহয়, Sub-judice matter নহয়, গতিকে এই বিষয়টো আমি সদনত আলোচনা কৰাৰ কোনো বাধা নাই আৰু কোৱা হৈছে the motion shall not raise a question of privilege এইটো এটা প্ৰশ্নত Privilege নহয় আৰু কোৱা হৈছে that is must not relate to a matter which is not primarily the concern of the Goernment of the State আৰু এই বিষয়টো সম্পূৰ্ণ ৰূপে আমাৰ ৰাজ্য চৰকাৰৰ বিষয় বস্তু। যি সুৰাৰ সৰবৰাহ হয় ৰাজ্য চৰকাৰৰ অধীনৰ আৰকাৰী বিভাগে নিয়ন্ত্ৰণ কৰিব পৰা বিষয় বস্তু, সম্পূৰ্ণ ৰূপে আমাৰ ৰাজ্য চৰকাৰৰ বিষয়বস্তু আৰু ইয়াত যিহেতু স্বাস্থ্য জনিত সমস্যা হ'ল সেইবাবে আমাৰ স্বাস্থ্য বিভাগ আছে। আমাৰ ৰাজ্য চৰকাৰৰ গৃহ বিভাগৰ ইয়াতে concernt হ'ব পাৰে, গতিকে ইয়াত যিকেইটা বিভাগ concernt হ'ব ঘটনাটোৰ লগত সকলো বিভাগ আমাৰ ৰাজ্য চৰকাৰৰ অধীনস্থ, কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিষয় নহয়। গতিকে Under Rule 56 & 57 ত যিখিনি Adminissibilityৰ কাৰণে এটা সভা স্থগিত প্ৰস্তাৱৰ যিটো ধৰ্ম

থাকিব লাগে বা যি বৈশিষ্ট থাকিব লাগে আমাৰ এই সভা স্থগিত প্ৰস্তৱাটোৰ প্ৰত্যেকটো বৈশিষ্ট্য আছে আৰু আমাৰ অসম বিধান সভাৰ কাৰ্যপৰিচালনা বিধিৰ নিয়ম মতে এই সভা স্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰাত কোনো বিধিগত বাধা নাই বা কোনো এটা দিশৰ পৰা এই বিষয়টো গ্ৰহণ কৰিব নোৱাৰাৰ কোনো কাৰণ নাই, যুক্তি নাই। মাননীয় অধ্যক্ষ মহোদয়, আমি দুখৰে মন কৰিছো আৰু খৱৰ বিলাক আমি পাই আছো, এতিয়াও যি সকল চিকিৎসাধীন হৈ আছে সেই লোক সকলৰ বহুতে ডাক্তৰে কোৱা মতে বহুত সংকত জনক অৱস্থাত আছে। মৃত্যুৰ সংখ্যা আৰু বহুত বাঢ়ি যাব পাৰে। গতিকে এতিয়াও আশাংকা মুক্ত নহয় যি সকল চিকিৎসাধীন হৈ আছে আৰু তাৰ লগতে এনেকুৱা ঘটানাও হৈছে যে মৃত শ্ৰমিক সকলক যি সকলে আহি সৎকাৰ কৰিছে, খৰি দিছে, সৎকাৰ কৰি যোৱাৰ পিছত তেওঁলোকেও আকৌ সুৰা সেৱন কৰাৰ ফলত তেওঁলোকেও মৃত্যু মূখত পৰিছে। অধ্যক্ষ মহোদয়, এনেকুৱা ঘটনা পোহৰলৈ আহিছে যে একাংশ দুখীয়া শ্ৰমিক যিসকলৰ খৰি কিনিবলৈ পইচা নাই আৰু তেওঁলোকক খৰি দিব নোৱাৰাৰ কাৰণে কবৰস্থ কৰা হ'ল। হিন্দু ধৰ্মৰ যিটো পৰম্পৰা, ধৰ্মীয়া যিটো অনুভূতি, ধৰ্মীয়া যিটো নীতি নিয়ম, সেই নীতি নিয়মেৰে তেওঁলোকৰ শেষ কৃত্য সম্পন্ন কৰিব পৰা নাই। খৰি দিবলৈ পইচা নাই। কালি একাংশ সংবাদ মাধ্যমত লাইভ ভিডিঅ' দেখাইছে যে তেওঁলোকক খৰি দিবলৈ পইচা নাই কাৰণে তেওঁলোকক কবৰস্থ কৰা হ'ল। হিন্দু ধৰ্মৰ পৰম্পৰা ভংগ কৰি কবৰস্থ কৰা হ'ল। ইমান এটা ভয়ানক কথা য'ত আমাৰ চৰকাৰ আছে আৰু আমি সকলোৱে অৱগত, গতিকে এই ঘটনাটো কিমান জঘন্য হৈছে আৰু কিমান ভয়াবহ এটা পৰিস্থিতি অসমত সৃষ্টি হৈছে? গতিকে এই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি আমি ভাৱো আজি বিধান সভাৰ সকলো কাৰ্যসূচী স্থগিত ৰাখি এই গুৰুত্ব পূৰ্ণ বিষয়টো আলোচনা কৰিব লাগে। ইয়াত কেইবাটাও দিশ ওলাব। আমাৰ এই অবৈধ সুৰা সৰবৰাহৰ চালান ক'ৰ পৰা আহে, তাত কেনেধৰণৰ লোক জড়িত থাকে তাৰপিছত ইয়াত আৱকাৰী বিভাগৰ কি ডিউটী আছে আৰু ইয়াত এইটো তদন্ত কৰাৰ পিছত এই মানুহ বিলাক আজি কিয় তেওঁলোকে অন্তিম সৎকাৰ, তেওঁলোকে খৰি দিব নোৱাৰাৰ কাৰণে তেওঁলোকক আজি কবৰস্থ কৰিব লগা হ'ল, কাৰ negligence আছে বহুত কথাই ওলাব। ইয়াত বহুত কেইটা Resolution লব আছে সেইটো কাৰণে অলপ সময় লাগিব অধ্যক্ষ মহোদয়। সেই কাৰণে আমি ভাৱো যে এইটো অন্য কোনো ডিভাইচত দিয়াৰ পৰিৱৰ্তে যদি ইয়াত Adjournment Motion হিচাপে আলোচনা কৰা হয় সেই সকলো কথাবিলাক তেতিয়া পোহৰলৈ আহিব। কথাবিলাক পোহৰলৈ আহিলে তেতিয়া আমি গুৰুত্ব পূৰ্ণ কেইটামান সিদ্ধান্ত লম। আমি ভাৱো অধ্যক্ষ মহোদয়, শ্ৰমিকৰ মৃত্যু অভাৱনীয়া, অনাকাংশিত, অকাল মৃত্যুৰ শেষ ঘটনা হওক, এনেকৈ সুৰাপানৰ ক্ষেত্ৰত আৰু যাতে অসমত ভৱিষ্যতে কোনো এক শ্ৰমিকে প্ৰাণ দিব লগা নহয়, তাৰ কাৰণে কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আৰু সম্ভৱ হলে অসমক এখন সুৰা মুক্ত ৰাজ্য হিচাপে ঘোষণাৰ প্ৰস্তাৱ আজিয়ে সদনত যাতে গ্ৰহণ কৰা হয় আৰু CBI ৰ তদন্ত কৰা হয়, এই কথাবিলাক নিশ্চয় আজি, এই আলোচনাটো কৰি নিশ্চয় প্ৰস্তাৱবিলাক গ্ৰহণ কৰাৰ সুবিধা এটা আহিব। গতিকে অধ্যক্ষ মহোদয়, আপোনাক আমি এইটো অনুৰোধ জনাইছো যে Adjournment Motion টো যাতে গ্ৰহণ কৰি, এই কথাবিলাক আলোচনা কৰি, অসমক অনাগত দিনৰ পৰা এনেকুৱা ভয়ংকৰ বিপদৰ পৰা, অসমবাসীক আৰু দূখীয়া শ্ৰমিকক মুক্ত কৰাৰ এটা সুবিধা দিব বুলি অনুৰোধ জনাই, আপুনি এইখিনি কোৱাৰ সুবিধা দিয়াৰ কাৰণে ধন্যবাদ জনাই মই সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত আপোনালোকৰ অজন্তা নেওগ ডাঙৰীয়ানীয়ে কব।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** অধ্যক্ষ মহোদয়, আমি এটা সভা স্থগিত প্ৰস্তাৱ আনিছিলো, তাৰ বিষয়

বস্তু টো হৈছে শতিকাৰ বৃহত্তম সুৰা ট্ৰেজেদী, প্ৰায় ১৬৫ জন লোকৰ মৃত্যু হৈছে এতিয়ালৈকে। এই কথাখিনি অধ্যক্ষ মহোদয়, আমি কোনো ৰাজনৈতিক দৃষ্টিকোনৰ পৰা ইয়াত কব বিচৰা নাই। এই কথাখিনি মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত গভীৰ বেদনাৰে উত্থাপন কৰিব বিচাৰিছো কিয়নো মই সেই আক্ৰান্ত অঞ্চল বিলাকলৈ মই নিজে গৈছিলো আৰু তাত আমি নিজৰ চকুৰ আগত শাৰী শাৰী চিতা জ্বলি থকা দেখিবলৈ পাইছো। মই সেই নিহত পৰিয়াল সকলৰ ঘৰলৈ গৈছিলো, একোটা পৰিয়ালক ৩/৪ জনকৈ মুৰব্বী ব্যক্তিৰ মৃত্যু হৈছিল, মৃতকৰ পৰিয়ালৰ কান্দোন আৰু আৰ্তনাদ মই নিজে শুনিছিলো। সেই পৰিয়ালৰ কণ কণ অনাথ শিশু সকলক মই নিজ চকুৰে দিখিছিলো আৰু সেই দুৰ্ভগীয়া পৰিয়াল বোৰক সান্ত্বনা দিয়াৰ সাহস আৰু মুখৰ ভাষা মোৰ হেৰাই গৈছিল। মই সেই লোক সকলৰ লগত কথা পাতিছিলো আৰু সকলোৰে এটাই প্ৰশ্ন আছিল যে এই ঘটনাৰ আঁৰত কি আছে, তেতিয়া সেই লোক সকলে মোক কৈছিল, য়ে সেই আক্ৰান্ত এলেকাৰ চাৰিওফালে যি অঞ্চল আছে, সেই অঞ্চল বিলাকত অবৈধ সুৰাৰ ব্যৱসায় চলে আৰু ব্যৱসায়ৰ লগত তেওঁলোকে কৈছিল যে আবকাৰী বিভাগটো জড়িত হৈ আছে। এই আবকাৰী বিভাগৰ লগত সহযোগিতা কৰে, স্থানীয় আৰক্ষী লোকে আৰু যেতিয়া স্থানীয়ভাবে সেই অঞ্চলৰ লোকে এই কাম-কাজত বাধা দিবলৈ যায়, তেতিয়া আৰক্ষীৰ পৰা মানুহ আহে আৰু আহি কয় যে আইন শৃংখলা হাতত লোৱা অধিকাৰ ৰাইজৰ নাই। তেতিয়া মানুহ বিলাক পুনৰ ঘুৰি আহে। এতিয়া প্ৰশ্ন হল যে অবৈধ সুৰা কৰ পৰা প্ৰস্তুত কৰা হয়, এই অবৈধ সুৰা প্ৰস্তুত কৰা হয় লালিগুড়ৰ পৰা। এই লালিগুড়ৰ যি ৰমৰমীয়া ব্যৱসায় চলি আছে সেই অঞ্চল বিলাকত সেই অঞ্চলৰ মানুহে কৈছিল এই লালিগুৰ বিলাক ডাঙৰ ডাঙৰ কিছু ব্যৱসায়ীয়ে কৰে, তেওঁলোকৰ ডাঙৰ ডাঙৰ গুদাম আছে গাটেই হোল চেল মাৰ্কেট কৰে। ইয়াৰ লগত যি বিলাক আবকাৰী বিভাগৰ বিষয়া সকল আছে, তেওঁলোকৰ ঘৰত আহি এই আৰকাৰী বিভাগৰ বিষয়া সকল জড়িত হৈ থাকে, আৰু মই অতি দুখেৰে কৈছো, আমি বহুটো চিণ্ডিকেটৰ কথা শুনিছো। এইটো এটা আকৌ নতুন চিণ্ডিকেট এইটো চিণ্ডিকেট হৈছে চৰকাৰী চিণ্ডিকেট। আজি মোৰ অঞ্চলত অকল গোলাঘাট সমষ্টিয়ে নহয়, আজি গোলাঘাটৰ সদৰৰ পৰা আৰম্ভ কৰি অকল বাগানে নহয় বৃহত্তৰ অঞ্চল বিলাক জড়িত হৈ পৰিছে। গোলাঘাট, মেৰাপানী, তিতাবৰ, বৰহোলা, যোৰহাটৰ বৃহত্ত অঞ্চল আমাৰ শালমৰা বাগান এটা বৃহত্তৰ এলেকাত ৰমৰমীয়া ব্যৱসায় চলি আছে। এই ব্যৱসায়ৰ মূলতে হৈছে আবকাৰী বিভাগৰ বিষয়া সকল, আবকাৰী বিভাগৰ পৃষ্টপোষকতাত, চৰকাৰী পৃষ্টপোষকতাত এই চিণ্ডিকেট চলি আছে কাৰণ সেইটো এটা centralize বস্তু। আজি কিমান মানুহৰ মৃত্যু হৈছে, আমি শতাধিক মানুহৰ মৃত্যু কেতিয়াও দেখা নাই, এই কাৰণে মৃত্যু হৈছে, centralize এটা চিণ্ডিকেট চলি আছে চৰকাৰী আৰকাৰী বিভাগৰ পৃষ্টপোষকতাত যাৰ জৰিয়তে আচলতে ইমান মানুহ মৃত্যু মুখত পৰিবলগীয়া হৈছে। এতিয়া প্ৰশ্ন উঠিছে অধ্যক্ষ মহোদয়, যে আবকাৰী বিভাগৰ আইন কানুন কি যে আবকাৰী বিভাগৰ বিষয়া সকলে কেতিয়াবা সেই অঞ্চল বিলাকত raid কৰিব যায়, আৰু raid ৰ খবৰ তেওঁলোকে আগতে গমেই পাই যায়। যি বিলাক ব্যৱসায়ীয়ে অবৈধ ভাবে সুৰাৰ ব্যৱসায় কৰি আছে সেই লোক সকলক আগতে খবৰ দিয়া হয়, আগতে খবৰ দিয়াৰ পিছত তেওঁলোকে বস্তু বাহিনী নাইকীয়া কৰে, নামমাত্ৰ তেওঁলোকে ঘৰলৈ যায় আৰু ঘুৰি আহে, এনেধৰণে গোটেই বস্তু বিলাক recurrance হয় আছে এইটো ঘটনা অকল আজিয়ে নহয় মোৰ সমষ্টিত যোৱা বছৰো একে সময়েতে ফেব্ৰুৱাৰী মাহত দৈয়াং বাগানাত প্ৰায় ২৯ জন লোকৰ মৃত্যু হৈছিল গতিকে এই ঘটনা বিলাক এই কাৰণে হৈছে যে আৰক্ষী বিভাগৰ প্ৰত্যক্ষ ছত্ৰচায়াত আৰু আবকাৰী বিভাগৰ সহায় বিষয়া সকল জড়িত হৈ আছে। আৰু তেওঁলোকৰ

মোটা অংকৰ কমিচন আছে। তেওঁলোকে সেই কাৰণে এই লোক সকলক ধৰিব নোৱাৰে, আজি কথা হল শ শ লোকৰ মৃত্যু মুখত পৰিছে, আৰু তাত যি সকল লোক জড়িত হৈছে আমি সকলোৱে বিচাৰিছো যে এই লোক সকলৰ শাস্তি হব লাগে। সেইকাৰণে আবকাৰী বিভাগৰ যিখন আইন আছে, এই আইনখনৰ এক পৰিবৰ্তন কৰাৰ সময় হৈছে।

**মাননীয় অধ্যক্ষ** ঃ আপুনি Admissibility ৰ ওপৰত কওঁক।

**শ্ৰীমতী অজন্তা নেওঁগ (মাননীয় সদস্যা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি Rules of Procedurer and Conduct of Business in Assam Legislative Assembly ইয়াত এই বিষয়টো হব লাগে definite and whether it is a urgent public importance অধ্যক্ষ মহোদয় আৰু মই Koel and Shadhaker ৰ কথা কব বিচাৰিছো ইয়াত আছে The point is that if Hon'ble members have a fairly good chance of raising the question on a debate, it will not be permitted as an adjournment motion. The adjournment motion is a device to bring something before the House which is not included in the agenda or Order Paper. It is something like taking up a new matter which is not intended to be taken up and of which all members had no notice what ever. So in the interest of all, it has been the practice to allow adjournment motion as a matter of exception where the matter is really urgent and there is no other opporpunity or chance for the House to cosider the matter. অধ্যক্ষ মহোদয় ইয়াত আৰু এটা Although, it may be the unanimous desire of the House to discuss a matter which is sub-judice, the Speaker is bound to forbid it.

**মাননীয় অধ্যক্ষ** ঃ এইটো ইয়াত নাহিব যিহেতু এইটো sub-judice হৈ আছে।

**শ্ৰী অজন্তা নেওঁগ (মাননীয় সদস্যা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা Provision আছে, This provision was for the first time made in the Rules of the Provisional Parliament in 1951. There was no such provision in the Rules and Standing Orders of the Central Legislative Assembly or the Constituent Assembly (Legislative). However, it has been held by the Speakers from time to time that the following matters could not be raised by way of and adjournment motion. অধ্যক্ষ মহোদয়, গোটেই আপোনাৰ ওপৰতে discretion আছে। গতিকে মই গোটেই কথাখিনি কৈছো, আজি শ, শ লোক মৃত্যু মুখত পৰিছে, সেই কাৰণে আমি আন্তৰিকতাৰে বিচাৰিছো যে ইয়াৰ যাতে পুনৰাবৃত্তি নহয়। সেই কাৰণে আমি আজিৰ সদনত সভা স্থগিত প্ৰস্তাৱ আনিছো আৰু কিছু কথা আমাৰ ওপৰত আহিছে। আজিৰ যিটো adjournment motion আছে, এই adjournment motion টো গ্ৰহণ কৰিব লাগে আৰু গ্ৰহণ কৰি আমাক এটা আলোচনাৰ সুযোগ দিব লাগে, ইয়াত যিখিনি উপাদান আছে Matter টো হৈছে , definite, urgent আৰু Matter is very public imortance মই এইখিনি কথা অনুৰোধ জনাইছো, এই গোটেই কথাখিনি আলোচনা কৰিবলৈ সুযোগ দিব লাগে আৰু adjournment motion টো গ্ৰহণ কৰিব লাগে আৰু এইখিনি কথা কৈ মই সাঁমৰণি

মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গোলাঘাট আৰু যোৰহাট জিলাত যিটো ঘটনা হৈছে এই ঘটনাত আমাৰ চৰকাৰ সম্পূৰ্ণৰূপে concern আৰু এই ঘটনাত আমি সকলোৱে দুখ প্ৰকাশ কৰিছো । এই বিষয়টো আলোচনা কৰাটো আামি চৰকাৰৰ তৰফৰ পৰা দৃঢ়তাৰে বিচাৰিছো । অধ্যক্ষ মহোদয়, যিদিনাখন এই ঘটনাটো আৰম্ভ হৈছিল, আৰম্ভ হোৱা দিনাখন আপুনি পিচবেলা সদনত কৈছিল, ৰূপজ্যোতি কূৰ্মী ডা ঙৰীয়াই সদনত উৎথাপন কৰিছিল যে এই সম্পৰ্কত চৰকাৰে এটা বিবৃতি দিব লাগে । অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত আপোনাৰ যিটো Direction আছিল, সেই Direction মতে আপুনি কোৱাৰ পিচতে আমি ঠিয়হৈ কৈছিলো যে এই ক্ষেত্ৰত আমি ব্যৱস্থা লম ।

অধ্যক্ষ মহোদয়, যিটো Adjournment motion আনিছে, এইটো Feasibility ৰ ওপৰত কথা আহিল । অধ্যক্ষ ডাঙৰীয়া , অলপ আগতে প্ৰশ্ন উত্তৰ কালত, ৰমেন্দ্ৰ নাৰায়ন কলিতা ডাঙৰীয়াই প্ৰশ্ন কৰিছিল আৰু ভবেশ কলিতা ডাঙৰীয়াই উত্তৰ দিছিল । তাৰপিচত হাউচত এটা হুলস্থুলীয়া পৰিবেশ সৃষ্টি হোৱাৰ কাৰণে আপুনি হাউচ Adjourn কৰি সকলো পাৰ্টিৰ Leader সকলক আপোনাৰ কক্ষত মাতি আলোচনা কৰিছিল আৰু আলোচনাৰ কালত এই বিষয়টো উৎথাপন হৈছিল । এই বিষয়টো আলোচনা হোৱাটো আপোনালোকৰ লগতে আমি চৰকাৰেও বিচাৰিছো । আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য সকলেও বিচাৰিছে । সেই মৰ্মে এই কথাখিনি হাউচৰ নিয়মৰ ভিত্তিত ভালদৰে আলোচনা হ'ওক , বিস্তৃত ভাৱে । যিহেতুকে আমাৰ মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে এখন Zero Hour notice দিছে, এজিপিৰ ফালৰ পৰা বৃন্দাৱন গোস্বামী ডাঙৰীয়াইও এখন Zero Hour notice দিছে আৰু কেশৱ মহন্ত ডাঙৰীয়াই ৰুল ৫০ত এখন নটিচ দিছে Adjournmnet Motion ৰ কাৰণে। গতিকে অধ্যক্ষ মহোদয় ,এই ক্ষেত্ৰত আলোচনা কৰোতে আমি কৈছিলো যে যিহেতু Zero Hour ত বিষয়টো আলোচনা কৰাৰ এটা সুযোগ আছে । অধ্যক্ষ মহোদয়, আপুনি যিহেতু কৈছিলে Zero Hour তো বঢ়াই হলেও আলোচনা কৰাৰ কথা , গতিকে সকলো দলে যাৰ যি ক'ব লগা আছে এই Zero Hour তে কওঁক, তাত কোনো বাধা নাই । যিটো ঘটনা উৎথাপন হৈছে এইটো যদি আমি আগতে আলোচনা আৰম্ভ কৰিলোহেতেন ইয়াৰ ওপৰত মাননীয় সদস্য সকলেও বহুখিনি কথা কব পাৰিলেহেতেন আৰু তাৰ ওপৰত চৰকাৰেও বিবৃতিটো দিব পাৰিলোহেতেন । আমি যদি সকলোৱে এই মানুহখিনিৰ ওপৰত সঁচাকৈয়ে যদি concern , আমাৰ আলোচনাটোহে হ'ব লাগে । চৰকাৰে ব্যৱস্থা লোৱাত যদি ত্ৰুতি হৈছে সেইটো আপোনালোকে ক'ওক, তাৰ ওপৰত পৰামৰ্শ দিয়ক যাতে আগন্তুক দিনত এনেকুৱা ধৰণৰ ঘটনা আৰু নঘটে । অধ্যক্ষ ডাঙৰীয়া, আগতে যিটো মহলদাৰী চিষ্টেম আছিল বাগান বিলাকত এই চিষ্টেমটো আমাৰ চৰকাৰ অহাৰ পিচত উঠাই দিয়া হৈছে । এতিয়া সম্পূৰ্ণৰূপে এটা চিষ্টেমেটিক মেনাৰত বস্তুখিনি গৈ আছে । কিন্তু অধ্যক্ষ ডাঙৰীয়া, ১০০ বছৰ ধৰি চলি থকা সমস্যাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাতিটোৰ ভিতৰতে সমাধান কৰিব নোৱাৰে । প্ৰথমতে আইনখন লাগিব , আইনখন ইতিমধ্যে সংশোধন কৰি লৈছে ২০১৭ চনত, গতিকে অধ্যক্ষ মহোদয় Feasibility ৰ ক্ষেত্ৰত অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যিটো কথা কৈছে এইটো ৫৭২ ত আছে - The point is that, if Hon'ble Members have a fairly good chance of raising the question on debate, it will not be permitted as an Adjourn-

ment Motion . তেওঁ কোৱা কথাখিনিয়ে ইয়াত আছে। গতিকে অধ্যক্ষ মহোদয়, সুন্দৰকৈ আলোচনা কৰিব পাৰিলেহেতেন ? M.N Kaul & S.L.Shakdher ৰ " Practice and Procedure of Parliament'' তাত ৫৭২ পৃষ্ঠাত, কৈছে যে সদস্য সকলে fairly debate কৰাৰ সুযোগ থাকে। এইটো It will not be permitted by Adjournment Motion . তেখেতে যিটো কথা কৈছে সেইটোতে এই কথাখিনি কৈছে। অধ্যক্ষ মহোদয়, ৫৬৭ পৃষ্ঠাত 2nd pera ত কৈছে যে- "The matter even of very recent occurance is not urgent. If an opportunity for its discussion will arise in the ordinary course of business within the resonable short period of time''. গতিকে অধ্যক্ষ ডাঙৰীয়া, recently হোৱা এটা ঘটনাকো জৰুৰী বুলি ধৰি Adjournment Motion হ'ব নোৱাৰে , কাৰণ যিহেতু এই কথাতো আলোচনা কৰাৰ কাৰণে ইয়াত scope আছে , আপুনি আহিয়েই Zero Hour ত গোটেইখিনি কথা আলোচনা কৰাৰ কাৰণে scope দিছে । অধ্যক্ষ ডাঙৰীয়াই নিজেই All party meeting ত ৰিলিজ কৰি দিম বুলি কৈছে। এইটো Discretionary of the Hon'ble Speaker.অধ্যক্ষ মহোদয়, আপুনি ৰুল মতেই গৈছে। তাৰ পিছত আকৌ 567 ত কৈছে -Similarly a matter which can be raised under any other proceedural device like Calling Attention Notices , Question, Short Notice Question, Half an Hour discussions , short duration discussion ,etc. canot be raised through an Adjornment Motion . এইটো Clearly ইয়াতে Kaul & Shakdher ৰে কৈছে । যিটো কথা অন্য ডিভাইচত উৎথাপন কৰিব পাৰে হাউচ চলি থকা অৱস্থাত, সেইটো কথা Adjornment Motion অনাৰ কোনো যুক্তি নাই। এই কথাখিনি " Practice and Procedure of Parliament''ত Clearly কৈছে। এই ঘটনাটো সংঘটিত হোৱাৰ লগে লগে আজি আপুনি আমাক যিটো সুযোগ দিছিলে মাননীয় বিৰোধীপক্ষৰ সদস্য সকলক Zero Hour ত যিহেতুকে ২ খন ন'টিচ আছিল আপোনালোকে এইটোৰ উপৰত ভালদৰে আলোচনা কৰক । ঘটনাটো ঘটাৰ পিছত চৰকাৰে নিৰৱে বহি থকা নাই। আজি Upper Assam Division Commissioner ক enquiry কৰিব দিয়া হৈছে, আচল তথ্য কি আছে তাক জানিবলৈ DGPক দায়িত্ব দিয়া হৈছে , ঘটনাৰ সবিশেষ তদন্ত কৰি চৰকাৰক জনাবলৈ দিয়া হৈছে । তাৰোপৰি কিছুমান গুদাম তাত চিল কৰিবলৈ দিয়া হৈছে অধ্যক্ষ মহোদয় । গুদাম চিল কৰিছে এই লালি গুড়টোৰ কাৰণে । ফিজিবিলিটি ৰ ক্ষেত্ৰত মাননীয় সদস্য সকলে যদি এই Adjornment Motion টো অনাৰ আগতে যদি ক'লে হেতেন আমি Adjornment Motion নো নানো , Question নানো আমাৰ আলোচনা হ'ওঁক । এতিয়া যিহেতু Adjornment Motion টো আনিলেই এতিয়া ফিজিবিলিটিত যাবই লাগিব Whether this is Admissibility ? Admissible হয়নে , নহয় । গতিকে অধ্যক্ষ ডাঙৰীয়া, আজিৰ দিনটো'ত মাননীয় মুখ্যমন্ত্ৰীৰ কথা ইয়াত উল্লোখ কৰিছে । মাননীয় মুখ্যমন্ত্ৰীয়ে অঞ্চলবিলাকলৈ গৈছে। তাৰোপৰি ,মুখ্যমন্ত্ৰী মহোদয়ে প্ৰতিজন মানুহক ইতিধ্যে ২ লাখ টকাকৈ দিছে । ২ লাখ টকা এজন মানুহৰ জীৱনৰ মূল্য নহয় । চৰকাৰে টকা দিছে, চিকিৎসা দিছে । অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য সকলক আপোনাৰ জৰিয়তে আহ্বান জনাম যে ৰুলে কয় Adjornment Motion টো নহয়, যিখন সদনে ৰুল বনাই, সেইখন সদনে ৰুল ভংগ কৰিব নোৱাৰে। আজি যদি

সদনৰ ৰুল ভংগ হয়, আইন ভংগ হয়, এই সদনৰ মৰ্যাদা ক'ত থাকিব । গতিকে মাননীয় সদস্যসকলৰ fairly chance টো আছিল , সেইকাৰণে তেওঁলোকে Zero Hour ত আলোচনা কৰিব পাৰিলেহেতেন। গতিকে মাননীয় সদস্য সকলক মই আহ্বান জনাম সদনৰ মৰ্যাদা ৰক্ষাৰ কাৰণে এই বিষয়টো টো Zero Hour ত দিয়ক, সকলোৱে বিস্তৃতভাৱে আলোচনা কৰক । ৰুল বনোৱা সদনে ৰুল ভংগ কৰাটো আমি নিবিচাৰো ।

**মাননীয় অধ্যক্ষ ঃ** Admissibility ৰ ওপৰত আপোনালোকৰ যিকোনো এজনে কওঁক।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি পজিটিভলী এই কথাখিনি আলোচনা কৰিব বিচাৰিছো। যাতে সেই মানুহখিনিৰ বিষয়ে সদনত আলোচনা এটা হয় সেই কথাটো অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে উপস্থাপন কৰিব বিচাৰিছো। ইয়াত অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যিখিনি কথা কৈছে সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে ৰুল ভংগ কৰা বুলি কৈছে। মই মাত্ৰ এটা লাইন পঢ়ি দিব ওলাইছো। "So in the interest of all, it has been the practice to allow adjourment motion as a matter of exception, whether the matter is really urgent". যদি matter টো really urgent তেনেহ'লে সদনে ঠিক কৰিব লাগে যে matter টো really urgent হয়নে নহয়? যদি আমি matter টো urgent বুলি নকওঁ তেতিয়াহে ৰুলটো ভংগ হ'ব বুলি মই ভাৱো। সেইকাৰণে আমি adjourment motion আনিছিলো। তাৰ মাজতে তেখেতে ক'লে যে ২ লাখ টকাকৈ ঘোষণা কৰিছো। ১ ফেব্ৰুৱাৰী ২০১৯, order by the Government notification বুলি আছে তাত ৫ লাখ বুলি আছে যদিও আমি ১০ লাখ বিচাৰিছো। গতিকে সেই মানুহখিনিৰ কাৰণে চৰকাৰী নিয়ম ভংগ কৰা হৈছে নেকি অলপ চাব লাগে। আপোনাৰ জৰিয়তে চৰকাৰক মই এইখন দিব বিচাৰিছো যে ১-২-২০১৯ তাৰিখে মৃত্যুৰ ক্ষেত্ৰত ৫ লাখ টকাকৈ দিয়াৰ কাৰণে আগৰ ২০১২ চনৰ যিখন অৰ্ডাৰ সেই অৰ্ডাৰটোৰ বিপৰীতে ওলাইছে। গতিকে এইখিনি অকনমান চাব লাগে। অধ্যক্ষ মহোদয়, আপুনি ৰুলিং দিয়াৰ পিছত আমাক অকনমান সময় দিব কাৰণ আমি এইটো আন্তৰিকতাৰে চৰকাৰক সহায় কৰিব বিচাৰিছো। আপুনি adjourment motion ৰ যিটো ৰায় দিয়ে দৰকাৰ হ'লে আমাৰ বিৰোধী পক্ষৰ দলপতিকো মাতি লৈ যাওঁক যিটো কথাৰ বিষয়ে আপুনি আলোচনা কৰিব বিচাৰিছে আৰু এইখিনি আমাক adjourment motion ৰ জৰিয়তে দিয়ক। কাৰণ ৰুলত শূন্যকালীন ঘণ্টাটো এটা সীমিত ব্যৱস্থা আছে য'ত আমি সকলোৱে অংশগ্ৰহণ কৰিব নোৱাৰো। তাৰোপৰি প্ৰাক্তন মন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ লগত আমি কথা পাতি কৈছো সদনৰ আমি সকলোৱে যে এইক্ষেত্ৰত concern এই কথাটো দেখুৱাবৰ কাৰণে তাৎক্ষনিকভাৱে চৰকাৰে অধ্যক্ষৰ যোগেদি এটা All Party Delegation ৰ শুভ বাৰ্তা যাব নেকি যে এইক্ষেত্ৰত আমি ৰাজনৈতিক চিন্তাৰ উৰ্দ্ধত। আহক আমি সকলোৱে তালৈ যাওঁ, ঘটনাখিনি চাই এইক্ষেত্ৰত আমি চৰকাৰক সহায় কৰিব বিচাৰিছো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rules and Procedure and Conduct of Business in Assam Legislative Assembly ৰ Rule 57 (viii) that it must not relate to a matter which is not primarily the concern of the Government of the State. ..........

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ অৰ্থটো বেলেগ। We are very sincere to discuss the issue. মই ক'ব বিচাৰিছিলো যে শূন্যকালীন ঘণ্টাটো সীমিত নহয়। মই মোৰ discretion ৰ under ত এইটো অলপ বঢ়াব বিচাৰিছিলো। এতিয়া মূল কথালৈ আহো A matter is not

urgent if an opportunity for its discussion will rise in the ordinary course of business with in a reasonable time. মই এইটো লগে লগে দিব বিচাৰিছিলো কাৰণ আমাৰ ordinary business ত এইটো কৰিব পৰা আছে। মই শূন্যকালীন ঘণ্টাটো all party ক কৈছিলো যে এইবাৰ মই এইক্ষেত্ৰত flexible হ'ম। দৰকাৰ হ'লে বাকী কেইজন সদস্যক মই শূন্যকালীন ঘণ্টাত ক'ব নালাগে বুলি ক'ম। Secondly, a matter which can be raised under any procedural device can not be raised through Adjournment motion. যোৱাকালি মই কংগ্ৰেছ বিধায়িনী দলৰ এগৰাকী সন্মানীয় সদস্যৰ পৰা এখন নটিচ পাইছিলো, তাৰপিছত আৰু এখন আহিলে। গতিকে অন্য ডিভাইচতো আমি কৰিব পাৰো। Adjournment motion is an exception where there is no opportunity or chance for the House to consider the matter.

যদি মোভাৰে কয় যে আমি আলোচনা কৰিম তেন্তে আমি তেখেতৰ হতুৱাই কামটো আৰম্ভ কৰিব পাৰো। তাত আছে যে A motion can be converted if permit by mover to other Device. Mover য়ে যিহেতু কৰা নাই সেয়েহে মই তেওঁক adjournment motion ৰ ওপৰত ক'বলৈ দিলো। And refusal to give concent is an absolute discretion of the Speaker and he is not bound to give any reason.মই কিন্তু কেতিয়াওঁ ৰিজ'ন নিদিয়াকে নাই কৰা। কিন্তু Kaul and Shakdher য়ে absolute discretion দি থৈছে। সেইবিলাক মই খুব ভাল বুলি নাভাবো। Adjournment motion ৰ ক্ষেত্ৰত Minister's responsibility is must. ইয়াত কিবা এটা আলোচনা কৰিলে ইয়াৰ চৰকাৰে তাত ৰেচপনচিবিলিটী থকা বিষয়েহে আমি Adjournment motion দিব পাৰো। সেই কাৰণে কৈছে 'that it must not relate to a matter which is not primarily concern with the State' সিদিনাখন সেই ইচ্ছুটো কেন্দ্ৰীয় চৰকাৰৰ আছিল। সেইকাৰণে সেইটো পইণ্টত Adjournment motion টো দিয়া হৈছিল। এতিয়া মই দেখিছো যে on 22nd February, Hon'ble Member Shri Rupjyoti Kurmi and few others tried to draw the attention of the House about the illicit liqured tragedy and considering the seriousness of the issue which was widely published in the elcetronic network of the State. On that day which I also witness during the time of lunch. So I have immediately directed the Government to give a detail statement on the next working day that is today.যিহেতু মই আপোনাক দেখি আহিলো আৰু এইটো আলোচনা কৰাৰ পিছত চৰকাৰে কি কৰিছে মোক এটা উত্তৰ লাগে কাৰণ মইটো চৰকাৰক সোধা নাই দুপৰীয়া মই কথাখিনি টিভিত দেখি আহিছো। Since matter has come to notice of the House on 22nd February itself on which from my Chair, a dircetion has been isued to the Government as such I am of the opinion that the issue need not be discussed in the Rule 56. Moreso, the same matter be discussed today itself under 'Zero Hour' in which to Hon'ble Members Smti Ajanata Neog and Shri Brindaban Goswami has given notice. There is fair chance to raise

all that issues in our discussion. I have already said that I am flexible on this. So, adjourment motion should be taken as a very very acceptional thing. বিষয়টো খুব গুৰুত্বপূৰ্ণ। কিন্তু আমি এইটো আলোচনা কৰি চৰকাৰে কি কৰিব লাগে, চৰকাৰে কি কৰা উচিত এই কথাটো হাউচত আলোচনা হ'ব। চৰকাৰক কথাখিনি কোৱাৰ এইটোৱেই সুযোগ। সেইকাৰণে মই কৈছো যে এইটোত মই Immediately যাব বিচাৰো। মই সেই কাৰণে consent দিয়া নাই। মই সভাস্থগিত প্ৰস্তাৱ এইটো নাকচ কৰি শূন্য কালীন ঘণ্টাত সেই বিষটো দিব বিচাৰিছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয় আমি অসম গণ পৰিষদ দলৰ ফালৰ পৰা ৰুল ৫০ আলোচনা কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই এইটো পাইছো। ৰুল ৫০ ত সময় বেছি পায়। ইয়াত মই অলপ সময় দিব বিচাৰিছো সকলোৰে কথা ক'বৰ বাবে। সেই কাৰণে মই এইটো লোৱা নাই।

**শ্ৰীমতী অজন্তা নেওঁগ, বিধায়িকা (গোলাঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয় বিষয়টো ২৩ তাৰিখে আহিছিল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বৃন্দাবন গোস্বামী ডাঙৰীয়াই ও দিছে।

**শ্ৰী ৰূপ জ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো যে “Hon'ble Speaker may allow the discussion".

**মাননীয় অধ্যক্ষ ঃ** মই এইটো শূন্যকালীন ঘণ্টাত এলাউ কৰিছো।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আলোচনাত অংশ গ্ৰহণ কৰিব বিচাৰিছো। আমি যিটো ব্যৱস্থাৰে বিষয়টো আনিছো, সেই ব্যৱস্থাৰে অনুগ্ৰহ কৰি আমাক অংশ গ্ৰহণ কৰিবলৈ দিয়ক। কাৰণ শূন্য কালীন ঘণ্টাত আপোনাৰ ৰুলে কয় সময় কম।

**মাননীয় অধ্যক্ষ ঃ** মই এইটো মোৰ discretionary ৰে বঢ়াইছো।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ডিচক্ৰিশ্যনাৰীত এইটো আছে যে আমাৰ সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰক। আপোনাৰ নেতৃত্বত আমি চৰকাৰক সহায় কৰিব বিচাৰিছো। আপুনি চৰকাৰৰ লগত আলোচনা কৰি এটা All Party Deligation পাৰ্টি তালৈ পঠোৱাৰ ব্যৱস্থা কৰিলে ভাল হয়। এইটোৰ দ্বাৰা সদনৰ পৰা এটা ভাল বাৰ্তা বহিৰলৈ যাব। **মাননীয় অধ্যক্ষ ঃ** মোৰ সিদ্ধান্তটো ফাইনেল। কিন্তু আপোনাৰ পৰামৰ্শটোৰ বিষয়ে মাননীয় মুখ্য মন্ত্ৰীৰ মহোদয়ৰ লগত আলোচনা কৰিম আৰু সিদ্ধান্ত গ্ৰহণ কৰিম।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক অনুমতি নিদিয়াৰ বাবে আমি সদন ত্যাগ কৰিবৰ বাবে বাধ্য হৈছো। যদিও আমি সদন ত্যাগ কৰিছো কিন্তু আমি আলোচনা কৰিম কাৰণ এই কথাখিনি অতি গুৰুত্ব পূৰ্ণ।

(কংগ্ৰেছ দলৰ মাননীয় সদস্য সকলে সদন কক্ষ ত্যাগ কৰে।)

**শ্ৰী পিযূষ হাজৰিকা, মন্ত্ৰী, স্বাস্থ্য,(ৰাজ্যিক) ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মই এটা কথা ক'ব বিচাৰিছো যে ২০০৮ ত ডিমা হাচাওত সাম্প্ৰদায়িক সংঘৰ্ষত আঢ়ৈ শ মানুহৰ মৃত্যু হৈছিল। তেতিয়া সদন ত্যাগ প্ৰস্তাৱ আনিছিল নেকি?

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয় , শূন্য কালীন ঘণ্টাত আমাৰ সন্মতি আছে। কিন্তু ৰুল ৫০ ত সেইখিনিকো সুবিধা দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই সেইখিনি সুবিধা দিম। I am very much serious on this

Issue, I will give every opportunity. বাকীসকল সদস্যই শূন্যকালীন ঘণ্টা নানিলে মই ভাল পাম। মই এটা সৰ্ব্ব দলীয় সজাতি দলৰ বাবে মই দলপতি সকলৰ লগত আলোচনা কৰিম আৰু এটা দিন ধাৰ্য্য কৰিম। এতিয়া বৃন্দ্াবন গোস্বামী ডাঙৰীয়াই কওঁক।

**শ্ৰী বৃন্দাবন গোস্বামী, বিধায়ক (তেজপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শূন্যকালীন ঘণ্টাত মই মোৰ বিষয়টো আলোচনা কৰিব বিচাৰিছো আৰু অনুমতি দিয়াৰ বাবে ধন্যবাদ জনাইছো। মই যোৱা ২৪ ফেব্ৰুৱাৰী তাৰিখে দৈনিক অসম কাকতত এটা বাতৰি প্ৰকাশ পাইছে আৰু আন বাতৰি কাকতসমূহেও এই বাতৰিটোৰ শিৰোনামাত প্ৰকাশ কৰিছে। " ঘাতক চুলাই মৃত্যুৱে খেদিছে উজনিৰ দুই জিলা।" চৰকাৰী তথ্য মতে প্ৰাণ হেৰুৱা লোকৰ সংখ্যা শতাধিক। বাতৰিটো যোৰহাট আৰু গোলাঘাট জিলাত বিষাক্ত চুলাই সেৱন কৰি মৃত্যু হোৱা লোকৰ সংখ্যাই আজি শতকৰ ঘৰ অতিক্ৰম কৰিছে। নিশা ৮ বজা পৰ্য্যন্ত চৰকাৰীভাৱে দুয়োখন জিলাত ১০২ জন লোকৰ মৃত্যু নিশ্চিত কৰিছে। আনহাতে কমেও ২০০ জন আক্ৰান্ত লোক বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। এইদৰে এই বিষয়টো সংবাদ মাধ্যমে প্ৰকাশ কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা মৰ্ম্মান্তিক ঘটনা, এটা বেদনাদায়ক ঘটনা আৰু এই বিষয়টো আমি বিচাৰো বিধান সভাৰ মজিয়াত সন্মানীয় সকলো সদস্যই অংশ গ্ৰহণ কৰা উচিত। এই বিষয়টো মীমাংসাৰ বাবে অকল চৰকাৰী পক্ষ বুলি নহয়, এইটো আমাৰ এটা সামূহিক দায়িত্ব আছে। সেইকাৰণে বিষয়টো আমি এৰাই নচলি মুকলিভাৱে এই বিষয়টো আলোচনা কৰা দৰকাৰ। মাননীয় আৱকাৰী মন্ত্ৰী ডাঙৰীয়াই এই বিধান সভাতে এখন এখন আইন পাছ কৰাৰ বাবে বিল উত্থাপন কৰিছিল আৰু আইনখন পাচ হ'ল। ৰাজহুৱা স্থানত যদি কোনোবাই মাদক দ্ৰব্য সেৱন কৰে তেওঁ ৫-১০ হাজাৰলৈ জৰীমনা হ'ব, জেল হ'ব। এই সমূহ আইন পাছ হৈছে। এই ঘটনাটো অতি দুৰ্ভাগ্যজনক। কিন্তু মোৰ সমষ্টিত কিছু বছৰ আগতে একেদিনাখনেই ৫০ জন মানুহৰ বিষাক্ত চুলাই মদ খোৱাৰ বাবে মৃত্যু হৈছিল। তাৰে কেইবাজনো বৰ্তমান অন্ধ হৈ আছে আৰু কেইবাজনো জীৱনৰ বাবে ঘুণীয়া হৈ আছে। এই বাতৰিটো পঢ়াৰ লগে লগে মোৰ সেই ঘটনাৰ কথা মনত পৰিছে। মই নিজেও মদৰ বিৰুদ্ধে দীঘলীয়া সময় যুঁজি আহিছো। আজি যিসকলে এওঁলোকক হেৰুৱালে তেওঁলোকৰ অৱস্থা কি হৈছে? এইটো ঘটনা আমি দেখিছো কিন্তু এনেকুৱা ধৰণৰ ঘটনা বহুতো ঘটি আছে। বহু লোকৰ মৃত্যু হৈছে। বহু লোক ঘুণীয়া হৈছে। এই বিষয়ে আমি খবৰ ৰখা নাই। মোৰ সমষ্টিৰ এজন ডেকা ল'ৰা দিনতে মদ সেৱন কৰি হঠাতে মৃত্যু ঘটিছে। এনেকুৱাধৰণৰ ঘটনা অজস্ৰ আছে। এইটো কেৱল দুখন জিলাৰ ঘটনা নহয়। সমগ্ৰ অসমত ই এক বিষাক্ত বিষ হিচাপে আহিছে। কিমান মাতৃৰ জীৱনলৈ দুখ আহিছে, কোনেও ক'ব নোৱাৰে। কিমান ঘৰৰ মুৰব্বী মানুহে ৰাতি মদ খাই উদ্ভণ্ডালি কৰে সেই বিষয়ে আমাৰ বিধায়ক সকলে গম পাব। বহুত বিধায়কৰ ওচৰলৈ এনেকুৱাধৰণৰ অভিযোগ লৈ বহুত মানুহ আহিছে। আজি চৰকাৰৰ বিৰুদ্ধেও অভিযোগ আহিছে আৰু আমাৰ জন প্ৰতিনিধিৰ বিৰুদ্ধেও অভিযোগ আহিছে যে আমি এই ক্ষেত্ৰত মনোযোগ দিছো নে নাই? মই এটা কথা ক'ব বিচাৰিছো যে সুৰা-মুক্ত যদি বিহাৰ হয়, আমি এখন সুৰা-মুক্ত অসম কৰিব লাগিব। মাননীয় আৱকাৰী মন্ত্ৰীয়ে কৈছিল যে আমি অনুমতি পাৰ্মিট এইটো কাৰণে দিছো যে আমি যাতে সুৰা নিয়ন্ত্ৰণ কৰিব পাৰো। এইটো বেয়া কথা নহয় যদি এইটো লক্ষ্য হয়। কিন্তু আজি এটা কথা পৰিলক্ষিত হৈছে যে আমি উপাৰ্জনৰ কাৰণে চৰকাৰৰ বিত্ত ব্যৱস্থা উন্নয়নৰ কাৰণে আমি এইটো কৰিছো। আমাৰ আৱকাৰী মন্ত্ৰীয়ে ইয়াতে কৈছিল যে অনিয়ন্ত্ৰিতভাৱে মদ খাই যাতে আমাৰ সমাজখন ধ্বংস নহয় তাৰ নিয়ন্ত্ৰণৰ কাৰণে আমি অনুমোদন দিছো। কিন্তু এই নিয়ন্ত্ৰণ হোৱা নাই। মই দুসপ্তাহ মান আগতে বিষয়াসকলৰ লগত আলোচনা

কৰিছিলো যে আমাৰ আইন সমূহ আছে কিন্তু আইনে ব্যৱস্থা লোৱা নাই। তেজপুৰৰ দোলাবাৰী নামৰ গাওঁখনত এখন মদৰ দোকান খুলিলে আৰু সেই মদৰ দোকানৰ ওচৰৰ লোকেসকলে মদ খাই থাকে। মাকসকলে বিদ্ৰোহ কৰিলে, তাৈলে পুলিচ ও গ'ল। মই মহিলাসকলক সমৰ্থন কৰিছিলো আৰু শেষলৈকে বন্ধ কৰি ৰাখিছিলো। কিন্তু পিচত তাৰ ওপৰত হাইকোৰ্ট কৰা হ'ল আৰু এতিয়া মহিলাসকলে আহি কৈছে যে দোকানখন পুনৰ খোলা হৈছে। আইন মতে ৰাইষ্ট্ৰীয় ঘাই পথৰ পৰা কিমান দূৰত খুলিব লাগে, আইন মতে আৱাসিক অঞ্চলত খুলিব পাৰে নে নোৱাৰে? আমাৰ বিষয়াসকল, পুলিচ, প্ৰশাসন ৰাইজৰ পক্ষত আছে নে, এই বিষয়ে প্ৰশ্ন উত্থাপন হৈছে। মই নাজানো? কিন্তু মই আছো। এইটো কেৱল যোৰহাট বা গোলাঘাট জিলাতে নহয়, গোটেই অসমত নতুন প্ৰজন্মক ধ্বংস কৰাৰ এটা প্ৰক্ৰিয়া আৰম্ভ হৈছে। বৰ্তমান চান নামৰ এজন শিল্পীক মদৰ প্ৰচলনৰ প্ৰসাৰ ব্যাপক কৰি তুলিবৰ কাৰণে। এইবিলাক কথা কঠোৰত কৈ কঠোৰ ব্যৱস্থা ল'ব লাগে। মন্ত্ৰী ডাঙৰীয়াই কোৱাধৰণে যদি আমি ব্যাপকভাৱে সুৰাৰ প্ৰচলন বন্ধ হোৱা, নিয়ন্ত্ৰণ হোৱাৰ বাবে যদি এই ব্যৱস্থা আনিছো, কিন্তু তাৰ যদি ওলোটা টো হয় তাৰ বাবে আজি আমাৰ আৰু চৰকাৰৰ সমূহীয়া দায়িত্ব হ'ব লাগে। আজি লালি গুড়ৰ লগত এমনিয়া, ইউৰিয়া, মিথানেল মিলাই বিষাক্ত চুলাই মদ প্ৰস্তুত কৰে। এচাম ব্যৱসায়ীৰ কাৰণে সুৰাৰ ব্যৱসায়টো আজিকালি উপাৰ্জনৰ এক আহিলা হৈ পৰিছে যাৰ পৰা চৰকাৰৰ ৰাজহ সংগ্ৰহেৰে লাভ হৈছে। কিন্তু এই ব্যৱসায়ৰ দ্বাৰা আমি এখন সমাজ ধ্বংস কৰিছো। এবাৰ ৰাতি মই পিংগলেশ্বৰ দেৱালয়ৰ ওচৰৰ নদীৰ পাৰলৈ যাওঁতে বৃহৎ সংখ্যক মটৰ চাইকেল তাত ৰখাই থোৱা দেখা পাইছিলো। যেতিয়া সেই ঠাইলৈ পুলিচৰ গাড়ী গৈছিল তেতিয়া ল'ৰাবোৰে মটৰ চাইকেলবোৰ লৈ পলাব ধৰিছিল। এনে পৰিস্থিতি দেখি মই ওচৰৰ মানুহক সুধিছিলো যে ইমানবোৰ ল'ৰা সন্ধিয়াৰ সমসয়ছোৱাত ইয়াত কিয় আছে? তেতিয়া তেওঁলোকে কৈছিল যে, ছাৰ, ইয়াত অকল আমাৰ গাঁৱৰে ল'ৰা নহয়, ওচৰ-পাজৰৰ সকলোৰে ল'ৰা আহি ইয়াত গোট খাই উশৃংখল পৰিৱেশৰ সৃষ্টি কৰে। গতিকে যিবোৰ আইন কৰা হৈছে সেই আইনবোৰ কাৰ্যকৰী হৈছে নে নাই মন্ত্ৰী মহোদয়ে এবাৰ চাইছে নে?

মোৰ ওচৰলৈ আহি বহুত মহিলাই তেওঁলোকৰ সামাজিক জীৱনৰ দুখৰ বৃত্তান্তবোৰ কয় আৰু মই তেওঁলোকৰ পক্ষত থিয় দিছো। আজি যি দুৰ্ভাগ্যজনক ঘটনা ঘটিবলৈ পালে তাৰ ক্ষতিপূৰণ হিচাপে দুই-তিনি লাখ টকাৰ সাহাৰ্য্য দিয়া হ'ব কিন্তু মুকলি ভাৱে যি সকলে সুৰাৰ অবৈধ বেপাৰ কৰি আছে তাৰ ওপৰত ব্যৱস্থা লোৱো হৈছে নে নাই? আজিকালি চুলাই মদৰ সৰু সৰু বটল পোৱা যায় আৰু এই মদ খাবলৈ সৰু সৰু ল'ৰাবোৰে দোকানলৈ গৈ লাইন পাতি থাকে। এবাৰ মই দেখিবলৈ পাইছিলো যে এটা লাইনত শিক্ষকো আছে লগতে তেওঁৰ ছাত্ৰও আছে। সেই একেটা লাইনতে দেউতাকো আছে লগতে তেওঁৰ ল'ৰাও আছে। এই কথাবোৰ মই মোৰ অভিজ্ঞতাৰ পৰা কৈ আছো। গতিকে, আইনখন আহিছে যদিও ইয়াৰ সঠিক ব্যৱহাৰ হৈছে নে নাই সেই কথাৰ প্ৰতি লক্ষ্য ৰখাটো অতি প্ৰয়োজন।

পৰম্পৰাগতভাৱে বহু জনগোষ্ঠীয়ে ঘৰত চুলাই মদ ব্যৱহাৰ কৰে যদিও তেওঁলোকৰ মাজত আজিলৈকে একো সমস্যা হোৱাৰ কথা আমি শুনা নাই। কিন্তু ব্যৱসায়ীক খণ্ডত যেতিয়া চুলাই মদ তৈয়াৰ কৰে তেতিয়া ব্যৱসায়ী সকলে চাউল সোনকালে পচাই তাৰ পৰা ৰস উলিওৱাৰ বাবে ইউৰিয়া, এমনিয়া, মিথানেলৰ ব্যৱহাৰ কৰিছে। এই বিষাক্ত দ্ৰব্য মিলিত চুলাই মদ সেৱন কৰি মানুহ মৰি ধ্বংস হৈ যাওঁক ব্যৱসায়ীসকলে কেৱল তেওঁলোকৰ লাভটোতহে গুৰুত্ব দিয়ে। সেয়েহে চৰকাৰে এইধৰণৰ মহামাৰী ৰোধৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই গতি- বিধিবোৰ নিয়ন্ত্ৰণৰ বাবে

বিভাগত যদি পুলিচৰ সংখ্যা কম আছে তেন্তে পুলিচ আৰু বঢ়াওক, গাড়ী আছে কিন্তু ড্ৰাইভাৰ নাই, গতিকে তেনেস্থলত ড্ৰাইভাৰ নিযুক্তি কৰক আৰু আইনখনৰ যদি কৰবাত সুৰুঙা আছে তে ন্তে কঠোৰভাৱে ল'বলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই বিষয়টোত চৰকাৰে সঠিক পদক্ষেপ লওঁক। আনহাতে একোখন জিলাত ৰাইজক সচেতন কৰাৰ বাবে বিভিন্ন সংগঠন, Prohibition Council আছে, কিন্তু এই সংগঠনবোৰে কিবা কাম কৰিছে নে? Prohibition Council বিলাকত কোন আছে? তেওঁলোকে কেতিয়াবা এনেবোৰ অবৈধ স্থলী চাবলৈ গৈছে নে? আইন, ব্যৱস্থা সকলো আছে কিন্তু কৰ্মক্ষেত্ৰত কোনেও কাম কৰা নাই। মোৰ কথাবোৰত হয়তো উষ্ম প্ৰকাশ যেন লাগিব কিন্তু মই এই ঘটনাবোৰ নিজেই দেখিছো। দলাবাৰীত যেতিয়া সৰু ল'ৰাবোৰে মদ খাই উদ্ভণ্ডালি কৰিব আৰু সেই বিষয়ে মাক বোৰে আমাৰ ওচৰত আহি যেতিয়া সহায় বিচাৰিব তেতিয়া আমিও যদি অসহায় হৈ যাওঁ তেন্তে তাৰ স্থানীয় বিধায়ক গৰাকীক ৰাইজে প্ৰশ্ন কৰিবই। ইয়াৰ বাবে মই চৰকাৰখনক দোষাৰোপ কৰিব বিচৰা নাই কিন্তু এই সমস্যাটো অসমৰ এটা সামূহীক সমস্যা । বিহাৰ ৰাজ্যখন যদি সুৰামুক্ত কৰাৰ বাবে পদক্ষেপ ল'ব পাৰে, তেন্তে আমাৰ অসমত কিয় নোৱাৰে? আমাৰ অসমতো কেতবোৰ সমস্যা আছে, এই সমস্যাবোৰ সমাধানৰ বাট উলিয়াবলৈ আমি বিধায়ক সকলে এটা দিন স্থিৰ কৰো, মন্ত্ৰী ডাঙৰীয়াও আহক আৰু অধ্যক্ষ মহোদয় আপুনিও আমাক সহযোগ কৰক। এনে কৰিলে নিশ্চিত ভাৱে আমি সমস্যা সমাধানৰ বাট উলিয়াব পাৰিম।

তেজপুৰত মৃত্যুৰ সংখ্যা ৫০ জনৰো অধিক, গোলাঘাটত ১০০ জনৰো অধিক হোৱা আমি দেখিবলৈ পাইছো আৰু আমি গম নোপোৱাকৈ দিনে দিনে কিমানজনৰ মৃত্যু হৈছে তাৰ কোনো হিচাপ নাই। গতিকে, এনেধৰণৰ বিষাক্ত ব্যৱসায় কৰি অৰ্থ উপাৰ্জন কৰি আমাক ৰাস্তা বনাই দিব নালাগে, খোৱা পানীৰ ব্যৱস্থা কৰি দিব নালাগে। এই টকাৰে আমি কোনো মংগলকামী কাম নকৰো। এই ব্যৱসায়ৰ জৰিয়তে এটা এটা প্ৰজন্ম আমি ধ্বংস কৰি আছো। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই ধনখিনি নিয়ন্ত্ৰণ কৰক যাতে সুৰাৰ ব্যাপক প্ৰচলন বন্ধ হয়।

ইয়াৰোপৰি, ড্ৰাগ্‌ছৰ অবৈধ বেহাও আমি দেখিবলৈ পাওঁ। মই অকলশৰে কেতবোৰ কাম কৰি থাকো । কোনোৱে মোক এই অবৈধ বেহাবোৰৰ বিষয়ে বেছি মাত মাতিবলৈ মানা কৰি কৈছে যে আপোনাৰ বিপদ হ'ব। কিন্তু মই মোৰ বিপদ হোৱাৰ কথা চিন্তা কৰা নাই। কিয়নো ৰাইজে মোক দায়িত্ব দিছে আৰু ৰাইজৰ সমস্যাবোৰ মই চাইছো। মই কেইবাবাৰো ড্ৰাগ্‌ছ বেপাৰীক পুলিচৰ দ্বাৰা ধৰা পেলাইছো যদিও তাৰ মূল সূত্ৰজনক এতিয়ালৈকে ধৰিব পৰা নাই। আজি-কালিৰ ল'ৰা-ছোৱালীবোৰে স্কুল-কলেজৰ সন্মুখত এটা এটা injection লোৱা আমি দেখা পাওঁ যি কাৰ্যই এটা এটা প্ৰজন্ম ধ্বংস কৰি আছে। গতিকে আজিৰ এই ঘটনাটোক মই সামূহিক ঘটনা বুলিয়েই ক'ম। ৰাজহুৱা স্থানত মদ সেৱন কৰা মানুহক arrest কৰি তেওঁলোকৰ পৰা কিয় ৫০০০-১০০০০ টকাৰ fine ল'ব পৰা নাই? কি কাৰণে তেওঁলোকৰ ২ ৰ পৰা ৫ বছৰলৈকে জেল হোৱাৰ ব্যৱস্থা কৰিব পৰা নাই? এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াক যি ধৰণে সহায় কৰিব লাগে আমি সহায় কৰিম। আজিৰ এই ঘটনাটো আমাৰ বাবে এক শিক্ষা হওঁক যাতে ই পুনৰ সংঘটিত নহয়। **'মৃত্যুয়ে খেদিছে উজনিৰ দুই জিলা, মৃত্যুয়ে খেদিছে সমগ্ৰ অসমক'।** গতিকে মই সকলো সদস্যকে অনুৰোধ কৰিছো যিহেতু এই সমস্যাটো সমূহীয়া সমস্যা সেয়েহে আমি সকলোৱে এনেধৰণৰ ঘটনাক ঐক্যবদ্ধভাৱে প্ৰত্যাহ্বান হিচাপে লৈ এনে মৃত্যুৰ নাৰকীয় ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে জোৰ দিম। গতিকে মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ মনৰ দু-আষাৰ কথা ব্যক্ত কৰাৰ সুবিধা দিয়াৰ বাবে মই মাননীয় অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী মতী অজন্তা নেওঁগ।

**মাননীয় সদস্যা শ্ৰীমতী অজন্তা নেওঁগ, (গোলাঘাট)ঃ** অধ্যক্ষ মহোদয়, আজি যিটো বিষয়ৰ ওপৰত আমি সকলোৱে সদনত আলোচনা কৰিবলৈ বিচাৰিছো সেইটো বৰ্তমান সময়ৰ অতি গুৰুত্বপূৰ্ণ বিষয় আৰু ই সকলো দিশতে চৰ্চিত হৈছে। শতিকাটোৰ বৃহত্তম সুৰা ট্ৰেজেদী, এতিয়ালৈকে প্ৰায় ১৬৫ জন লোকৰ মৃত্যু ঘটিছে আৰু যথেষ্টখিনি লোক এতিয়াও শংকামুক্ত হোৱা নাই। আক্ৰান্ত এলেকা বিলাকত ৰাইজ ভীতিগ্ৰস্ত হৈছে আৰু এতিয়াও তাত থকা অসামৰিক হস্পিতালসমূহলৈ বা গুৱাহাটী মেডিকেল কলেজ হস্পিতাললৈ আক্ৰান্ত লোকৰ সংখ্যা বাঢ়িয়েই আছে। অধ্যক্ষ মহোদয়, এই বিষয়টো এই কাৰণে অতি গুৰুত্বপূৰ্ণ যে ই আমাৰ Right to livelihood আৰু মানৱ অধিকাৰ উলংঘন কৰিছে। মই যেতিয়া আক্ৰান্ত অঞ্চলবিলাকলৈ গৈছিলো তাত মোক ৰাইজে অৱগত কৰা কথাখিনিয়েই আজি সদনত ক'বলৈ বিচাৰিছো। মন্ত্ৰী ডাঙৰীয়াক মই পুনৰবাৰ এই কথাখিনিকে দোহাৰিম যে তাত সেই অঞ্চলৰ লোকে এই অপ্ৰিয় সত্য কথাখিনি কৈছিল যে এই অবৈধ লালি গুড়ৰ ব্যৱসায়ৰ লগত আমাৰ আৱকাৰী বিভাগৰ বিষয়া সকলৰ এক মধুৰ সম্পৰ্ক আছে আৰু তেওঁলোকৰ পৃষ্ঠপোষকতাতেই এই গুড়ৰ ৰমৰমীয়া ব্যৱসায় চলি আছে। সেই অঞ্চলৰ ৰাইজে মোক কৈছিল যে কোন বিলাক ব্যৱসায়ীয়ে এই লালি গুড়ৰ ব্যৱসায় কৰে সেই সম্পৰ্কে তেওঁলোকে জানে কিন্তু তেওঁলোকৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে। তাৰ ফলস্বৰূপে আমাৰ ৰাজ্যখনত এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি হৈ আছে। আজি এই ঘটনা অকল যোৰহাট, গোলাঘাট জিলাত হৈছে, এনে ধৰণৰ ঘটনা ভৱিষ্যতে অসমৰ অন্যান্য অঞ্চলবিলাকত যে সংক্ৰমিত নহ'ব সেইটো আমি ডাঠি ক'ব নোৱাৰো। সেই কাৰণে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। মই চৰকাৰক দাবী জনাইছো যে যিসকল লোকে এই ধৰণৰ অবৈধ সুৰাৰব্যৱসায় ৰাজ্যখনত কৰি আছে, সেই লোকসকলক কঠোৰ ভাৱে দমন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু লালি গুড়ৰ ব্যৱসায় অসমত সম্পূৰ্ণভাৱে নিষিদ্ধ কৰিব লাগে। অধ্যক্ষ মহোদয়, আজি ৰাইজে কৈছে যে আৱকাৰী বিভাগটো আচলতে থকা নথকা সমান। আৱকাৰী বিভাগৰ হাতত যদি দায়িত্ব নাথাকিলেহেঁতেন তেন্তে এনে ধৰণৰ ঘটনা হয়তো আজি কম হ'লহেঁতেন। আজি ৰাজ্য চৰকাৰে আমাৰ উজনি অসমৰ আয়ুক্তক তদন্ত কৰাৰ যি নিৰ্দেশ দিছে সেইটো কিমান ফলপ্ৰসূ হ'ব এই বিষয়ত মোৰ সন্দেহ আছে কিয়নো যোৱা বছৰ ফেব্ৰুৱাৰী মাহৰ প্ৰায় ১২ তাৰিখৰ পৰা ২০ তাৰিখলৈকে গোলাঘাট জিলাৰ দোয়াং চাহ-বাগিচাতো এনেকুৱা ঘটনা ঘটিছিল য'ত ২৯ জন লোকৰ মৃত্যু হৈছিল। সেই সময়ত গোলাঘাট জিলাৰ উপায়ুক্তই এটা Magistrate enquiry দিছিল কিন্তু আজিলৈকে সেই enquiryৰ কি ৰিপৰ্ট হ'ল আমি পোৱা নাই। গতিকে এনেকুৱা ধৰণৰ পৰিস্থিতি যেতিয়া অসমত আহিব, অসংখ্য মানুহৰ মৃত্যু ঘটিব আৰু তাৰ পিছত যেতিয়া এই পৰিস্থিতিৰ শাম কাটিব তেতিয়া আমি এনেকুৱা ধৰণৰ enquiry ৰ কথা পাহৰি যাওঁ। সেইকাৰণে মই চৰকাৰক অনুৰোধ জনাইছো এটা megistrate enquiry দিবৰ কাৰণে। Judicial enquiry এটা হ'ব লাগে নহলে এনেকুৱা ঘটনাৰ যে পুনাৰাবৃত্তি নহ'ব সেইটো আমি ক'ব নোৱাৰো।

আন এটা কথা মোৰ মনলৈ আহিছে, মই ভাৱো অবৈধ সুৰাৰ নিয়ন্ত্ৰণটো আৱকাৰী বিভাগৰ ওচৰত থকাটো উচিত নহয়। চৰকাৰে Deputy Commissioner বা এনেকুৱা এটা mechanism কৰক যাৰ control যাতে তেওঁলোকৰ হাতত থাকে। আৱকাৰী বিভাগৰ হাতত অবৈধ সুৰাৰ নিয়ন্ত্ৰণ থকালৈকে অসমত এনেকুৱা ধৰণৰ ঘটনা ঘটি থকাটো নিশ্চিত।

মই আন এটা কথা ক'ব বিচাৰিছো, বৃন্দাবন গোস্বামী ডাঙৰীয়াই যিটো কথা ক'লে

সেইটোত মই একমত। চাহ জনগোষ্ঠী লোকৰ মাজত মাদক দ্ৰব্যৰ ওপৰত আমি সজাগতা সৃষ্টি কৰিব লাগিব। এই ক্ষেত্ৰত আমাৰ সকলো জনপ্ৰতিনিধি বা সমাজৰ সচেতন লোক সকল, NGO সকলোৱে একলগ লৈ বিস্তৃতভাৱে এটা সজাগতা কাৰ্য্যসূচী গ্ৰহন কৰক। আমি সকলো সদস্যও তাত অংশগ্ৰহন কৰিম। এনেকুৱা ধৰণৰ অবৈধ সুৰা খাই চাহ জনগোষ্ঠীৰ গোটেই generation টোৱেই পঙ্গু হৈ গৈছে। ভৱিষ্যতে যাতে এই চাহ জনগোষ্ঠী বা আন জনগোষ্ঠীয় লোকসকল অবৈধ সুৰাৰ দ্বাৰা আক্ৰান্ত হ'ব নোৱাৰে তাৰ বাবে চৰকাৰৰ এটা কঠোৰ দৃষ্টিভঙ্গীৰ দৰকাৰ। ইয়াৰ লগতে সজাগতাৰ প্ৰয়োজন। এই দুয়োটা কথা যদি আমি কঠোৰভাৱে নিৰিক্ষণ কৰি নাথাকো তেতিয়া আমি এই জনগোষ্ঠীটোক উদ্ধাৰ কৰিব নোৱাৰিম।

স্বাস্থ্য বিভাগকো মই এটা কথা জনাম। যিমানখিনি জিলা স্বাস্থ্য সেৱা আছে তাত আন্তঃগাথনিৰ অভাৱ। আমি যিটো পৰিৱেশ দেখিলো তাত মাটিয়ে বালিয়ে শ-শ মানুহ পৰি আছে। আজি আমি বাতৰি কাকতত দেখা পাইছো যে ' তিতাবৰত খৰিৰ অভাৱত পুতি থলে তিনিটাকৈ মৃতদেহ' । গতিকে এনেকুৱা ধৰণৰ কৰুণ পৰিস্থিতিৰ সৃষ্টি হৈছে। বিশেষকৈ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত মই অনুৰোধ জনাইছো যে এনেকুৱা ধৰণৰ ঘটনা ঘটিলে তৎক্ষনাত তেওঁলোকক কেনেকুৱা ধৰণৰ সকাহ দিব লাগে এই কথাটোৰ ওপৰত চৰকাৰে দৃষ্টি দিয়া ভাল।

শেষত মই আৱকাৰী মন্ত্ৰী ডাঙৰীয়াক এটা কথা কওঁ যে এই ঘটনা তেখেতে দেখিছে। ইয়াৰ কাৰণে তেখেতৰ নিশ্চয় এটা moral responsibility থাকিব। যেতিয়া লালবাহাদুৰ শাস্ত্ৰী ডাঙৰীয়া ৰেল মন্ত্ৰী আছিল তেতিয়া এবাৰ ৰেল দুৰ্ঘটনা সংঘটিত হওঁতে তেওঁ moral responsibility লৈ তেওঁ পদত্যাগ কৰিছিল। মই আৱকাৰী মন্ত্ৰী ডাঙৰীয়াক পদত্যাগ কৰিবলৈ নকওঁ কিন্তু ইয়াৰ বাবে তেখেতৰ এটা moral responsibility থকা ভাল। কাৰণ আমি উদগ্ৰীৱ হৈ পৰিছো। আমাৰ সমষ্টিত এনেকুৱা ধৰণৰ ঘটনা সংঘটিত হোৱাৰ পিছত আমি নিৰ্জীৱ হৈ থাকিব নোৱাৰো।

পুনৰবাৰ মই দোহাৰিছো যে লালী গুৰৰ ব্যৱসায় বন্ধ হ'ব লাগে, এটা Special Mechanism হ'ব লাগে অবৈধ সুৰাৰ নিয়ন্ত্ৰণৰ কাৰণে, দোষীৰ কঠোৰ শাস্তি হ'ব লাগে আৰু চৰকাৰে এটা massive কাৰ্য্যসূচী গ্ৰহন কৰিব লাগে এই চাহ জনগোষ্ঠীয় লোকসকলৰ মাজত যাতে এই লোকসকলে মাদক দ্ৰব্য সেৱনৰ পৰা বিৰত থাকে। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এনেকৈ ক'লে মই সকলোকে সুযোগ দিব পাৰিম। আমিনুল ইছলাম, ছুজামুউদ্দিন লস্কৰ, নিজামুদ্দিন চোধুৰী, আজিজ আহমেদ খান তেওঁলোক এতিয়া নাই। গতিকে এতিয়া শ্ৰী অতুল বৰা।

**শ্ৰী অতুল বৰা (বোকাখাত) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা দিনকেইটাত ঘটনাৰ আৰম্ভনিৰ দিনাই মই গোলাঘাটত আছিলো। ঘটনাৰ পিছতেই আমি চিকিৎসালয়লৈ গৈছিলো। আৰম্ভনিতে কোনেও ভৱা নাছিলে যে ১৫০ জনতকৈও অধিক লোকৰ মৃত্যু ঘটিব বিষাক্ত সুৰা সেৱন কৰি। চিকিৎসালয়তেই চিকিৎসক সকলে খুব সহজভাৱেই গ্ৰহন কৰিছিল কাৰণ বাগিছাবিলাকত চুলাই খোৱাটো কোনো নতুন কথা নহয়। এইবাৰ একেলগে ১৫০ জনতকৈও অধিক লোকৰ মৃত্যু ঘটিছে যদিও মৃত্যুৰ সংখ্যা চাহ জনগোষ্ঠী লোকসকলৰ মাজত বেছি। তেখেত সকলৰ হিমগ্লবিনো কম বুলি চিকিৎসক সকলে কয় কাৰণ তেওঁলোকে অত্যন্ত বেছি চুলাই সেৱন কৰে। পৰহি আমি কেশৱ মহন্ত ডাঙৰীয়া, ফণীভুষণ চোধুৰী ডাঙৰীয়া, নৰেণ সোনোৱাল ডাঙৰীয়া আটাইকেইজন যেতিয়া

একেলগে গৈছিলো, প্ৰথমতে আমি চিকিৎসালয়লৈ গৈছিলো তাৰ পৰা শালমিৰা বাগিছালৈও গলো আৰু তাত গৈ গম পালো যে প্ৰথম দিনা যিকেইজন মানুহৰ মৃত্যু ঘটিছিল তেওঁলোকক যিকেইজন লোকে সৎকাৰ কৰিছিল তেওঁলোকেও চুলাই সেৱন কৰাৰ পিছত পিছদিনাখন তেওঁলোকে মৃত্যুক সাৱটি ল'বলগা হৈছিল। এইটো এটা অতি দুৰ্ভাগ্যজনক কথা। ঘটনাটো ঘটাৰ লগে-লগে আৰকাৰী বিভাগে খৰতকীয়া ব্যৱস্থা গ্ৰহন কৰিব লাগিছিল কিন্তু এইটো আমি গ্ৰহন কৰা নেদেখিলো। এতিয়া সমগ্ৰ জিলাখনতে অকল বাগিছাতে নহয়, বিভিন্ন ঠাইত  চুলাইৰ ঘাটি আছে। মেৰাপানীতো আছে বাবে মেৰাপানীৰ আশে-পাশেও বহু লোকৰ মৃত্যু ঘটিছে। বৰহোলাত, আঠখেলীয়া অঞ্চলত, তিতাবৰত আদি বিভিন্ন ঠাইত এইবোৰ ঘটনা সংঘটিত হৈছে। লালীগুৰৰ কথাটো কেইবাগৰাকীও সন্মানীয় সদস্যই উত্থাপন কৰিছে। আমি শুনিছো যে লালীগুৰৰ ৰমৰমীয়া ব্যৱসায় চলি আছে কিন্তু লালীগুৰ এতিয়াই অনা নহয়, আগৰ পৰাই আনি আছে। বহুতে সন্দেহ প্ৰকাশ কৰিছে যে এইটো লালীগুৰৰ পৰাই হৈছে নে মিথানেল আদি কঢ়িওৱা গাড়ীত অনাৰ বাবে হৈছে। ইয়াৰ উপৰিও গুৰটো সোনকালে গেলাৰৰ কাৰণে তাত বেটাৰীৰ পানী দিয়া হয়।  যিটো গুৰ গলিবলৈ ৭ দিন সময় লাগে বেটাৰীৰ পানী দিলে সেইটো দুদিনতে গলে। এইবোৰ সচৰাচৰ ঘটি থকা ঘটনা।

ইয়াৰ উপৰিও আৰকাৰী বিভাগৰ অফিচ বিলাকত মই দেখিছো যে তেওঁলোকৰ প্ৰয়োজনীয় staff ৰো অভাৱ আৰু পুলিচৰ লগত যেতিয়া সনা পিটিকা হয়, তেতিয়া এই গোটেই কথাটোৱে এটা সুকীয়া ধৰণৰ হৈ পৰে যাৰ কাৰণে ৰাজ্যখনৰ বিভিন্ন ঠাইত এনেকুৱা ধৰণৰ চুলাই মদ প্ৰস্তুত কৰা ঘাটি গঢ়ি উঠিছে।

মই আমাৰ গাঁৱৰ ওচৰতে থকা এটা ঘাটিৰ কথা জানো। এই কথাটো আগতেও মই বিধানসভাত আন কিবা প্ৰসঙ্গত উলিয়াইছিলো। লৰা জনক মই চিনি পাওঁ। তেওঁ ক'লে যে আজিকালি মোৰ  উপাৰ্জন ভাল। মই ক'লো যে তই আজিকালি মটৰ চাইকেলো ললি। সি ক'লে যে মই আজিকালি চুলাই বনাওঁ। মই তাক শুধিলো যে কামটো কেনেকৈ কৰ? সি ক'লে যে অলপ অলপ টকা দিব লাগে আৰকাৰীক আৰু পুলিচক। গতিকে মোৰ ব্যৱসায়টো লাহে-লাহে বাঢ়ি আছে। আৰকাৰী আৰু পুলিচে আমাক সম্পূৰ্ণ সহায় কৰে মাত্ৰ সঘনাই পইচাটো বিচাৰে কাৰণে মোৰ দিগদাৰ। লগতে সি ক'লে আজি কিছুদিন আগতে পইচা বিচাৰি আহিছিলে মই  ভাৱিলো পইচা দিয়াতকৈ ২ ঘন্টামানৰ কাৰণে মই নাইকীয়া হৈ যাওঁ। পিছত তেওঁলোকে নিজে নিজে গুচি যাব। সি ক'লে যে আপোনালোক দুঘন্টামান বহক, মোৰ হাতত যিহেতু টকা নাই মই অলপ টকা বিচাৰি আহো লগতে ক'লে মোৰ কিন্তু মানুহ নাই খৰি দিবলৈ। কাৰণ জুইটো দিলেহে চুলাইটো ওলাব। দুই তিনি ঘন্টা  সময় সি বাহিৰতে থাকিলে।  পইচা বিচাৰি গৈ, ঘূৰি যাওঁক বুলি। কিন্তু ঘূৰি গৈ দেখে যে মানুহ কেইজন পইচা নিবলৈ খাপ পিতি বহি আছে।  আৰু জুই বঢ়াই  আছে আবকাৰী বিভাগৰ মানুহে চুলাই মদৰ ঘাটিত জুই দি আছে। অৱশেষত পইচা দিবলগীয়া হ'ল। গতিকে এইবোৰ ঘটনা আমি সকলোৱে জানো, আমি দেখো কিন্তু বন্ধ কৰিবৰ বাবে এতিয়া কি ব্যৱস্থা আছে, সেইটোহে মুল কথা। গতিকে আমি সকলোৱে লগ লাগি এইখিনি দূৰ কৰিবৰ কাৰণে আচলতে চেষ্টা নকৰো, তেতিয়া হলে আমি কেতিয়াও এইখিনি নাইকিয়া কৰিব নোৱাৰিম। আৰু মাননীয় অধ্যক্ষ মহোদয়ক লৈ এটা টিম ঘটনাস্থলীলৈ যোৱাটো উচিত। কেৱল ঘটনাস্থলী পৰিদৰ্শন কৰিলেই নহ'ব , সজাগতাটো বৃদ্ধি কৰিব লাগিব। সজাগতা বৃদ্ধি কৰিব লাগিব কাৰণ এতিয়া বাগিচাৰ মানুহৰ মই কৈয়ে গৈছো, যে মৃত্যুৰ হাৰটো বেছি।  আৰু কম বয়সতে মৃত্যুক আকোঁৱালি ল'ব লগা হয়। গতিকে মানুহৰ মাজত যদি সজাগতা বৃদ্ধি নকৰো, তেওঁলোকে আকৌ ভাল ৰঙাটোও নাখায়, এনেকুৱা চুলাই খাই যিটো

জ্বলিব লাগিব। আঙুলিত দি চুলাইটো জ্বলাই চাই, জ্বলিছেনে নাই? সেইটোহে ভালকৈ নিচা ধৰে। যিকোনো বস্তুৱে নিচাও নধৰে। গতিকে এই খিনি যদি নাইকিয়া কৰিব নোৱাৰো, তেতিয়া হলে মই ভাবো, এনেকুৰা ঘটনা একেলগে নঘটিব পাৰে। কিন্তু এনেকুৰা ঘটনা ঘটিয়েই থাকিব। সিদিনা বাগানখনলৈ গৈ, এতিয়া শালমিৰা বাগিচাত ১০৫ জন লোকৰ মৃত্যু ঘটিছে, ১০৫ জন এখন বাগিচাত মৃত্যু ঘটিছে সেই বাগিচাৰ যিটো পৰিৱেশ হ'ব লাগিছিল, এজন মানুহৰ মৃত্যু হলেই কেনেকুৰা লাগে। কিন্তু তাত সেই পৰিৱেশটোও নাই। প্ৰত্যেকেই দেখিছো সেই দিনাও অলপ অলপ খাই আছে নেকি, তেওঁলোকে কিন্তু দুখ কৰিবও জনা নাই। এখন বাগিচাত ১০৫ জন মানুহ মৰাৰ পাছত একে ঠাইত যিটো এটা পৰিৱেশ হ'ব লাগিছিল, হৃদয় বিদাৰক পৰিৱেশ হ'ব লাগিছিল। কিন্তু সেই হৃদয় বিদাৰক পৰিৱেশ আমি প্ৰত্যক্ষ কৰা নাই। গতিকে কিব এটা Sense ৰ অভাৱ ঘটিছে। গতিকে আমি সজাগতা বৃদ্ধি কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। আৰু আবকাৰী বিভাগ, পুলিছ বিভাগ এই ক্ষেত্ৰত অলপ সতৰ্ক হ'ব লাগিব। কাৰণ এতিয়া কেৱল চুলাইয়ে নহয়, অৰুনাচলৰ কিছুমান সুৰা গোলাঘাটৰ মাজেদি আহি ডিমাপুৰৰ ফালে উত্তৰপূৰ্বাঞ্চলৰ বিভিন্ন ঠাইলৈ যায়। সেইটো হৈয়ে আছে। এইটো এটা ডাঙৰ বেহা চলি আছে. এই বিলাক কথা মই আজি ইয়াত নুলিয়াওঁ গতিকে আবকাৰী বিভাগ যদি কঠোৰ নহয়, পুলিছ প্ৰশাসন যদি কঠোৰ নহয় সাধাৰণ প্ৰশাসন যদি কঠোৰ নহয়, আজি গুপ্তা নামৰ ২ জন ব্যৱসায়ীৰ কথা ওলাইছে মেৰাপানীত, তেওঁলোকে লালী গুড়ৰ কাৰবাৰ কৰে।বন্ধ হৈ আছিল, সেই বন্ধ হৈ থকাৰ পিছত কেনেকৈ খুলিলে নাজানো, বিৰাট টকাৰ লেনদেন হৈ সেইটো খোলা বুলি সেই সময়ত এইটো এটা গুজৱ ওলাইছিল। গতিকে এই কথাবোৰ অলপ প্ৰশাসনে চাব লাগে, আমাৰ চৰকাৰে যদি সেইখিনি চায় তেতিয়াহলে ৰাইজ উপকৃত হ'ব। আৰু এটা কথা কৈ থওঁ যে ২ লাখ টকাকৈ যিটো দিয়াৰ ব্যৱস্থা হৈছে, ২ লাখতকৈ এইটোৰ পৰিমান বৃদ্ধি কৰিব লাগে। যিটো সন্মানীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই কৈছে সেইটো আমাৰো কথা। আৰু এটা কথা বাগিচাৰ মানুহ নহয়, কিছুমান মানুহ আছিলে সেই দিনা আমি কেইটামান পৰিয়ালৰ ঘৰলৈ গৈছিলো, সোমেশ্বৰ গগৈ, আনন্দ বৰা, সুৰেন গগৈ, বিমান গগৈ, জগত ফুকন, আগলী গগৈ তেওঁলোকৰ Post Mortem হোৱা নাই। পৰিয়াল বিলাকে চুলাই মদ খাই মৰিছে বুলি কবলৈও লাজ পালে। সেই কাৰণে সতকাৰ কৰি দিলে। সেই কাৰণে এই পৰিয়াল কেইটাকো দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু এনেকুৰা ধৰণৰ কিছুমান ঘটনা ঘটিছে, একেটা ঘাটিতে খাইছে, কিন্তু কবলৈ অলপ লাজ পাইছে। গতিকে এই মানুহ বিলাককো মই ভাবো Post Mortem নহলেওঁ এই যিটো এককালীন সাহায্য সেইটো দিয়াৰ ব্যৱস্থা কৰিব লাগে ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ, আমিনুল ইছলাম, তাৰ পিছত পিযুষ হাজৰিকা , তাৰ পিছত কমলসিং নাজৰী, তাৰ পিছত ৰকিবুল হুছেইন। সকলোৱে অংশ গ্ৰহন কৰক। ধন্যবাদ যে সকলোৱে এটা Limited Time লৈছে। আৰু আমাৰ চাহ জনগোষ্ঠীয় গোটেই কেইজন আছে। মোক List দিছে। I will allow all the Tea Garden Representative এইটো মই allow কৰিম।

**শ্ৰী আমিনুল ইছলাম, সদস্য ঃ-** অধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত আমি খুব বেছি সময় লব নোৱাৰিম। গতিকে যিখিনি কথা ইতিমধ্যে আলোচনা হৈ গ'ল, অতি গুৰুত্বপূৰ্ণ কথা। ইতিমধ্যে আমাৰ অতুল বৰা ডাঙৰীয়াইয়ো কেইটামান ক'ব গ'লে বিস্ফোৰক কথাই কৈছে। যিখিনি প্ৰকৃততে হৈ আছে। গতিকে এই কথাখিনি আমি পুনৰাই আলোচনা কৰিবলৈ যোৱা নাই। কিন্তু আমি বিচাৰো ঘটনা যিটো হৈ গ'ল এই ঘটনাৰ যাতে পুনৰাবৃত্তি নহয়, আচলতে আমি কি ব্যৱস্থা লব পাৰো, যাতে

এনে ভয়াবহ ঘটনা আৰু নহয়, এই ক্ষেত্ৰত সজাগতাৰ কথাটো অতুল বৰা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো আমিও ভাবো যে আমি তাত সজাগতাৰ ব্যৱস্থাৰ কাৰণে কেৱল আবকাৰী বিভাগে নহয়, চাহ জনজাতীয় কল্যান বা অন্য যিবিলাক বিভাগেও , প্ৰশাসনেও, জিলা উপায়ুক্ত বা প্ৰশাসনেও এই ক্ষেত্ৰত অলপ কাম কৰিব লাগিব, সজাগতা বৃদ্ধি কৰিব লাগিব। তাৰ লগে লগে এটা কথা আমি প্ৰায়ে অভিযোগ পাও কিছু ক্ষেত্ৰত আমিও Encourage এনেকে কৰো, যেতিয়া নিৰ্বাচন আহে, এই কথাটো প্ৰায়ে মিডিয়াত আহে যে ৰাজনৈতিক দল বিলাকেও তাত ভোট পোৱাৰ কাৰণে আমি সুৰাৰ এনেকৈ চাপ্লাই দিও আনকি অধ্যক্ষ মহোদয় অতি পৰিতাপৰ কথা যে এনেকুৰা বাতৰি ওলাইছিল যে ১০৮ এম্বুলেঞ্চৰ ভিতৰত সুৰাৰ চাপ্লাই দি নিৰ্বাচনৰ সময়ত সেই অঞ্চলৰ সেই লোক সকলৰ ভোট লোৱাৰ কাৰণে কিছমান ৰাজনৈতিক দলে ব্যৱহাৰ কৰো। গতিকে এই কথা বিলাকে সচাই এটা ভয়ংকৰ পৰ্য্যয়লৈ লৈ গৈ আছে লাহে লাহে। গতিকে আমি বিচাৰো যে আগন্তুক দিনত এনে ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ আমি কিছুমান ব্যৱস্থা লব লাগিব। যিটো কথা প্ৰায়ে দাবী উত্থাপিত হৈ আহিছে, যে অসমত বিহাৰৰ নিচিনা বিহাৰে যদি পাৰে, বিহাৰটো সকলো সম্প্ৰদায়ৰ মানুহ আছে। বিহাৰে যদি পাৰে আমি অসমে কিয় নোৱাৰিম। অসমখনক আমি ড্ৰাই ষ্টেট কিয় ঘোষণা কৰিব নোৱাৰো। সুৰাবিহীন ৰাজ্য হিচাপে কিয় ঘোষণা কৰিব নোৱাৰিম। গতিকে আজিৰ এই আলোচনা প্ৰসংগত মাননীয় সভাপতি মহোদয় মই আপোনাৰ জৰিয়তে এটা প্ৰস্তাৱ আজি সদনত গ্ৰহন কৰাৰ কথা মই অনুৰোধ কৰিম, যে অসম খনক সুৰামুক্ত ড্ৰাই ষ্টেট হিচাপে ঘোষণা কৰা হওঁক। আৰু তাৰ কাৰনে সকলো প্ৰয়োজনীয় ব্যৱস্থা ৰাজ্য চৰকাৰে গ্ৰহণ কৰক। হয়টো কব পাৰে যে ইয়াৰ ফলত আমাৰ অলপ Excise, Revenue collection, অলপ কম হ'ব । আমি সেইটো অন্যধৰণে কৰি ল'ব পাৰিম। কিন্তু ড্ৰাইষ্টেট বা সুৰা মুক্ত ৰাজ্য ঘোষনা কৰা হওঁক। আৰু এই ঘটনা বিলাকৰ কেইবাগৰাকীও মাননীয় সদস্যই যিবিলাক কথা কৈছে, সন্মানীয় অতুল বৰা ডাঙৰীয়াইয়ো যিখিনি কথা কৈছে, তাত যদি আমাৰ আবকাৰী বিভাগৰ কৰ্মচাৰী গৈ, তাত জুই দি আছে, আৰু টকাৰ কাৰণে বহি আছে। যি সকলে বাধা দিব লাগিছিল, তেওঁলোকে গৈ এইখিনি কৰি আছে, গতিকে তদন্ত হ'লে আৰু বহুত কথাই ওলাব। যিটো কথা মই Adjournment motion ৰ Admissibility ৰ ওপৰত মই কৈছিলো গতিকে আমি ভাবো সেই তদন্তটো প্ৰয়োজন সাপেক্ষে এটা CBI তদন্ত হওঁক। আগৰ পৰা এতিয়ালৈকে যিমান ঘটনা ৰাজি হৈছিল, সেই বিলাক CBI তদন্ত হৈ কাৰ গাফিলটিৰ কাৰণে ঘটনা বিলাক সংঘটিত হ'ব পালে,তাত আৰক্ষী বিভাগৰ গাফিলটি কি আছিল, Excise ৰ কৰ্মচাৰী সকলৰ গাফিলটি কি আছিল বা আমাৰ প্ৰশাসনৰ গাফিলটি কি আছিল, এই সকলো বিলাক উলিয়াই যাতে শাস্তিমুলক ব্যৱস্থা লোৱা হয় । ১ম প্ৰস্তাৱ সুৰাবিহীন ৰাজ্য ঘোষণা হ'ব লাগে আৰু ২য় প্ৰস্তাৱ CBI তদন্ত হ'ব লাগে আৰু ৩য় প্ৰস্তাৱটো হ'ল, ১ সপ্তাহৰ ভিতৰতে যিমান আমাৰ চুলাই মদৰ অবৈধ ঘাটি সমূহ আছে ১ সপ্তাহৰ ভিতৰত সমগ্ৰ ৰাজ্যখনত এই চুলাই মদৰ ঘাটিসমুহ উচ্ছেদ কৰিব লাগে। যাতে মাৰ্চ মাহৰ ১ তাৰিখৰ পৰা অসমত কোনো চুলাই মদৰ ঘাটি নাথাকে। প্ৰশাসনে ক্ষিপ্ৰ ব্যৱস্থা লওঁক। আৰু তাৰ লগে লগে এটা দাবী আহিছে সভাপতি মহোদয়, যে ক্ষতিপূৰণটো ২লাখ টকা দিলে নহব,বেছিকৈ দিব লাগে এই কথাটো মই দুদিনমান পুৰ্বে সংবাদ মাধ্যমৰ আগত যেতিয়া মই দাবী কৰিছিলো, যে ক্ষতিপূৰণ হিচাপে ২ লাখৰ সলনি ৫ লাখ টকা দিয়া হওঁক। সভাপতি মহোদয় মোক কেইজনমানে Social Media ত ধমকি দিছে যে তোৰ বাপেকৰ টকা নেকি ? চৰকাৰে এই টকা বেলেগ কামত খৰচ কৰিব। কিয় এই ২ লাখৰ টো ৫ লাখ কৰিব লাগে। এনেকে কিছুমানে কৈছে। এইটো চুলাই মদ খোৱাৰ কাৰণে

Encourage কৰি আছে। সেই কথাটো বিৰ্তক কৰাটো আমি বিচৰা নাই। কিছুমানে এইটো লৈ বিতৰ্ক কৰি আছে। কিন্তু আমি ভাবো,অন্ততঃ সেই সকল পৰিয়ালৰ, আজি যি সকল পৰিয়ালৰ মুৰব্বী মৃত্যু মুখত পৰিব লগা হ'ল। পৰিয়ালটো ভৰন পোষণৰ কাৰণে, পৰিয়ালটোৰ সংস্থাপনৰ কাৰনে চিন্তা কিন্তু চৰকাৰে কৰিব লাগিব। মই Admissibility ৰ সম্পৰ্কত মই যিটো কথা কৈছিলো, অতি দুখ পাইছো হিন্দুধৰ্মী সেই পৰিয়ালৰ লোক সকলে সৎকাৰ কৰিবলৈ খৰিৰ পইচা নোপোৱাৰ কাৰণে কবৰস্থ কৰা হ'ল। Live Video কৰি তেওঁলোকে প্ৰচাৰ কৰিছে। গতিকে য'ত আমাৰ এখন চৰকাৰ আছে, দায়িত্বশীল বিষয়া, জিলা প্ৰশাসন আছে, তাত এটা মৃতদেহ সৎকাৰ কৰিবলৈ নিজৰ ধৰ্মীয় পৰম্পৰা অনুসৰি ধৰ্মীয় নীতি-নিয়ম অনুসৰি, মৃতদেহ সৎকাৰ কৰাৰ কাৰণে সেই পৰিয়ালৰ হাতত যদি পইচা নাই, নিৰ্বাচিত গণতান্ত্ৰিক চৰকাৰ থকাৰ পিছত আৰু যি চৰকাৰে সেই এটা বিশেষ ধৰ্মৰ কথা কয়, সেই ধৰ্মীয় লোকৰ নিৰাপত্তাৰ কথা ইয়াতকৈ আৰু দুৰ্ভাগ্যৰ কথা একো হ'ব নোৱাৰে। গতিকে আজি অসমখন কি পৰ্য্যায়লৈ উপনিত হৈছে, এই কথাটো চিন্তা কৰিলে এই কথাৰ পৰাই বুজা যায়। গতিকে মাননীয় সভাপতি মহোদয়, সেই কাৰণে আমি এই ক্ষতিপুৰণৰ কথাটো কৈছো যে এই ক্ষতিপুৰণটোপৰ্য্যাপ্ত পৰিমাণে দিয়া হয়, যাতে সেই পৰিয়ালবিলাকৰ সংস্থাপন হ'ব পাৰে আৰু তাৰ লগতে লগে লগে সজাগতা আৰু শিক্ষা আৰু শিক্ষিতৰ হাৰ বৃদ্ধি কৰা এই কথাবিলাকে নিশ্চয় অনাগত দিনত এটা সুফল দিব। গতিকে মই দীৰ্ঘ বক্তব্য দিব যোৱা নাই। এই চাৰিটা পাচটা আমাৰ দলৰ পৰা আমি দাঙি ধৰিলো। আমি ভাৱো, চৰকাৰে প্ৰস্তাৱবিলাক গ্ৰহণ কৰি অনাগত দিনত যাতে অসমখনক সুৰামুক্ত ৰাজ্য হিচাপে আৰু এনে অভাৱনীয় অনাংক্ষিত পৰিস্থিতিৰ পৰা চৰকাৰে ৰক্ষা কৰাৰ কাৰণে ব্যৱস্থা কৰিব বুলি আশা ৰাখি পুনৰবাৰ আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় ৰাজ্যিক মন্ত্ৰী শ্ৰীপিযুষ হাজৰিকাদেৱে আলোচনাত অংশ গ্ৰহণ কৰিব।

**শ্ৰীপিযুষ হাজৰিকা,মাননীয় ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী ঃ** সন্মানীয় সভাপতি মহোদয়, যোৱা ২৪ তাৰিখে গোলাঘাট আৰু যোৰহাট জিলাত অবৈধ চুলাই মদ খাই যি এটা অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন আমি হ'বলগা হ'লো, তাৰ কাৰণে ব্যক্তিগত তৰফত পৰাও বা চৰকাৰী তৰফৰ পৰাও মই দুখ প্ৰকাশ কৰিছো। মৃত্যু অত্যন্ত দুখজনক। সকলো ধৰণৰ মৃত্যু অত্যন্ত দুখজনক। এনেকুৱা হ'ব নালাগিছিলে, কিন্তু ভগৱানৰ ইচ্ছাত হয়তো এই ঘটনা ঘটিবলৈ পালে। যিকি নহওঁক, এই ঘটনাৰ পাছত আমাৰ চৰকাৰৰ তৰফৰ পৰা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত বিভিন্ন ধৰণে আমি কাৰ্য্যব্যৱস্থা হাতত লৈছো। আজি ৰাতিপুৱাৰ পৰা যেতিয়া বিতৰ্ক হৈছে, আলোচনা হৈছে, বিতৰ্কয়েই হওঁক বা আলোচনাই হওঁক স্বাস্থ্য বিভাগৰ কথা ওলাইছে। মাননীয় বিধায়ক শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই আৰম্ভণিতে কৈছিলে যে, স্বাস্থ্য মন্ত্ৰী ইয়াত থাকিব লাগে, আলোচনাটো গুৰুত্বপূৰ্ণ, কিন্তু তেখেত বৰ্তমান ইয়াত নাই। বহুতেই নাই, বিৰোধী দলৰ দলপতি ডাঙৰীয়াও নাই। আলোচনাটোৰ গুৰুত্ব যদি ইমানেই বেছি, তেখেতলোকে ভাষণ দিওঁতে আমি আছিলো, বক্তব্য শুনিবলৈ। কিন্তু বিৰোধী দলৰ দলপতিও নাই, প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াও নাই, বিৰোধী উপ-দলপতিও নাই। যি কি নহওঁক, মই আকৌ কৈছো, অত্যন্ত দুখজনক ঘটনা সংঘটিত হ'ল। এতিয়ালৈকে চৰকাৰী হিচাপ মতে যোৰহাট মেডিকেল কলেজত ৭৭ জনৰ মৃত্যু পঞ্জীয়ণ হৈছে আৰু গোলাঘাট চিভিল হাস্পাতালত ৫৫ জনৰ মৃত্যুৰ পঞ্জীয়ণ হৈছে। পোষ্ট মৰ্টেমেই হওঁক, বা অন্যান্য ৰেকৰ্ডত ৭৭ জন আৰু ৫৫ জন। শ্ৰীঅতুল বৰা ডাঙৰীয়াই কথা এটা কৈছে, যোৱা কালি মইও কথাটো শুনি আহিছো যে কেইগৰাকীমান

ব্যক্তি পাছত গম পাইছে যে, এই চুলাই মদৰ বিষক্ৰিয়াতেই মৃত্যু হৈছে, কিন্তু হাস্পাতাললৈ তেখেতসকল অহা নাছিল। সেইটো মই শুনি অহা কথা। যি কি নহওঁক, এই ঘটনা যেতিয়া সংঘটিত হ'ল মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলোকে নিৰ্দেশ দিলে তাৎক্ষণিকভাৱে কাৰ্য্যব্যৱস্থা হাতত ল'বলৈ। যোৱা পৰহি ৰাতিপুৱাই মাননীয় স্বাস্থ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যোৰহাট আৰু গোলাঘাটলৈকে গ'ল, মই সেইখিনি সময়ত ৰাজ্যৰ বাহিৰত আছিলো আৰু মই আহি পোৱাৰ লগে লগে মোকো নিৰ্দেশ দিলে, মই তালৈকে যাব লাগে। যোৱা পৰহি ৰাতি ১২.৩০ বজাত মই যোৰহাট মেডিকেল কলেজত গৈছিলো আৰু তেতিয়া ৱাৰ্ড সমূহত গৈ মই স্বাস্থ্যৰ বুজ লৈছো। মোৰ লগত গোটেই ৰেকৰ্ড আছে। মই যোৱাকালি ৰাতিপুৱা সতীৰ্থ শ্ৰীপল্লৱলোচন দাস ডাঙৰীয়াৰ লগত পুনৰ আকৌ যোৰহাট মেডিকেল কলেজলৈকে গৈছো আৰু মই এটা কথা দৃঢ়তাৰে কম যে মই আৰু শ্ৰীপল্লৱলোচন দাস ডাঙৰীয়াই যেতিয়া গৈছিলো, তেতিয়া টি ভিৰ কেমেৰাসমূহৰ লাইভ আছিল। আৰু ৱাৰ্ড সমূহত প্ৰত্যেকজন ব্যক্তি বা অতি কমেও ১৫-২০ জন ব্যক্তিক মই ব্যক্তিগতভাৱে infront of the camera, যে আপোনালোকৰ কিবা অসুবিধা হৈছে নেকি ? আপোনালোকৰ ট্ৰিটমেণ্টেই হওঁক, খোৱাবোৱাতেই হওঁক, ঔষধ পাতিতেই হওঁক অসুবিধা হৈছে নেকি ? কোনো এজনে কিন্তু অসুবিধা হৈছে বুলি কোৱা নাছিল, মই কেমেৰাৰ সন্মুখতে সুধিছিলো। মই লুকাই চুৰ কৰি সোধা নাই। তাৰ পাছত আমাৰ স্বাস্থ্য বিভাগে কি কি ব্যৱস্থা হাতত লৈছে, Our department has arrange two teams of specialist doctor's from AMCH ৯ জনৰে গঠিত এটা specialist team, one team of doctor's from GMCH, 5 nos. ৯ জন ডাক্তৰ আমি AMCH (Assam Medical College Hospital) ৰ পৰা আৰু ৫ জন ডাক্তৰ আমি তেজপুৰ মেডিকেল কলেজৰ পৰা আনিলো। আমি দুজন Forensic Specialist, অসম মেডিকেল কলেজৰ পৰা আমি যোৰহাটলৈকে আনিলো। মই ২৪ তাৰিখৰ পৰা ২৫ তাৰিখৰ ঘটনাৰ ভিতৰত কৈছো। On record আছে। তাৰ পাছত আমি যিহেতু মৃত্যুৰ সংখ্যাটো বেছি উপায়ুক্তৰ পৰা permission লৈ, Normally ৪ টা বজাৰ পাছত পোষ্ট মৰ্টেম নহয়, ৪টা বজাৰ পাছতো পোষ্ট মৰ্টেম কৰিবলৈ specially আমি administration ৰ পৰা permission ললো। তাৰ পাছত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া তালৈকে গ'ল, মাননীয় স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়া তালৈকে গ'ল তেখেত লোকে কি নিৰ্দেশ দি আহিলে registration are made free.Medical College লৈকে যেতিয়া আহে বা Civil Hospital লৈকে যেতিয়া আহে তেতিয়া আমি registration কৰিব লাগে। কিবা এটা পইচা দি registration কৰিব লাগে। সেইটো আমি free কৰাই দিলো। All investigation are made free. কোনো ধৰণৰ blood test য়েই হওঁক বা অন্য কিবা test হওঁক বা যিকোনো ধৰণৰ test আমি free কৰাই লিো। All drugs and consumables are made available free of cost. মান যিমান ঔষধ আমাৰ চৰকাৰী তৰফৰ পৰা যি ঔষধ দিয়া যায়, কিছুমান ঔষধ প্ৰত্যেকখন ফাৰ্মাচি তথা আমি গুৱাহাটীৰ লাইফ ফাৰ্মাচীটো প্ৰত্যেক ঔষধ বিচাৰি নাপাও, আইডিয়েল ফাৰ্মাচীতো আমি গোটেই ঔষধ বিচাৰি নাপাও। গতিকে আমাৰ চৰকাৰী যিটো চিষ্টেম, কেতিয়াবা প্ৰত্যেকটো ঔষধ নাথাকে, কিন্তু যাতে ৰোগী বিপদত নপৰে, গতিকে আমি তৎক্ষণাত বাহিৰৰ প্ৰাইভেট ফাৰ্মাচীৰ পৰা কিনাৰ কাৰণে নিৰ্দেশ দিলো। Free food is given to the attendance accompanying the patients.আমি normally কি কৰো, patient ক খাবলৈ দিওঁ। আমি ইয়াত attendant কো free খাবলৈ দি আছো। এইখিনি কথা মই সুধিও আহিছো।খাবলৈ পাইছেনে

নাই এইখিনিলৈকে এই পৰ্য্যন্তলৈকে মই যোৱা পৰহি আৰু যোৱা কালি তেখেতসকলক দি আহিছো আৰু অকল যোৰহাট মেডিকেল কলেজত নহয়, Even in Kushal Kowar Civil Hospital in Golaghat also. তাতো গৈ এই কথাখিনি শ্ৰীপল্লৱলোচন দাস ডাঙৰীয়া আৰু মই এইখিনি কথা সুধিছো। Winter vacation of doctor's of the department of medicine has been cancelled and faculties have been call back for duties আমাৰ যি এই ছুটীত থকা ডাক্তৰক cancel কৰি আমি তেখেত সকলক তাৎক্ষানিকভাৱে মাতি আনিছো। White cloths to cover dead bodies were also provided. এইখন চৰকাৰে, মাননীয় সভাপতি মহোদয়, আনকি মৃত্যু মুখত পৰা ব্যক্তিৰ যিখন বগা কাপোৰেৰে মেৰিয়াই দিয়া হয়, মাননীয় শ্ৰীসৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰখনে এই কাপোৰ কিনি দিবলৈকে আমি নিৰ্দেশ দিছো। গতিকে মাননীয় সভাপতি মহোদয়, ইয়াত যে কৈছে, স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত আহিয়েই মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে যে স্বাস্থ্যমন্ত্ৰীক মাতি আনিব লাগে। মাননীয়া সদস্যা শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীয়েও কৈছে যে, বাহিৰত পৰি আছে, হয় মই অস্বীকাৰ নকৰো। কালিও যেতিয়া মই গৈছিলো, জি এম চি এইচ্ নাই, যোৰহাট মেডিকেল কলেজত বাহিৰত পৰি থকা patient আমি পোৱা নাছিলো খুব ভালকৈ চাফাকৈ আছে, আপোনালোকে এতিয়াও গ'লে দেখা পাব। কিন্তু যিহেতু চিভিল হাস্পাতালখন সৰু আৰু কেজুৱেলিটি তাৰ ওচৰে-পাজৰে বেছি। গতিকে suddenly যেতিয়া patient বেছি হৈ যায়, তেতিয়া অলপ অসুবিধা হয় সেইটো একেবাৰে natural phenomana. আগতে এনেকুৱা নহয় যে, এইটো অকল মাননীয় শ্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰতে হৈছে, আগৰ চৰকাৰত হোৱা নাছিল। এইটো একেবাৰে নহয়। গতিকে মাননীয় সভাপতি মহোদয়, আমি স্বাস্থ্য বিভাগৰ তৰফৰ পৰা যিমানখিনি কৰিব পাৰিছো, সেইখিনি আমি কৰিছো। মই যেতিয়া যোৱা পৰহি উপস্থিত হৈছিলো, তেতিয়াৰ পৰা যোৱা ৰাতি এজন, আৰু যোৱাকালি দুজন মানুহৰ মৃত্যু ঘটিছে আৰু ৬-৭ জন মানুহ চিৰিয়াছ আছিল। কিন্তু এতিয়ালৈকে মৃত্যুৰ খবৰ অহা নাই, এইটো আমাৰ কাৰণে ভাল খবৰ অহা নাই। গতিকে মাননীয় সভাপতি মহোদয়, আমি নিশ্চয়কৈ ব্যৱস্থা লৈছো। হয়, কেতিয়াবা কেতিয়াবা অভাৱনীয় পৰিৱেশৰ সৃষ্টি হয়। ২০০৩-২০০৪ চনত এইখন অসমত উত্তৰ কাছাৰ পাৰ্বত্য জিলা, বৰ্তমান ডিমা-হাছাওত সাম্প্ৰদায়িক সংঘৰ্ষত আঢ়ৈশ মানুহ মৃত্যুৰ মুখত পৰিছিল। ২০০৮ চনত ওডালগুৰিত সাম্প্ৰদায়িক সংঘৰ্ষ হৈ কেইবাশ মানুহ মৃত্যুমুখত পৰিছিল। ২০১২ চনত কোকৰাঝাৰত সাম্প্ৰদায়িক সংঘৰ্ষ হৈ কেইবাশ মানুহ মৃত্যু মুখত পৰিছিল। তেতিয়া Adjournment Motion আছিল নে নাই, মই সেইটো নাজানো। ২০১১ চনত মই এম এল এ আছিলো, তেতিয়া মই Adjournment Motion শুনা নাছিলো। ২০০৪ চনত আপোনালোকৰ কোনোবা কোনোবা আছিল, ২০০৮ চনত কোনোবা আছিল, তেতিয়া Adjournment Motion হৈছিল নেকি? আৰু সাম্প্ৰদায়িক সংঘৰ্ষ এইখন চৰকাৰৰ দিনত হয়তো ঘটনা হোৱা নাই। It is an accident আৰু definately it should be avoided মই আকৌ কৈছো, accident, avoided কৰিব লাগে। ২০০৮ চনত কোনোবা কোনোবা আছিলে তেতিয়া Adjournment Motion হৈছিল নেকি? সাম্প্ৰদায়িক সংঘৰ্ষ এইখন চৰকাৰৰ দিনত হোৱা নাই। It is a accident- and definitely accident should be avoided .মই এতিয়াও কৈছো accident avoid কৰিব লাগে। আজিৰ দিনত মঙ্গল গ্ৰহত অভিযান আৰম্ভ কৰাৰ কথা আমি চিন্তা কৰিছো । আমি এতিয়া বহু আগুবাই গৈছো কিন্তু আজিৰ পৰিৱেশত এনেকুৱা হোৱাটো ভাল লক্ষণ নহয়। কিহৰ বাবে এইবোৰ হৈছে আমি

ফঁহিয়াই চাব লাগে। এইখন চৰকাৰে সিদ্ধান্ত লৈছে যে চাহ বাগিছাৰ শ্ৰমিকসকলক বিনামূলীয়াকৈ চাউল দিম। আজি অসমত সকলোতকৈ Marginalised section টো হৈছে বাগানত বসবাস কৰা লোকসকল। মই আগতেও কৈছো- আজিও কওঁ অসমৰ অৰ্থনৈতিক বুনিয়াদ হৈছে চাহ শিল্প। এই চাহ শিল্পক জীয়াই ৰাখিছে বাগানৰ ব্যাক্তিসকলে। তেখেতসকলক আজিও আমি নিমখ চাহ খুৱাই আছো। এই সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰে বিনামূলীয়াকৈ চাউল আৰু চেনী দিয়াৰ ব্যৱস্থা কৰিছে। সভাপতি মহোদয় এই ক্ষেত্ৰত আমি সচেতন। আমি চাহ জনগোষ্ঠীক আগুৱাই লৈ যোৱাৰ বাবে সচেতন। আমি স্বাস্থ্য বিভাগে চাহ জনগোষ্ঠীৰ বাবে আৰু কিছু কাম কৰিছো। যদিও এইটো আজিৰ বিষয়ত নপৰে কিন্তু মই অলপ উল্লেখ কৰিবলৈ ভাল পাম। চাহ বাগানৰ মানুহে ওচৰৰ Hospital লৈ নাযায়, পৰিবেশটো অলপ সুকীয়া। কিন্তু বাগানৰ মানুহসকলক আমি বিপদত পৰিবলৈ দিব নোৱাৰো। সেই কাৰণে আমি তেওলোকৰ স্বাস্থ্য ৰক্ষাৰ বাবে Mobile Medical Unit চাহ বাগানত দিয়াৰ ব্যৱস্থা কৰিছো। মহিলাসকল যেতিয়া গৰ্ভৱতী হয়, যেতিয়া শিশু জন্ম হয় সু চিকিৎসাৰ অভাৱত মহিলা -শিশু মৃত্যুমুখত পৰা দেখা যায় সেই কাৰনে বাগানৰ গৰ্ভৱতী মহিলাসকলক ১২ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে যাতে মাতৃ- শিসু দুয়োগৰাকীয়ে বালে থাকে। এইখন চৰকাৰে ৰাইজৰ বাবে কি কি কৰিব পাৰে তাৰ চিন্তাত আছে। কিন্তু একো কৰা নাই বুলি কোৱাটো একপ্ৰকাৰ অপৰাধ বুলি মই ভাবো। আৰু বিভিন্নধৰণৰ আঁচনি লৈছো- আমাৰ পল্লৱ লোচন ডাঙৰীয়া নিশ্চয় তেখেতৰ বক্তব্যত ক'ব। যিটো ঘটনা হ'ল ভবিষ্যতে এনেকুৱা ঘটনা হ'ব নালাগে। অকালত মানুহ মৃত্যুমুখত পৰাটো যথেষ্ট দুখজনক আৰু ক্ষতিকাৰক। কিন্তু এইটো অকল আজিৰ ঘটনা নহয় ইয়াৰ আগেতেও বহু এনে ঘটনা হৈছে। আগতেও সাম্প্ৰদায়িক সংঘৰ্ষ হৈ ৩০০-৪০০ মানুহ মৰিছে। আগতে দীপক ৰাভা ডাঙৰীয়াৰ সমষ্টি বকোত পুলিছৰ গুলিত ১০-১২ জন লোকৰ মৃত্যু হৈছিল। এইটো এটা দূৰ্ঘটনা, এটা accident । এইটো কোনেও pre-plan কৰি কৰা নাই। গতিকে এই ক্ষেত্ৰত চৰকাৰক দোষী বুলি কোৱাটো যুক্তিসংগত নহয় আৰু অমূলক। মই আকৌ কৈছো এই ক্ষেত্ৰত তদন্তৰ নিশ্চয় প্ৰয়োজন আছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তদন্ত ঘোষণা কৰিছে- এই ক্ষেত্ৰত উচিত তদন্ত কৰিব লাগে। কোনে কৰিছে, কোনসকল ব্যাক্তি দোষী তেওঁলোকক বিচাৰি উলিয়াই কঠোৰৰ পৰা কঠোৰতম শাস্তি দিব লাগে। সদনৰ যোগেদি মই সকলোৰে দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় সভাপতি, শ্ৰীবৃন্দাবন গোস্বামী ঃ** ধন্যবাদ হাজৰিকা। মই এতিয়া অনুৰোধ জনাইছো মাননীয় সদস্য শ্ৰীকমল সিং নাজাৰী ।

**শ্ৰীকমল সিং নাজাৰী ঃ** সভাপতি ডাঙৰীয়া - গোলাঘাট আৰু যোৰহাট জিলাত চাহ শ্ৰমিকসকলৰ মদৰ বিষক্ৰিয়া হৈ যি দুখজনক মৃত্যুমুখী যাত্ৰা আৰম্ভ হৈছে তাক দেখি শুনি আমি সকলোৰে মৰ্মাহত হৈছো। সেই পৰিয়ালসমূহৰ দুখত আমি সমভাগী হৈছো। এই ক্ষেত্ৰত আমাৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই যিটো মন্তব্য দাঙি ধৰিলে, যিখিনি তেওলোকৰ বাবে যাৱতীয় ব্যৱস্থা ল'ব লাগিছিল সেইখিনি লোৱাৰ বাবে মই তেওঁৰ জৰিয়তে চৰকাৰক ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত মই সকলোৰে লগত একমত হৈ ক'ব বিচাৰিছো যে লালী গুড়ৰ যিটো ব্যৱসায় এইটো অসমত নিষিদ্ধ হ'ব লাগে। এইটো প্ৰস্তাৱ মই আনিব বিচাৰিছো। এই লালি গুড়ৰ দ্বাৰা যিটো চুলাই মদ বনোৱা হৈ আছে ইয়াক বেছিকৈ নিচাগ্ৰস্থ কৰাৰ বাবে বিভিন্নধৰণৰ ৰাসায়নিক বস্তু মিহলি কৰে। সেইটো যাতে ব্যাৱহাৰ কৰিব নোৱাৰে সেইটো ব্যৱস্থা কৰাৰ বাবে মই অনুৰোধ জনাইছো। এইটো মোৰ দ্বিতীয় প্ৰস্তাৱ। আৰু এটা প্ৰস্তাৱ মই দিব বিচাৰিছো যে , অসমৰ পৰা সুৰা নিষিদ্ধ কৰিব লাগে। আজি আবকাৰী

বিভাগ আমাৰ লগত আছে। মই তেখেতক অনুৰোধ কৰিম যাতে অসমক এখন সুৰা নিষিদ্ধ ৰাজ্য কৰা হয়। আজি আমি দেখিছো কেৰেলাক সুৰা নিষিদ্ধ ৰাজ্য কৰাৰ ব্যৱস্থা কৰা হৈছে। বিহাৰত ইতিমধ্যে সুৰা নিষিদ্ধ ৰাজ্য কৰা হৈছে। এই চুলাই মদে অসমৰ এক শ্ৰেণী বিশেষকৈ খাটি খোৱা মানুহখিনিক তিল তিলকৈ মৃত্যুমুখলৈ ঠেলি লৈ গৈছে। সুৰা নিষিদ্ধ কৰিলে হয়তো আমি তেওঁলোকক বচাব পাৰিম। খিলঞ্জীয়া জনগোষ্ঠী বুলি আমাৰ বড়োকে আদি কৰি গাৰো, ৰাভা, চুতীয়া, দেউৰী, মৰাণ, মটক, সোণোৱাল ইত্যাদি জনগোষ্ঠীৰ লোকসকল ঘৰত বনোৱা চাউলেদি মদ তৈয়াৰ কৰি খায়। এতিয়া দেখা গৈছে যে এই ঘৰতে বনোৱা সুৰাটো বহুতে ব্যাৱসায় ভিত্তিত কৰিব ধৰিছে। তাৰ লগতে কিছুমান হানিকাৰক বস্তু এইবিলাকৰ লগত মিহলাব ধৰিছে। ইউৰীয়াৰ লগতে, স্পিৰিট, এচিড ইত্যাদিও ব্যৱহাৰ কৰে। চাউলটো বচাই ইউৰিয়া সাৰ ব্যৱহাৰ কৰিব ধৰিছে। যিটো স্বাস্থ্যৰ বাবে অতি অপকাৰী। আজি গোলাঘাট বা যোৰহাটৰ শ্ৰমিকসকলে এনে সুৰা সেৱন কৰি মৃত্যুক আকোঁৱালি ল'ব লগা হৈছে। তেওঁলোকৰ মতে ইউৰিয়া আৰু মিথানেল জাতীয় দ্ৰব্য ব্যৱহাৰ কৰে নিচা বৃদ্ধিৰ বাবে। গতিকে এইবোৰৰ ব্যবহাৰ যদি নিষিদ্ধ কৰা নহয় সময়ে সময়ে এনে দুখজনক ঘটনা অসমত হৈয়ে থাকিব। এনে অপকাৰী দ্ৰব্য ব্যৱহাৰৰ লগত যিসকল মদৰ বেপাৰী আছে তেওঁলোকেক কোনো কাৰণতে ৰেহাই নিদি উচিত শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাবে আজি মই মন্ত্ৰী মহোদয় আৰু চৰকাৰক অনুৰোধ জনাইছো। চুলাই মদৰ ঘাটিবিলাক উচ্ছেদ কৰিব লাগে। লালি গুড় নিষিদ্ধ কৰিব লাগে। অভিযোগ উঠিছে যে মৃতকসকলক খৰিৰ অভাৱত মাটিত সমাধিস্থ কৰা হৈছে। আজিকালি হিন্দু দুখীয়াসকলেও খৰিৰ অভাৱত কৱৰস্থ কৰে। গতিকে এই ক্ষেত্ৰত sentimental হ'ব নালাগে। ইয়াৰ ওপৰিও সভাপতি মহোদয় চাহ শ্ৰমিকসকলৰ মাজত সজাগতা শিবিৰ পাতিব লাগে। স্বাস্থ্য সচেতনতা গঢ়ি তুলিব লাগে। ইয়াৰ দ্বাৰা তেওলোকে নিজৰ স্বাস্থ্য আৰু পৰিয়ালৰ সদস্যৰ স্বাস্থ্যৰ প্ৰতি সচেতন হৈ উঠিব। যাৰ টকা পইচা আছে তেওঁলোকে খৰি কিনি সৎকাৰ কৰিছে আৰু কিছুমানে কৱৰস্ত কৰা আমি দেখিবলৈ পাইছো। গতিকে ইয়াত ইমান আৱেগিক নহৈ এইক্ষেত্ৰৰ পৰা এৰাই চলা ভাল। তাৰ পিছত আমি চাহ শ্ৰমিক সকলৰ মাজত এটা সজগতা শিৱিৰ পাতিব লাগে, যি সজগতা শিৱিৰ পতাৰ ফলত তেওঁলোকে অন্তত নিজৰ প্ৰতি, স্বাস্থ্যৰ প্ৰতি বা নিজৰ পৰিয়ালৰ বাবে তেওঁলোক সজাগ হ'বলৈ পাৰিব। তাত আমাৰ স্কুলৰ যি ব্যৱস্থা, শৈক্ষিক যি ব্যৱস্থা সেই ব্যৱস্থাটো, সেইটো একেবাৰে বেয়া। আমাৰ অসম বিধান সভাৰ যেতিয়া হাউচ সমিতি গঠন কৰি দিছিল তেতিয়া আমি চাব বাগানলৈ গৈছিলো। প্ৰথমতে, আমি ঢেকীয়াজুলিত গৈছিলো, আমাৰ অশোক সিংঘল ডাঙৰীয়াও আমাৰ লগত আছিল। তেখেতে ঢেকীয়াজুলি সমষ্টিত আমাক চাবলৈ লৈ গৈছিল, তেতিয়া তাৰে এখন স্কুলত শিক্ষাৰ ক্ষেত্ৰত এজন শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী আছে প্ৰায় ১৫০, ২০০ জন। এই ১৫০, ২০০ ছাত্ৰ-ছাত্ৰীক এজন শিক্ষকে কেনেকৈ শিক্ষাদান দিব ? এই একেবাৰে হাঁহিয়তৰ পাত্ৰ হৈ আছে। গতিকে এই ব্যৱস্থাটো দূৰীকৰণ কৰাৰ বাবে কিবা এটা ব্যৱস্থা নিশ্চয় লব লাগে। স্বাস্থ্যৰ এতিয়া অলপ ভাল কৰা হৈছে। আগত আমি যেতিয়া গৈছিলো তাতে তেতিয়া হস্পিতাল বোৰত ডাক্তৰ, নাৰ্চৰ, Pharmacist, Laboratory Technician ৰ কোনো ব্যৱস্থা নাছিল। এইবাৰ আমি গম পালো, আমাৰ অসম চৰকাৰে ইতিমধ্যে সেই সকলৰ বাবে সুব্যৱস্থা কৰিবৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে কৰি থকা বুলি আমি গম পাইছো। গতিকে এই ক্ষেত্ৰত অন্তত যিবিলাক স্বাস্থ্য কেন্দ্ৰ আছে সেইবিলাকত পৰ্যাপ্ত পৰিমানে ডাক্তৰ, নাৰ্চ ইত্যাদিৰ ব্যৱস্থা কৰি দিলে ভাল হয়। কাৰণ ইয়াত দেখিবলৈ পাও যে তেওঁলোকৰ স্বাস্থ্য জনিত যিটো অসুবিধা, সেইটো আমি পৰিলক্ষিত কৰি আহিছিলো। গতিকে এইবোৰ দূৰ কৰিব

লাগে আৰু এই সজাগতা শিৱিৰটো অন্তত চাহ বাগিছা এলেকা বোৰত চৰকাৰৰ তৰফৰ পৰা কৰিবৰ ব্যৱস্থা কৰে তাৰ কাৰণে মই এইখিনিয়ে কৈ বেছি দীঘলীয়া বক্তব্য নাৰাখি মই বক্তব্য শেষ কৰিছো।

**সভাপতি ( বৃন্দাবন গোস্বামী) ঃ** ধন্যবাদ নাৰ্জাৰী। আমাৰ বিষয়টোৰ ওপৰত ভালে কেইগৰাকী মাননীয় সদস্যই অংশ গ্ৰহণ কৰিব, সেয়েহে আমাৰ সময় সীমিত, মই সকলোকে ১০-১৫ মিনিটৰ ভিতৰত বক্তব্য সমূহ দাঙি ধৰিবলৈ অনুৰোধ জনাইছো, যাতে সকলোৱে অংশ গ্ৰহণ কৰিব পাৰে। এতিয়া মই অনুৰোধ জনাইছো মাননীয় সদস্য টেৰচ গোৱালাক কবলৈ।

**শ্ৰীতেৰচ গোৱালা ঃ** মাননীয় সভাপতি মহোদয়, যোৱাকেইদিন ধৰি যোৰহাট, গোলাঘাট জিলাত চাহ জনগোষ্ঠীৰ প্ৰায় ডেৰশতাধিক ব্যক্তিৰ অকাল মৃত্যুক লৈ ইতিমধ্যে প্ৰত্যেকে আমি নিজৰ সমবেদনা জনাইছো, দুখ প্ৰকাশ কৰিছো। সৌভাগ্য নে দুৰ্ভাগ্য মই নাজানো বিধাতাৰ এই বিধান আছিল যে মইও সেই জনগোষ্ঠীৰ এগৰাকী সন্তান। এই পবিত্ৰ বিধান সভাত বিষয়টো আলোচনাৰ বাবে যিধৰণে আৰম্ভণিৰ পৰা আমি সকলোৱে ইচ্ছা প্ৰকাশ কৰিলো, মই শেষৰ বেঞ্চত বহো সেই কাৰণে মই দেখিলো, আচলতে মোৰ এনেকুৱা লাগিছে যে কিবা এটা মাছ বজাৰ বহি গৈছিল নেকি, যে ইফালে মানুহ মৰিছে তাৰ কাৰণে আমি ইয়াত কিবা এটা ডিভাইছ বিচাৰি ফুৰো। যি সময়ত মাননীয় অধ্যক্ষই কৈছে যে আমি আলোচনাতো বিচাৰিছো,শাসক চৰকাৰেও কৈছে আমি আলোচনাতো বিচাৰিছো। আলোচনাৰ বিচৰাৰ সকলো সদিচ্ছা থকাৰ সময়ত আমি ডিভাইছ বিচাৰি যিটো পৰিৱেশ সৃষ্টি কৰিছো সেইটো মোৰ কাৰণে বৰ দুখ জনক কথা। মই মানুহ মৰাৰ কাৰণে ইমান দুখ পোৱা নাই, কিন্তু আজি এই পবিত্ৰ বিধান সভাত আমি জনপ্ৰতিনিধি সকলৰ যিটো ভূমিকা, যিটো মানসিকতা এইটোলৈ মই দুখ প্ৰকাশ কৰিছো। সেই কাৰণে মানুহ মৰাৰ কাৰণে মোৰ চকুলো ওলোৱা নাই, কিন্তু আজি আমাৰ জনপ্ৰতিনিধি সকলৰ যি চিন্তা, যি ধাৰণা, যি পদক্ষেপ এইটোলৈ কিন্তু মোৰ দুখ লাগিছে। এই কাৰণে আজি সভাপতি ডাঙৰীয়া, আপোনালোকে হয়তো অনুভৱ কৰিব পাৰে, পেপাৰত পঢ়িব পাৰে, কোনোৱা গৈ খবৰ লৈ আহিব পাৰে, কিন্তু আমি Generation by generation দেখি আহিছো এই ঘটনা বিলাক। এদিনৰ ঘটনা নহয় সভাপতি মহোদয়, আমাৰ কমল সিং দাদাই শুদ্ধভাৱে কৈছে, সেই প্ৰক্ৰিয়া ব্ৰিটিছৰ দিনৰে পৰা আৰম্ভ হৈছে আৰু এনে মৃত্যু হয়তো আজি শতাধিক হোৱাৰ কাৰণে আজি আমি সকলোৱে ইয়াত জাঙুৰ খাই উঠিছো। দৈনিক মদ খাই মানুহ মৰি আছে। মই চাহ জনগোষ্ঠীৰ ছাত্ৰ সন্থাৰ প্ৰাথমিক গোটৰ পৰা কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদকলৈ কাৰ্যনিৰ্বাহ কৰিলো প্ৰায় ১৮ টা বছৰ। ১৯৮৯-৯০ চনৰ পৰাই সামাজিক চিন্তা বিলাক আহিছিল, যেতিয়া মই নৱম শ্ৰেণীত পঢ়িছিলো। সেই কাৰণে অনুভৱ বিলাক আহিছিল আজি সঁচা কথাটো কৈছো। মোৰো মা-দেউতাই এদিন চুলাই মদ ব্যৱসায় কৰিছিল। পুলিচৰ ভয়ত আধাৰাতি এই চুলাইৰ গেলান বিলাক কেনেকৈ জংঘলত লুকাব গৈছিল সেই কথাবোৰ মই জানো। যেতিয়া আমাৰ সামাজিক চিন্তাবিলাক আহিলে তেতিয়া আমি মা-দেউতাক বুজাবলৈ সমৰ্থ হলো, যে মা-দেউতাই আৰু বেলেগ মানুহক মাৰি আমাক আৰু পঢ়াব নালাগে। যাৰ কাৰণে সৰু দোকানৰ জৰিয়তে দুবেলা দুমুঠি উপাৰ্জন কৰি পঢ়াইছিল, যাৰ কাৰণে আজি এই পৰ্য্যায়লৈকে আহিছো। চাহ জনগোষ্ঠীৰ ছাত্ৰ সন্থাত যেতিয়া মই দায়িত্ব ললো বা মই যেতিয়া জড়িত হলো তেতিয়া দেখিলো যে এইটো ভয়ংকৰ কাৰবাৰ। ব্ৰিটিছ গ'ল ঠিকেই আছে, কোনোবাই ব্ৰিটিছ খেদিলে ঠিকেই আছে, ব্ৰিটিছৰ সকলো ব্যৱস্থা বিলাক যদি চাহ বাগিছা বিলাকত লাগু কৰি থকা হ'ল এই কথাটো কিন্তু ভূক্তভোগীয়েহে অনুভৱ কৰিব পাৰে। আইন আহিব, বহুত আইন আহিব। বিভাগৰ অফিচত সুন্দৰকৈ ডেকোৰেশ্যন কৰি ৰখা হ'ব, বিষয়া নিযুক্ত হ'ব, কৰ্মচাৰী নিযুক্ত হব, বহুত কিবাকিবি হ'ব, বাজেটত পইচাও

আহিব। কিন্তু সভাপতি মহোদয়, মোৰতো সন্দেহ হৈছে, মই সেই কাৰণে কৈছো, মোৰ অভিজ্ঞতাৰ পৰা কৈছো যে যেতিয়া এইবিলাক কথা মই আট্চাৰ হিচাপে কৈছিলো চৰকাৰৰ তেতিয়া কোনো কোনোৱে জাঙুৰ খাই উঠিছিল। কিধৰণে আমাৰ ওপৰত ব্যৱহাৰ কৰা হৈছিল আট্চাৰ কাৰ্যকৰ্তাৰ ওপৰত, তেতিয়া আমি চৰকাৰৰ কোনো সহায় পোৱা নাছিলো যেতিয়া আমি মদৰ ঘাটি বিলাক ভাঙিব গৈছিলো। কিধৰণে মানুহ সকলে আমাৰ ওপৰত আক্ৰমণ কৰিছিল আমি কিমান মাৰ খাইছিলো, কেতিয়াবা পুলিচৰ মাৰ খাইছিলো, কেতিয়াবা পাব্লিকৰ মাৰ খাইছিলো আৰু এইবোৰ যদি আপোনালোকৰ বিশ্বাস নহয় মই আপোনালোকৰ সন্মূখত মোৰ কাপোৰ কানি খুলি দেখাব পাৰো যে মোৰ স্বাস্থ্য কি অৱস্থাত আছে। এইবিলাকৰ কাৰণত কৈছো যে আজি এই মুহূৰ্তত মই এই পবিত্ৰ সদনৰ প্ৰতিনিধি, মোৰ জনগোষ্ঠীৰ মানুহ মৰা নাই, অসমৰ মানুহ মৰা নাই, এই মানৱ সমাজৰ একো এগৰাকী প্ৰাণী আজি অকাল মৃত্যুত মৰিছে। সেই কাৰণে আমি ভাবো যে ইয়াৰ কাৰণে আমি সামাজিক দায়িত্ব পালন কৰিব লাগিব। এনেকুৱা হ'ব নেকি যে আজি আমি বিধান সভাতে কথা বিলাক পাতিম, কালি-পৰহি লোকসভাৰ ইলেক্চনৰ নটিফিকেশ্যন হ'ব তাৰ পিছত আকৌ এই বাগনীয়া মানুহক মদ দি, ইলেক্চনত মদ দিবৰ কাৰণে আকৌ মদ বিলাক আমি বুকিং কৰিম নেকি? এই কাৰণে কৈছো মই যেতিয়া ১৯৯০-৯১ চনত আট্চাত যেতিয়া ঘুৰি ফুৰিছিলো তেতিয়াৰ প্ৰতিনিধি সকলে দেখিছিলে যে এই বাগানীয়া সকলক হাতত ললে ভোট কেইটামান আহিব। জীৱনত চাইকেলত উঠা নাছিলো কিন্তু এম্বেচাদৰ গাড়ীত উঠিছিলো যি গাড়ীৰ পাছফালে এই মদৰ গেলান বিলাক আছিল। এইবোৰ বাগিছা বিলাকলৈ দিবলৈ কোৱা হৈছিল আমাৰ দৰে প্ৰতিনিধি সকলে, যি সকলে প্ৰতিনিধি হ'বলৈ বিচাৰে। সেই কাৰণে আজি দুখ লাগিছে যে আইন কানুনটো হ'বই, হৈ থাকিব। কিন্তু আমি সকলোৱে এটা দায়িত্ব লব নোৱাৰো নেকি, এই মানুহ বিলাকক সামাজিক ভাৱে সচেতন কৰিবলৈ। আমি এনেকৈ এটা সিদ্ধান্ত লব নোৱাৰো নেকি, যে আমি অন্তত নিৰ্বাচনত এই মানুহ বিলাকক মদ নিদিও। আজি এতিয়া উপাই নাপায়, মই তিনি বাৰ ইলেক্চন খেলিলো, দুইবাৰ ইলেক্চন এই কাৰণে হাৰিলো এই মানুহবিলাকক মদ খাবলৈ হয়তো পইচা দিব নোৱাৰিলো। মোৰ বিৰোধীয়ে দিছিল, মই যিটো লাইনত আছিলো Green wood চাহ বাগিছা Assam Company India Limited ৰ, Green wood চাহ বাগিছাৰ ৩৮ নং Division line যিটো সেই লম্বা লাইনটোত আছিলো। কি ধৰণে তাত Group য়ে, Group য়ে মদ দিয়া হৈছিল, তাৰ কাৰণে কোনে তাৰ ঠিকা লয়, এই বিলাক কিন্তু আমি ৰাজনৈতিক ভাৱেই ঠিক কৰো। সেই কাৰণে কৈছো এনেকুৱা দূৰ্যোগৰ সময়ত বুকুটো শিয়ৰী উঠা নাই। আমি সেই সমাজত দেখি দেখি আহিছো নহয়, মানুহ কেনেকৈ মৰে। চাহ বাগিছাৰ মানুহৰ বয়স যি সকল গাঁৱত থাকে তেওঁলোকৰ কিবা কাৰণত হয়তো ৯০ ৰ ওপৰ হয়। নহলে বেছিভাগৰে ৬০ ৰ পৰা ৮০ ৰ ভিতৰত তেওঁলোকে মৰিব লগা হয়। কাৰণ এই কাৰণে যে এইবিলাক কথা তাত জড়িত আছে। সেই কাৰণে মোৰ আজি অনুৰোধ থাাকিব যে আমি সকলোৱে প্ৰথম সামাজিক ভাৱে মানুহখিনিক সচেতন কৰাৰ দায়িত্ব লব লাগিব। আমি ৰাজনৈতিক দল বিলাক আকৌ আমাৰ ইমান মেম্বাৰ আছে, আমাৰ ইমান কাৰ্যকৰ্তা আছে, আমাৰ ইমান কমিটি আছে কিন্তু কোনো দিন আমি ৰাজনৈতিক ভাৱে এইবিলাক কথা কিন্তু ৰাজনৈতিক মঞ্চত আলোচনা কৰা নাই। খালী আমাৰ এটাই আলোচনা হয় যেনে তেনে বাগানৰ ভোট বিলাক লৈ আমি জিকিব লাগে, বিধান সভাত আহিব লাগে। ক্ষমতাৰ বলীয়ান হৈ যদি আমি কাম বিলাক কৰো তেতিয়াহলে মই ভাৱো যে আমি কোনো দিন ইয়াৰ পৰা উদ্ধাৰ হ'ব নোৱাৰিম। যিমানে আইন কানুন নহওঁক আমি দেখিছো যি সকল উচ্চ শিক্ষিত, অলপ নেতাৰ নিচিনা মানুহ বিলাকে জানে যে

মই হেলমেট নিপিন্ধিলে যে পুলিচে ধৰিব এইটো জানে কিন্তু হেলমেটো নিপিন্ধাৰ পিছত মোৰ দুৰ্ঘটনাৰ পিছত মোৰ যে মূৰটো ভাঙিব এই কথাটো অনুভৱ নকৰে। Licence নহলে যে মোৰ Insurance Claim নহব এই কথাটো কিন্তু পুলিচৰ ভয়তে কৰিব বিচাৰে। মানুহৰ মন বিলাক কেনেকুৰা হৈ গৈছে, কাৰোৰাৰ ওপৰত depend হৈ আছে নেকি ? এই কাৰণে মোৰ এটা অনুৰোধ থাকিব যে প্ৰথম কথা হল যে এই বিষয়টো আমি মানৱীয় দৃষ্টি ভংগীৰে সকলোৱে চোৱাৰ কথা কৈছে মই সকলোকে ধন্যবাদ জনাইছো। আজিৰ পৰা সকলোৱে যাতে মদৰ বিৰুদ্ধে অভিযান চলাব লাগে, আৰকাৰী বিভাগৰ কাৰবাৰ বিলাক জানো নহয়, এই কাৰণে মোৰ অনুৰোধ থাকিব যে এই যিটো ঘটনা হল, চৰকাৰৰ যি agency য়ে নহওঁক আৰু তাত যিমান বিলাক Laboratory ৰ পৰা পৰীক্ষাৰ দৰকাৰ হব লাগে আৰু তদন্ত হব লাগে। অসমত যদি তেনেকুৰা ব্যৱস্থা নাই বাহিৰত লৈ যাব লাগে ইয়াত দেৰিকৈ হলেও result আহিব লাগিব। আমাৰ মাননীয় সদস্য শ্ৰী আমিনুল ডাঙৰীয়াই কৈ আছে, পেপাৰত আহিব, টি.ভি ত আহিব, মই গোৱালা লিখো, চাহ জনগোষ্ঠীৰ ভিতৰত আমাৰ এইটো উচ্চ বৰ্ণ। আমি পুৰোহিত নহলেও আমি কোনো কাম নকৰো। আমাৰ সমাজতো কৰৰ দিয়াৰ ব্যৱস্থা আছে, খৰি দিয়াৰো ব্যৱস্থা আছে, এটা চাহ বাগিচাত খৰি আৰু খৰি শিৰিষ গছ আৰু চাহ গছ তাত যদি কোনোৱাই কয় এই অকাল মৃত্যু মুখত পৰা মানুহক জ্বলাবলৈ যদি খৰি পোৱা নাই নিশ্চয় কিবা থাকিব। আজি স্বাধীনতাৰ ৭০টা বছৰত আমি এই চাহ বাগিচাৰ ভোটেৰে আমি বিধায়ক হলো, মন্ত্ৰী হলো কিন্তু এটা মানুহ জ্বলাবৰ কাৰণে আমি শ্মশান বনাই দিব নোৱাৰিলো। এই বিধান সভাৰ পৰা আমি বিধায়ক হলো, আজি আমি ডাঙৰ ডাঙৰ কথা কৈ আছো আমি এজন মানুহ নলালো যে অন্ততঃ চাহ বাগিচাত গৈ শুকান শিৰিষ গছ এডাল কাটি আনি দিবলৈ নোৱাৰিলো কিন্তু আমি ওচৰত গৈ চকু পানী দেখুৱালো, টিভিৰ আগত ডাঙৰ ডাঙৰ কথা কৈ দেখালো। মই যোৱা নাই এতিয়া লৈকে নাযাওঁ এই কাৰণে নাযাওঁ এনেকুৰা পৰম্পৰাৰ প্ৰতি মোৰ আৰু বিশ্বাস নাই, কাৰণ আজি ইয়াত শ, শ হিচাপত মানুহ মৰিলে বুলি সকলোৱে আজি জুম পাতি গৈছে, কিবা এটা উৎসৱ আৰম্ভ হৈ গল। কি হব সমবেদনা জনাম ঘুৰি আহিব নেকি মৃত্যু হোৱা মানুহজন আৰু কিবা কৈ আহিম যাতে মোৰ পৰৱৰ্তী সময়ত কিবা এটা ভাল হয়। সেই কাৰণে মোৰ ঘৰতো দেউতাই কৈছে, তই গলি নে নাই, মই কৈছো দেউতা মই নাজাওঁ। মোৰ হৃদয়টো ইমান নিষ্ঠুৰ হৈছে, যে এনেকুৰা অকাল মৃত্যুত সেই পৰিয়ালটোক গৈ আৰু যত যশম হয় তাত চুণ দিবলৈ মোৰ ইচ্ছা নাই। কাৰণ কালি পাহৰি যাব ১,২,৩,৪,৫ দিন যাম, তাৰ পিছত সাধাৰণ হৈ যাব সকলো কথা। পাহৰি যাব এই বিলাক ঘটনা, কিন্তু ইয়াক সংস্কাৰৰ প্ৰয়োজন আছে আৰু সেই কাৰণে মোৰ আজি বিধান সভাক অনুৰোধ থাকিব আৰকাৰী বিভাগ যিমান শক্তিশালী কৰিব লাগে আৰু কোনোৱা বিষয়া কৰ্মচাৰী স্বাভাৱিকতে জড়িত আছে। যি সকল বিষয়া কৰ্মচাৰী পইচা পাতি লৈ এই বিলাক ব্যৱসায় যদি কৰাইছে তেওঁলোকৰো ভাল দিন নাযাব ঈশ্বৰে চাই আছে। মই আজি দুখেৰে কৈছো যে এই পবিত্ৰ বিধান সভাত আমি ২ঘন্টা সময় device বিচাৰি যি সময় নষ্ট কৰিলো। অধ্যক্ষ ডাঙৰীয়াই কৈছে যে আমি এতিয়াৰ পৰা আলোচনা কৰিম, মই এই কাৰণে অনুৰোধ জনাইছো যে আমাকো অলপ শিকাওক আমিও শিকিম, বিধান সভাত সকলো কথা আলোচনা হলে যে সমাধান হব সেইটো নহয় সামাজিক কথা বিলাক সমাজতো লৈ যাব লাগিব। মই চাহ ছাত্ৰ-সন্থাৰ ১৮ টা বছৰে কাৰ্য্যকালত কাম কৰাৰ পিছতো মই আজি সমাজৰ দায়িত্ব বিলাক এৰি দিয়া নাই। মোৰ কাৰণে ৰাজনীতি দ্বিতীয় মোৰ সমাজখন প্ৰথম। মই আজি চাহ জনগোষ্ঠীৰ জাতীয় সভাৰ নিচিনা অনুষ্ঠানৰ দায়িত্ব লৈ প্ৰায় ৮০/৮২ টা সমাজক পুনৰ একত্ৰিত কৰি আমি আলোচনা

কৰিছো কিবা এটা কৰিব পাৰি নেকি ? আমি নিজেই কিবা এটা কৰিব লাগিব। এইখিনি মই আশা ৰাখিছো, এই দুখৰ সময়ত কেতিয়াও নাভাবো যে কেৱল চাহ জনগোষ্ঠীৰ লোক মৰিছে বুলি কোৱাটো উচিত নহয় , অসমৰ মানুহ মৰিছে ভাৰতবৰ্ষৰ মানুহ মৰিছে, ভাৰতীয় নাগৰিক মৰিছে, অনাগত দিনত যাতে এনেকুৱা ঘটনা নঘটে, এই ঘটনা যাতে অন্য অন্য জিলালৈ বিয়পি নাযায় তাৰ কাৰণে আমি ব্যৱস্থা লব লাগে। এইটো আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন। তাৰ পিছত শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰকিবুল হুছেইন (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৰহাট, গোলাঘাটত আজিও হাহাকাৰ পৰিস্থিতি বিষাক্ত সুৰাই প্ৰাণ ললে ১৬৫জনৰ। এই কথাখিনি আমাৰ কৰ্ণ গোচৰ হোৱাৰ লগে লগে আমি সদনত কথাখিনি ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই জনাইছিল। আমি চৰকাৰৰ পৰা এটা বিবৃতি বিচাৰিছিলো। এই ঘটনা হোৱাৰ পিছত মই আমাৰ দলৰ নিৰ্দেশ মৰ্মে অজন্তা নেওঁগ, ৰূপজ্যোতি কুৰ্মী, ৰাজুচাহু, বিস্মীতা গগৈ প্ৰমুখ্যে আমি শালমিৰা গাওঁ, শালমিৰা বাগান, শালমিৰা মুখ, যোগীবাৰী, তেলিহাল, চেলেঙী, গোবিনপুৰ এই ঠাইবিলাকৰ খবৰ ললো আৰু কিছু ঠাইত আমি নিজেই গলো তিতাবৰ, বৰহোলা, গোলাঘাট চিভিল হস্পিতাল, যোৰহাট মেডিকেল কলেজ, এই গোটেই কথা বিলাক আমি চালো যিসকলৰ মৃত্যু হৈছে সেই সকলৰ ঘৰলৈ গৈছো, এই কথাবিলাক যি সকল বিধায়কে কৈছে মই একেখিনি কথা অধ্যক্ষ মহোদয় কোৱা নাই আমাৰ কেইবাজানো আছে কব খোজা নাই, কাৰোৱাক দোষাৰোপ কৰিব খোজা নাই । আজি আলোচনা হৈছে, তেৰচ গোৱালাই খুউব হৃদয় বিদাৰক কথা কৈছে, তেওঁৰ আমাৰ দলৰ নহয় যদিও তেওঁৰ কিছু কথা সামাজিক ব্যাধিৰ কথা, সমাজ সংস্কৰণৰ কথা কৈছে মই এই কথাখিনি গ্ৰহণ কৰিছো। যদি এই আলোচনাৰ মাধ্যমেৰে এই সামাজিক ব্যাধি দূৰ কৰিবৰ কাৰণে সকলোৱে একগোট হৈ আমি সমাজ সংস্কৰণৰ যোগেদি এই বেমাৰ বিলাক দূৰ কৰিব পাৰো, আমি ভাবিম আজিৰ এই আলোচনাৰ ইয়াত সফল হৈছে। মোৰ আজি ২ বছৰ আগৰ কথা মনত পৰে, আমি এই সদনত উপস্থাপন কৰিছিলো, যে মদৰ দোকান বিলাক আপোনালোকে ৰাতিপুৱা খোলাৰ ব্যৱস্থা নকৰিব। ৰাতিপুৱা দোকান বিলাক খুলিলে সেই সকলৰ ঘৰ যি সকল লোকে মদ খাই গধুলি আহে, সেই অসহায় মহিলা গৰাকী ভাবে যে ৰাতিপুৱাটো মই ভালকৈ থাকো ৰাতিপুৱাই মদৰ দোকানখন খুলি দিলে সেই মহিলা গৰাকী আকৌ ৰাতিপুৱাই মদ খোৱা আৰম্ভ কৰিব। আমি তেতিয়া অনুৰোধ কৰিছিলো, যে আপোনালোকে ৰাতিপুৱাই যি মদৰ দোকান খুলিব বিচাৰিছে, সেই খোলাৰ যিটো নিৰ্দেশ সেই নিৰ্দেশটো আপোনালোকে বাতিল কৰক। আজি দেখা গৈছে, সঁচা নে মিছা নাজানো এই ৰাতিপুৱা মদৰ দোকান খোলাৰ কাৰণে যি ব্যৱস্থা হল চৰকাৰৰ সেই নীতি সেই policy ৰ ফলত সাধৰণতে মদ খোৱা মানুহ বিলাকে আৰু মদ খাবলৈ উদগণি পালে। চৰকাৰে যেতিয়া আমাক ৰাতিপুৱাই খুলি দিছে গতিকে আমি মদ খাবলৈ আমি উদ্‌গণি পাইছো আৰু সেই কাৰণে মদৰ প্ৰচলনটো বেছি হৈছে বোধহয় । সেই কাৰণে কৈছে যোৱা ১৫ বছৰত তিনি হাজাৰ কোটি টকা আৱকাৰী বিভাগে পাইছে, এই আঢ়ৈ বছৰত ৪ হাজাৰ কোটি টকা পাইছে এই কথাটো সঁচাকৈ ভাল খবৰ বা বেয়া খবৰ, যি সকল Expert সেই সকলে নিৰ্ধাৰণ কৰিব। আমি হিচাপটো নাজানো গতিকে এই কথা বাৰ্তা বিলাক হয়, চৰকাৰে আজি বিভিন্ন ধৰণৰ আঁচনি দিছে। সেই আঁচনি বিলাক দিয়াত আমি প্ৰসংশা কৰিছো। সেই আঁচনি বিলাক আকৌ মদৰ পইচাৰ নেকি এই কথাখিনি চাব লাগিব। গতিকে এই কথা বিলাকো মই দীঘলীয়া নকৰো। এই কথাখিনি অকণমান উপস্থাপন কৰাটো ভাল, চিন্তা কৰাটো ভাল, যে ১৮ অক্টোৱৰ

২০১২ অধ্যক্ষ মহোদয়ক মই এখন চিঠি দিছো তাত আছিল যে মানুহ এনে ধৰণে মৰিলে ২ লাখ টকা দিয়ে কিন্তু এই চৰকাৰখনে ভাল কাম কৰিছে যে ১ ফেব্ৰুৱাৰী ২০১৯ ত সেই চাৰ্কোলাৰ খন সলনি কৰি এনেধৰণে মানুহ মৰিলে ৫ লাখ টকা কৰিছে। কিন্তু কি অজান কাৰণত এই লোক সকলক ২ লাখ টকাকৈ ক্ষতি পূৰণ দিম বুলি কৈছে মৃত্যু হলে কিন্তু মই এই কথাটো বুজি পোৱা নাই। আমি বিচাৰো ১০ লাখ টকা তেওঁলোকে কৰক কিন্তু চৰকাৰৰ existing ৫ লাখ টকাৰ এটা order আছে । আমি বিচাৰিছো যে ৰাতিপুৱাই দোকান বিলাক খুলি দিছিল, সেই তেতিয়াই আমি কৈছিলো যে আমি নিজকো সমালোচনা কৰিম যে বিহাৰত এই মদ বন্ধ কৰাৰ কাৰণে তেওঁলোকৰ বহু ৰাজহ ক্ষতি হৈছে। কিন্তু ক্ষতিহোৱাৰ ফলশ্ৰুতিটো তেওঁলোকৰ সাধাৰণ মানুহৰ মৃতকৰ সংখ্যা মদ খাই কমি গৈছে। আৰু এটা সামাজিক যিটো unrest আছিলে সেইটো নাইকিয়া হৈছে। আজি কেইদিনমানৰ আগত মিজোৰামত কংগ্ৰেছৰ চৰকাৰ আছিল আৰু মিজোৰামত কংগ্ৰেছ চৰকাৰ ধাৰাশায়ী হৈ গ'ল, ৰাইজে reject কৰিলে। reject কৰাৰ অন্যতম এটা কাৰণ হ'ল যে কংগ্ৰেছ চৰকাৰখনে তাত মদৰ ব্যৱসায় প্ৰচলনটো আকৌ আৰম্ভ কৰিছিল। গতিকে এই খিনি কথাও চৰকাৰ খনে অলপ চাব লাগে। আমাৰ আগৰ মাননীয় এজন সতীৰ্থই কৈছে যে আমি সদনত নাই। সদনত আছো, কিন্তু কথাটো হ'ল ইয়াৰ লগত আপোনাৰ কিবা কংগ্ৰেছৰ দিনৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ কথা বিলাক তুলনা কৰিছে। এই কথাবিলাক আজিৰ তাৰিখত মানুহে শুনিব বিচৰা নাই। কিছুমান মানুহে কোৱাতো বিচৰা নাই, যিজনে আকৌ সেইখনৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত। হয়, মাননীয় অধ্যক্ষ মহোদয়, কিছুমান মানুহে কব পাৰে ৰঞ্জিৎ দাস ডাঙৰীয়াই কব পাৰে, আমি তেওঁক গ্ৰহণ কৰিম কাৰণ তেওঁ সদায় বিজেপি কৰি আছে, ইমান কষ্ট কৰি কৰিছে আজি পাইছে। কিছুমানে কলে মানুহে অকণমান ভাৱে যে মোৰটো সুমোৱাই থৈছে গাটো দেখা নাই বুলি ভাৱে নেকি উৎ চৰাইৰ দৰে। যোৱা কালিলৈকে সেই বিলাক কথা-বতৰাত, সেই বিলাক স্বাস্থ্যক্ষেটো তেওঁলোকে জড়িত হৈ আছিলে। আমিয়ে জড়িত হৈ আছিলো তাৰ কাৰণে আজি আমি ইয়াত বহিছো মাননীয় অধ্যক্ষ মহোদয়। গতিকে এই সময়ত কথাবিলাকৰ খোছা -খুছিতো বাদ, যদি অলপ positive কথা কয়, বাকীখিনি কথা কওঁক। কংগ্ৰেছৰ দিনত অমুক হৈছিল কওঁক, যিসকলে আজি বহু কষ্ট কৰি বিজেপিৰ মন্ত্ৰী হৈছে তেওঁলোকে এশ বাৰ কওঁক।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিটো কথাৰ উত্তৰ আছে, আমাৰ কথাখিনিৰ উত্তৰটো চৰকাৰী মন্ত্ৰীয়ে দিব পাৰে, মাজত বেলেগ মন্ত্ৰী উত্তৰ দিয়াটো আচলতে নিয়ম নহয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অন্য সদস্যই যেনেকৈ participate কৰে, মন্ত্ৰীয়ো ইয়াতে participate কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ কথা কবলৈ অনুমতি দিছো কাৰণে কব, কিন্তু মানে কৈছে যি চৰকাৰী উত্তৰটো একে বাৰে আহিলে ভাল হ'ব।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে debate ত অংশগ্ৰহণ কৰিব পাৰে। মন্ত্ৰী হৈ উত্তৰ এজনে দিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, আমি কৈছো যে চৰকাৰৰ পাচঁ লাখ টকা আপোনাৰ হাতত নটিচ এখন দিয়া আছে, আপুনি অলপ চাব যে কি কাৰণে দুই লাখ টকা আমাৰ হ'ল আৰু আমাৰ যিখিনি ঘটনা হৈছে মাননীয় অধ্যক্ষ মহোদয়, সেই কথাখিনি কাৰণে আমি কৈছিলো যে All party delegation যাব লাগে। সেইটো যদি অলপ চাই, আমি positively কৈ আছে যে আজি আমি কৈ পেলাই আকৌ অংশগ্ৰহণ কৰিছো। চৰকাৰে এই ক্ষেত্ৰত আমি ৰাজনৈতিক চিন্তাধাৰা উৰ্ধত ৰাখি

माननीय सदस्य श्री तेৰছ গোৱালা ডাঙৰীয়াই তেখেতে নিজে গোটেই কথাখিনি ভালদৰে কৈছে যে "মই এই ক্ষেত্ৰত জড়িত, মোৰ দেউতা-মা আছিলে, সামাজিক ব্যাধি। সেই সামাজিক ব্যাধিটো দূৰ কৰাৰ কাৰণে আন্তৰিকতাৰে আমাৰ চেষ্টা কৰক, সেই ক্ষেত্ৰত আমি আছো। গতিকে মাননীয় অধ্যক্ষ মহোদয় এই ক্ষেত্ৰত আমাৰ দলৰ ফালৰ পৰা কিবা কৰিবলগীয়া আছে, চৰকাৰক আমি positively সহায় কৰিম। খালী এই ক্ষেত্ৰত বিৰোধী জড়িত, বিৰোধীয়ে এই বিলাক কৰিছে, সেই কথাবিলাক কোৱাতো ঠিক হোৱা নাই। আমি তেওঁলোকক নকওঁ জড়িত বুলি। আচল যি আছে sitting judge এজনৰে High Court ৰ enquiry কৰি ব্যৱস্থা লওঁক যি হৈ হ'ব। তাত কংগ্ৰেছৰ মানুহ থাকিব পাৰে, বিজেপিৰ মানুহও থাকিব পাৰে, যিকোনো মানুহ থাকিব পাৰে, তাৰ ব্যৱস্থা গ্ৰহণ হওঁক, ৰাইজে ভাল পাব। সামাজিক ব্যাধিৰ ক্ষেত্ৰত এইটো ৰোধ কৰিবৰ কাৰণে বিহাৰে পাৰে, ইয়াৰ কাৰণে মিজোৰামত আমি হাৰিছো, আমাৰ ইয়াত মদৰ পইচাটো বাদ দিব নোৱাৰে। আহক, আমি সকলোৱে কৈ আছো যে মদৰ পইচা আমাক নালাগে। এতিয়া এনেকুৱা হৈছে চাৰি হাজাৰ কোটি টকা মদত পাইছে। আকৌ আমি তাতে অনুদান দিছো। মানুহ থাকিলেহে, মানুহ যদি মদ খাই খাই মৰি থাকে। তাৰ পিছত অনুদান বিলাক বিলাম কাক আমি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পূব গুৱাহাটী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিগত তিনি, চাৰিদিন ধৰি বিশেষকৈ আমাৰ যোৰহাট জিলা আৰু গোলাঘাট জিলাৰ বিভিন্ন অঞ্চলত বিশেষকৈ চাহ বাগিচা অঞ্চলত "**বিষাক্ত সুৰা সেৱন**" কৰি প্ৰায় **১৫০** জনতকৈ অধিক ব্যক্তি মৃত্যু হোৱাতো আমাৰ বাবে মৰ্মান্তিক আৰু হৃদয় বিদাৰক।

এতিয়া বিশেষভাৱে সকলোৱে কৈছে যে আমি বৰ্তমান এই সমাজত, বৰ্তমান যিটো ব্যাধি, এই ব্যাধিটো নিৰ্মূল কৰাৰ ক্ষেত্ৰত এখন সুস্থ সমাজ গঢ়াৰ ক্ষেত্ৰত আমি সকলোৱে কিন্তু গুৰুত্বপূৰ্ণ ভুমিকা লব লাগিব। কাৰোবাক দোষ জাপি দি আমি যদি সকলোৱে এই ক্ষেত্ৰত পিছুৱাই থাকো, মই ভাৱো যে আমাৰ যিটো লক্ষ্য, সেই লক্ষ্যত আমি উপনীত হ'ব নোৱাৰিম, এই ক্ষেত্ৰত এখন চৰকাৰৰ যথেষ্ট দায়িত্ব থাকে। বিশেষভাৱে গোলাঘাট জিলা বা যোৰহাট জিলাত এই যিটো বিষাক্ত সুৰাপান কৰি আজি ইমান মানুহৰ মৃত্যু হ'ল। ইয়াৰ কাৰণটো উদ্ভাৱন কৰিব লাগে যে ইয়াৰ কাৰণ কি ? আমি জনা মতে চৰকাৰে গোলাঘাট, যোৰহাট, শিৱসাগৰ ,ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত এই লালীগুৰতো নিষিদ্ধ কৰা হৈছে। যদি নিষিদ্ধ কৰাই হৈছে তেনেহ'লে এই লালীগুৰতো কৰপৰাই আহিল। এই লালীগুৰতো কোন ব্যৱসায়ীয়ে কৰ পৰা আনিলে, এইটো উৎঘাটন কৰিব লাগিব। আমি জনাত এই লালীগুৰ অসমৰ বাহিৰৰ পৰা বিশেষকৈ বিহাৰ, ইউপিৰ পৰা আহে। এতিয়া বিহাৰ, ইউপিৰ যেতিয়া লালীবোৰ নিষিদ্ধ কৰা হৈছে, সেই ৰাজ্য সমূহত। তেতিয়া কেনেকৈ এই লালীগুৰ আনি আজি এই জিলাবিলাকত তেওঁলোকে এই ব্যৱসায় কৰিবলৈ সক্ষম হ'ল। মই ভাৱো যে এই ক্ষেত্ৰত চৰকাৰ কঠোৰ হ'ব লাগিব। যোৱা কালি মই TV ত চাইছো যে যোৱা কালি আৰকাৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যোৰহাট, গোলাঘাট পৰিদৰ্শণ কৰিলে, মেডিকেলতো গ'ল। তেতিয়াহৈকে জনসাধাৰণতে যিটো দাবী কৰি আছে, কেইজনমান ব্যৱসায়ীৰ নাম কৈ আছে আৰু সেই ব্যৱসায়খিনিক গ্ৰেপ্তাৰ কৰিব লাগে বুলি মন্ত্ৰীক দাবী জনাব লগীয়া হৈছে। এতিয়া মোৰ কথা হ'ল যদি তেনেধৰণে কোনোবা ব্যৱসায়ী এই লালীগুৰত জড়িত আছিল, মন্ত্ৰীয়ে নিৰ্দেশ দিব লাগে নেকি ? এইটো পুলিচ প্ৰশাসনৰ দায়িত্ব নহয় নেকি, যে মন্ত্ৰীয়ে সদায় নিৰ্দেশ দিব আৰু তেতিয়াহে পুলিচ প্ৰশাসনে কাম কৰিব, তেতিয়াতো আৰু এই অৰাজকতা হ'বই। গতিকে মই ভাৱো যে যিয়ে

এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা নাই আৰু কিয় এই ঘটনা সংঘটিত হোৱাৰ পিছতো নিৰবে বহি আছিল, কিয় ব্যৱসায়ী সকলৰ নাম ৰাইজে দিয়াৰ পিছতো গ্ৰেপ্তাৰ কৰা হোৱা নাছিল, এই ক্ষেত্ৰত কিন্তু এটা তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। বিশেষভাৱে এতিয়া আমাৰ যিবিলাক স্থানীয় সুৰা প্ৰস্তুত কৰা হয়, সেই সুৰাত মই জানিব পৰা মতে ইউৰিয়া, এচিড ব্যৱহাৰ কৰে। তাৰ পিছত বিভিন্ন তেনেধৰণৰ বিষাক্ত বস্তু ব্যৱহাৰ কৰা দেখা গৈছে। আমাৰ মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা ডাঙৰীয়াই হৃদয় বিদাৰক কিছু কথা কৈছে। এইটো বৃটিছৰ দিনৰে পৰাই চলি অহা এটা পৰম্পৰা বুলি কৈছে। মই মানি লৈছো হয় এইটো এটা কৃষ্টি, পৰম্পৰা। কিন্তু মোৰ কথাটো হ'ল যে বৃটিছৰ দিনত যে তেওঁলোকে এই সুৰা সেৱন কৰি আহিছিল, আজি এই কথাটো কিয় আহিল? বিগত দিনত ইমান সংখ্যক মানুহৰ কিন্তু মৃত্যু হোৱা নাছিল আৰু সেই সময়ত মানুহৰ মানসিকতা আৰু ব্যৱসায়ীৰ যি মানসিকতা আছিল আজি কিন্তু সেই মানসিকতা নাই। মৃত্যুৰ সংখ্যা যে আজি ইমানখিনি বৃদ্ধি পালে ইয়াৰ কাৰণটো কি? আমাৰ মানসিকতাৰো পৰিবৰ্তন হ'ব লাগিব। পৰিবৰ্তন কি দৰে হৈছে, মই ব্যৱসায় কৰিছো মোৰ উপাৰ্জন বেছি হ'ব লাগে, মোৰ লাভটো বেছি হ'ব লাগে, গতিকে লাভটো আৰু উপাৰ্জন বৃদ্ধি হ'ব লাগিলে যিকোনো দ্ৰব্য ব্যৱহাৰ কৰি হ'লেও মই ধনী হ'ব লাগে। আমাৰ আজিৰ মানসিকতা হৈছে সেইটো আৰু মই ক'ব নিবিচাৰো যে অকল ব্যৱসায়ী বা মদ্যপান কৰা ব্যক্তি সকলেই দোষী। আমাৰ ৰাজনৈতিক নেতা সকল ও কিন্তু কিছু ক্ষেত্ৰত আমি দোষী। আমি ৰাজনৈতিক নেতা সকলেও আমি বিভিন্ন সময়ত আমিও কিন্তু অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰি আহিছো। গতিকে মই ভাৱো যে যিখিনি আলোচনা কৰা যায় আমি সেইখিনি পৰিস্কাৰ ভাৱে আলোচনা কৰা ভাল। আমি যদি এই যিটো ব্যৱস্থা এই ব্যৱস্থাৰ যদি পৰিবৰ্তন কৰিব লাগে সকলোৰে কিন্তু সহযোগিতা লাগিব আৰু বিশেষ ভাৱে মন্ত্ৰী মহোদয়ক আজি দুদিন আগত আমাৰ মাননীয়া সদস্যা শ্ৰীমতী সুমন হৰিপ্ৰিয়াই যেতিয়া চুলাই মদৰ কথা উলিয়াইছিল মই কিছু পৰামৰ্শ দিছিলো। আমি ভাৱো যে এইক্ষেত্ৰত চৰকাৰৰ এখন কঠোৰ আইন আছে। কিন্তু কঠোৰ এখন আইন থকাৰ পিছতো চৰকাৰে সেই আইন অনুযায়ী কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে নে নাই? আবকাৰী বিভাগে, পুলিছ বিভাগে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে নে নাই? এইক্ষেত্ৰত কিছু সংখ্যক ৰাজনৈতিক নেতা ও দায়ী। মই এটা সৰু উদাহৰণ দিব বিচাৰিছো। বৰপেটাৰ সোনকুছি গাওঁত আজি কিছুদিন আগত এনেধৰণৰ চুলাই মদ বিক্ৰী কৰি আছিল। পুলিছ গৈ চুলাই মদ বিক্ৰী কৰি থকা জনক আটক কৰি থানাত আনিলে। থানালৈ অনাৰ কেইমূহুৰ্তমান পিছতেই কোনোবাই থানালৈ ফোন্ কৰিলে আৰু ফোন কৰাৰ লগে লগে পুলিছে সেই অপৰাধী জনক গাড়ীৰে নি ঘৰত থৈ আহে। গতিকে আজি আমাৰ এনেকুৱা অৱস্থা। যদি এইবিলাক চলি থাকে তেনেহ'লে আমি এইবিলাক ৰোধ কৰিব নোৱাৰিম আৰু ৰোধ কৰাতো কেতিয়াওঁ সম্ভৱ নহ'ব। গতিকে মই ভাৱো আবকাৰী বিভাগৰ যিসকল ব্যক্তি আছে তেওঁলোকৰ, পুলিছৰ মানসিকতা ভাল হ'ব লাগিব। মই গোটেই পুলিছ বা আবকাৰী বিভাগক কোৱা নাই। সকলোতে বেয়া মানুহ আছে। মোৰ সমষ্টিৰো কিছু অঞ্চলত চুলাই মদ বিক্ৰী কৰি আছে। এই চুলাই মদ বিক্ৰী কৰাৰ কাৰণে অসামাজিক কাম, ক্ৰিমিনেল একটিভিটিজ বৃদ্ধি পাইছে। পুলিছক যেতিয়া আমি ফোন কৰো পুলিছে আগতীয়াকৈ জনাই দিয়ে যে আজি raid কৰিব যাম। কাৰণ তেওঁলোকৰ মাজত কমিশ্যনৰ অংক আছে। এইবিলাক কথা যদি আমি নাপাতো, মই জনা কথাখিনি যদি বিধান সভাত নকওঁ তেন্তে মই ভাৱো যে মই ও এটা পাপ কাম কৰিছো। যদি এইবিলাক কৰিব লগীয়া হয় তেন্তে বিভাগটো ভাল হ'ব লাগিব, মানসিকতাৰ পৰিবৰ্তন আনিব লাগিব আৰু যদি আমি আনিব পাৰো তেতিয়াহ'লে আমি নিশ্চয় এইক্ষেত্ৰত কৃতকাৰ্য্য হ'ব পাৰিম।

বিশেষকৈ বিহাৰখন যদি আজি dry state কৰিব পাৰে, আমাৰ চৰকাৰখনেও অসমখনক dry state কৰক। dry state কৰি আমি চাওঁ যে সুফল পোৱা গৈছে নে নাই? বিশেষভাৱে ৰাজহৰ ক্ষেত্ৰত যিটো হৈছে আবকাৰী বিভাগৰ পৰা এইবিলাক কৰি ৰাজহ বৃদ্ধি কৰিব নালাগে। বহু উপায় আছে। প্ৰয়োজন হ'লে কৰবাত ইয়াত যদি তেনেধৰণৰ এটা আলোচনা কৰে এইটো বৃদ্ধি কৰাত আমাৰ আপত্তি নাই। কিন্তু আজি জেনেৰেশ্যন বাই জেনেৰেশ্যন যিটো ধ্বংস হ'বলৈ গৈ আছে এইটো সম্পূৰ্ণ ৰূপে বন্ধ হোৱাটো মই বিচাৰো। আজি যিসকল লোকৰ মৃত্যু হ'ল তেওঁলোকৰ আত্মাৰ সদগতি কামনা কৰিছো, পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছো আৰু লগতে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হওঁক যে এই ঘটনা বিলাক কি দৰে হ'ল, কি ভাৱে উদ্ভৱ হ'ল, কিয় এই ঘটনা বিলাক বৃদ্ধি পাবলৈ ধৰিছে? এই গোটেই বিলাক চাবৰ কাৰণে যদি এটা উচ্চ পৰ্য্যায়ৰ কমিটি গঠন কৰে মই ভাৱো যে অনাগত দিনত কেতবোৰ বিশেষ ব্যৱস্থা ল'বৰ কাৰণে চৰকাৰ নিশ্চয় সক্ষম হ'ব। ইতিমধ্যে সকলোৱে কৈছে যে ২ লাখ টকাৰ সাহাৰ্য্যটো যদি ৫ লাখলৈ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰে তেনেহ'লে যথেষ্ঠ ভাল হ'ব আৰু যিসকল চিকিৎসালয়ত আছে তেওঁলোককো যদি এটা আৰ্থিক সাহাৰ্য্য দিয়া হয় তেনেহ'লে নিশ্চয় পৰিয়ালটোৱে কিছু সকাহ পাব। এইখিনি কথা মই আপোনাৰ ওচৰত ব্যক্ত কৰি আপোনাৰ জৰিয়তে মাননীয় মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট আৰু যোৰহাট জিলাত যি দূভাৰ্গ্যজনক ঘটনা সংঘটিত হ'ল তাত মৃত্যুবৰণ কৰা সকলো ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো আৰু তেওঁলোকৰ বিদেহী আত্মাৰ সদগতি কামনা কৰিছো আৰু যিসকল লোক এতিয়াও চিকিৎসাধীন হৈ আছে তেওঁলোকৰ আশু আৰোগ্যৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো আৰু এনেকুৱা ঘটনাৰ পুনৰাবৃত্তি নহওঁক তাৰ বাবেও ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিছা বা চাহ জনগোষ্ঠীৰ লোক মৃত্যু বৰণ হোৱা এই বিষয়টো ইয়াত উত্থাপন হৈছে। ইতিমধ্যে মাননীয় সদস্য শ্ৰী টেৰছ গোৱালা ডাঙৰীয়াই কৈছে যে অসমীয়া এগৰাকী ব্যক্তি বা ভাৰতীয় নাগৰিক এজনৰ মৃত্যু হৈছে তেনেকুৱা দৃষ্টি ভঙ্গীৰে এইটো গ্ৰহণ কৰাতো দৰকাৰ। আজি বিধান সভাত প্ৰত্যেকটো দলৰ সদস্য সকলে ইয়াত এই বিষয়টো আন্তৰিকতাৰে আলোচনা কৰিবৰ বাবে সকলোৱে নিজৰ নিজৰ মনৰ কথাখিনি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, যদি মই ও নিজকে এই সমাজখনৰ লগত জড়িত কৰাও, আমি কেতিয়াও বিধান সভাত নিবিচাৰো যে মই এই সমাজৰ পৰা অহা এজন ব্যক্তি হিচাবে এইটো বিষয় কোনোবা দিনা বিধান সভাৰ মজিয়াত আলোচনা হওঁক। আমি এই আলোচনাত বিচাৰো যে আমাৰ এ. চি. এচ. , আই. এচ অফিচাৰ হ'ব পৰা যায় নেকি? মাননীয় অধ্যক্ষ মহোদয়, আমি আলোচনা এইকাৰণেই কৰিব বিচাৰো যে আমাৰ ACS, IAS আমাৰ শৈক্ষিক উত্তৰণ, সাংস্কৃতিক বিকাশ, অৰ্থনৈতিক উন্নয়ণ কেনেকৈ হ'ব সেই সমূহ আলোচনা আমি বিধান সভাৰ ভিতৰত বিচাৰো। এনেকুৱা এটা দুৰ্ভাগ্যজনক বিষয়ৰ ওপৰত আলোচনা কৰিবলৈ আমাৰ কাৰণে আনন্দৰ বিষয় নহয়। আমাৰ কাৰণে বহু শিক্ষিত সমাজত নতুন ধাৰাৰ সৃষ্টি হৈছে. নতুন প্ৰজন্মৰ যুৱক-যুৱতী সৃষ্টি হৈছে, যি ধাৱমান হৈছে, তেওঁলোকে আলোকৰ যাত্ৰা কৰিছে। তেওঁলোকে নিজকে একেবাৰে উন্নত সমাজৰ লগত আগবাঢ়ি যাব পৰাকৈ এটা প্ৰতিযোগিতা আৰম্ভ কৰিছে। যি সময়ত আমি চৰকাৰখনৰ পৰা বিভিন্ন সুবিধা আদায় কৰি এক উত্তৰণৰ কথা চিন্তা কৰিছো তেতিয়া এই কথাবোৰ আমাৰ দৃষ্টিগোচৰ হয় আৰু আমি যথেষ্ট মৰ্ম্মাহত হওঁ। আমি অনুভৱ কৰো যে সমাজখন কোন স্তৰত আছে। এই বিষয়খিনি আজি ইয়াত যি ধৰণে আলোচনা কৰা হৈছে

যে সুৰাপান কৰি মৃত্যু হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, ইয়াত সুৰাপান কৰি নহয়, আমি ইয়াৰ কাৰণটো বিশ্লেষণ কৰিব লাগিব আৰু বিধান সভাই ও এই বিষয়ে বিশ্লেষণ কৰিব লাগিব। চাহ বাগিচাৰ শ্ৰমিক সকলক যেতিয়া বৃটিচে ইয়ালৈ আনিছিল, তেওঁলোকক বন্ধোৱা শ্ৰমিক হিচাপে ৰাখিছিল। তাত Organise ভাৱে তেওঁলোকৰ ওপৰত শোষণ কৰা হৈছিল। তেওঁলোকক কম পইচাত দৰমহা দি কেনেকৈ এটা জাগাত কেনেকৈ কম্পেক্ট ব্যৱস্থাত ৰাখিব পৰা যায়? তেওঁলোকক বিভিন্ন অঞ্চলৰ পৰা অনা হৈছিল যাতে তেওঁলোকৰ মাজত ভাষাৰ আদান-প্ৰদান নহয় আৰু তাত Organise ভাৱে মদৰ প্ৰচলন কৰা হৈছিল যাতে মদ খাই চিন্তা কৰিব নোৱাৰে। কেৱল মাত্ৰ চাহ বাগিচাত কাম কৰিয়েই জীৱন অতিবাহিত কৰিব। এইটোৱেই পৰিৱেশ আছিল। তাৰ পিছত ১৯৪৭ চনত ভাৰত স্বাধীন হ'ল আৰু সকলো ৰাজ্যত স্বাধীনতা উপলব্ধি হ'ল। সকলো মানুহে স্বাধীনতা উপলব্ধি কৰিলে। কিন্তু চাহ বাগিচাত স্বাধীনতা আহিল নে নাই। তাত স্বাধীনতাৰ ক্ষেত্ৰত double standard কৰা হ'ল নেকি? তাত চাহবাগিচাৰ শ্ৰমিক সকলক দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে double standard কৰা হ'ল। কিন্তু সেই সময়ৰ চৰকাৰে কোনো উপলব্ধি নকৰিলে। তাত তেওঁলোকৰ যেনেকৈ ব্যৱস্থা আছিল State within the State হৈ গ'ল। Tea State কোৱা হ'ল। এখন ৰাজ্যৰ ভিতৰত এখন সৰু ৰাজ্য হৈ গ'ল চাহ বাগিচাসমূহ। য'ত অসম চৰকাৰৰ আইন কানুন তাত নচলা হ'ল। তাত আইন কানুন চাহ বাগিচাৰ মালিক সকলৰ চলে। আমি তেওঁলোকক মুকলিভাৱে কাগজ দিলো যে আপোনালোকে নিজৰ মতে চলক। তাত চৰকাৰৰ দায়িত্ববোধৰ কথা নাহিল। তাত free hand কিয় দিয়া হ'ল? আজি সকলো ঠাইত বিদ্যালয়, চিকিৎসালয়, যোগাযোগৰ বাবে ৰাস্তা, বিজুলী যোগানৰ ব্যৱস্থা কৰা হ'ল। কিন্তু চাহ বাগিচাৰ ভিতৰত এইবোৰ কিয় কৰা নহল? এটা Organise ভাৱে শ্ৰমিক সকলক শোষণ কৰাৰ এটা পৰিৱেশ সৃষ্টি কৰা হ'ল। আপুনি যদি শ্ৰম বিভাগৰ Notification সমূহ চাই আপুনি দেখিব কি ধৰণে discriminate কৰা হয়। আপুনি যদি গোটেই চৰকাৰৰ ব্যৱস্থাটো চাই, কেনেকৈ চৰকাৰে এই মানুহবিলাকক ৰাখিছে আপুনি দেখিব যে ইয়াৰ ইতিহাস বহু দূৰৰ পৰা জড়িত হৈ আছে। আজিৰ এটা দিনত resolution ল'লে একো নহয়। পৰামৰ্শ সকলোৱে দিব পাৰে। তেৰছ গোৱালা ডাঙৰীয়াই কৈছে, যে আমিও আটছা কৰি আহিছো। আমাৰো resolution আছিল যে লালী গুড় বন্ধ কৰিব লাগে। মদ নিবাৰণী কাৰ্য্যসূচী গ্ৰহণ কৰিব লাগে। আজি মদ নিবাৰণী কাৰ্য্যসূচী কৰিবলৈ যাওঁতে আটছাৰ সদস্য সকলে কেনে ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হৈছে। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী যোৰহাট জিলাৰ পৰা আছিল। মই যেতিয়া আটছাৰ সাধাৰণ সম্পাদক আছিলো চিনামৰা চাহ বাগিচাত আমি যেতিয়া মদৰ গাড়ীখন ভাঙিবলৈ গৈছিলো, ভাঙিবলৈ যোৱা ল'ৰাবিলাকক জেলত দিয়া হৈছিল আৰু তেওঁলোক জেলত থাকিবলগীয়া হৈছিল। মই তেওঁলোকে কি কাৰণে জেলত থাকিবলগীয়া হৈছিল সেই কথাটো ক'বলৈ টান পাইছো। আজি য'ত ঘটনাটো ঘটিছিল তাৰ কাষতে আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়া যি গৰাকী ১৫ বছৰ শাসনত আছিল। তাত তিতাবৰ মহকুমা হ'ল, উন্নয়ণৰ কথা হ'ল। তাৰ কাষতে এই ঘটনাটো ঘটিল। অবৈধ বেহা তাত হৈ আছিল। কিন্তু কাৰো দৃষ্টিগোচৰ হোৱা নাছিল। আমাৰ গোলাঘাট জিলাত এই ঘটনা ঘটিছে। তাৰ কাষত মন্ত্ৰীৰ সমষ্টি আছিল। শালমাৰা চাহবাগিচা মূল চহৰৰ পৰা মাত্ৰ কেই মিটাৰমান দূৰত। এই অবৈধ বেহা মে মাহৰ ২০১৬ চনৰ পৰা হৈছে নেকি? আজি যিসকল লোকে অবৈধ সুৰা গ্ৰহণ কৰিছিল তেওঁলোকৰ বয়সখিনি চাওঁক আৰু কিমান বচৰৰ পৰা এই সুৰা গ্ৰহণ কৰি আছিল সেইটো বিশ্লেষণ কৰি চালে আপোনালোকে গম পাব যে কেতিয়াৰ পৰা কেতিয়ালৈকে অবৈধ সুৰা গ্ৰহণ কৰি আছিল। It is all Organise. আজি বহুত ধৰণৰ

কথা আহিছে। মই বিনম্ৰভাৱে কথা ক'ব বিচাৰিছো যে আজি অসমত বহুত ডাঙৰ ডাঙৰ আন্দোলন হৈছে। আমি ৰাজনৈতিক নেতা হিচাপে মদৰ বিৰুদ্ধে আন্দোলন কৰিব নোৱাৰো নেকি ? আমি নিজৰ সমষ্টিসমূহত বহুত ডাঙৰ ডাঙৰ ৰেলী কৰো। সেই ৰেলীসমূহত মদ নিবাৰণী আন্দোলন কৰিব নোৱাৰো নেকি ? আমাৰ নেতৃত্বত আমি অবৈধ সুৰাৰ বিৰুদ্ধে পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰো নেকি ? আমি প্ৰকৃততে পাৰো। কিন্তু আমাৰ সদিচ্ছাৰ অভাৱ আছে কাৰণে সেই বিষয়টো আমাৰ বাবে গুৰুত্বপূৰ্ণ বিষয় নহয়। আজিৰ বিধান সভাত resolution লওঁক যে প্ৰতি গৰাকী বিধায়কে নিজৰ নিজৰ সমষ্টিত নেতৃত্ব লওঁক যাতে তেওঁৰ সমষ্টিত অবৈধ সুৰা উচ্ছেদৰ বাবে আৰু কওঁক যে মই অবৈধ সুৰাৰ বিৰুদ্ধে নেতৃত্ব লৈছো। এইখিনি ঘটনা অবৈধ সুৰা বনোৱা লোকৰ বাবে হৈছে। বৈধ সুৰাৰ বাবে হোৱা নাই। য'ত অবৈধ ভাৱে বনোৱাৰ ব্যৱস্থা কৰা হৈছে য'ত চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো যে আপুনি এটা ব্যৱস্থা গ্ৰহণ কৰক যাতে মাননীয় সদস্যসকলে নিজৰ সমষ্টিত নেতৃত্ব লৈ যাতে তেওঁৰ সমষ্টিত অবৈধ সুৰা উচ্ছেদৰ বাবে । আমি বৰ্তমান এক লাখ ছাব্বিশ হাজাৰ মহিলা আত্ম সহায়ক গোটক অনুদান দিছো। সেই মহিলা আত্ম সহায়ক গোটক যদি আমি কওঁ নিজৰ নিজৰ সমষ্টিত আপোনালোকে আমাৰ লগত অংশ গ্ৰহণ কৰক। তেওঁলোকে নিশ্চয় গ্ৰহণ কৰিব। যদি এনেকুৱা ধৰণৰ পদক্ষেপ গ্ৰহণ কৰো তেতিয়াহে মদ নিবাৰণী কাৰ্য্যসূচী গ্ৰহণ কৰিব পাৰিম। দ্বিতীয় কথাটো হৈছে যে যিসমূহ লাইনত এই ঘটনাসমূহ হৈছে আপোনালোকে দেখিব যে তাত একেবাৰে শিক্ষাৰ প্ৰসাৰ নাই আৰু শিক্ষা গ্ৰহণৰ কোনো পৰিৱেশ নাই। সেই কাৰণে মই মাননীয় বিধায়কসকলক অনুৰোধ জনাওঁ যে সেইখিনি অঞ্চলত যদি আমি নিজাববীয়াকৈ সজাগতা শিবিৰসমূহ পাতো এইবাৰ লোকসভা নিৰ্বাচনৰ বাবে আমি নিজৰ সমষ্টিত বক্তৃতা দিওঁতে আশা কৰিম যাতে মদ নিবৰণীও এটা ৰাজনৈতিক বক্তব্য থাকে। যাতে মানুহে আমাক চাই উপলব্ধি কৰিব। আজি বিভিন্ন ক্ষেত্ৰত দেখা পাওঁ যে বিভিন্ন লোক এই মদ নিবাৰণীৰ ব্যৱস্থা কৰিবৰ বাবে নিজে নিজে ওলাই আহিছে।আজি এটা পৰিৱেশ হৈছে। আজি এটা সুৰ্বণ সুযোগ যে বিধান সভাই সিদ্ধান্ত ল'ব লাগে যে যেতিয়া ২৬ তাৰিখে বিধান সভা শেষ হ'ব ,২৭ তাৰিখৰ পৰা বিধায়ক সকলে নিজৰ নেতৃত্বত নিজৰ নিজৰ সমষ্টিত মদৰ ঘাটিমূহ উচ্ছেদ কৰাৰ বাবে পদক্ষেপ লয়। তেতিয়া এটা নতুন পৰিৱেশ হ'ব আৰু মানুহে বুজিব যে আমি কিমান গুৰুত্বপূৰ্ণ আৰু কিমান দায়বদ্ধ। আমি যদি ইয়াত ভাষণ দি টি. ভি. ৰ আগত কওঁ সেইখিনি আমাৰ মানুহে গুৰুত্ব উপলব্ধি নকৰে। আমাৰ মাননীয় সদস্য তেৰছ গোৱালা ডাঙৰীয়াই কৈছে যে একেলগে ১৩০ গৰকী ব্যক্তিৰ মৃত্যু হৈছে আমি দুখ প্ৰকাশ কৰিছো। প্ৰত্যেক দিনাই প্ৰত্যেক অঞ্চলত একোজনকৈ মুঠ ১২৬ জন লোকৰ মৃত্যু হয়। কিন্তু তেতিয়া আমাৰ গুৰুত্ব নাই। এতিয়া এখন ঠাইত শতাধিক লোকৰ মৃত্যু হোৱাৰ বাবে আমি গুৰুত্ব প্ৰদান কৰিছো। আজি মই যিখিনি বক্তব্য ৰাখিছো সেইখিনি মই মোৰ কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰিছো নে নাই, তাৰ ওপৰত মই বিশ্লেষণ কৰিবই লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই এই সমাজৰ এগৰাকী ব্যক্তি হিচাপে সকলোকে অনুৰোধ কৰিছো যে তেওঁলোকৰ যি সদিচ্ছা সেইটো সমাজে উপলব্ধি কৰিব পৰাকৈ বহিঃপ্ৰকাশ কৰক । এই ক্ষেত্ৰত আবকাৰী বিভাগ, গ্ৰামোন্নয়ন বিভাগে Self-Help Group বোৰৰ সহায়ত তথা গৃহ-বিভাগ, বিধায়ক সকল আৰু ৰাজনৈতিক দলসমূহৰ সহযোগিতাত একত্ৰিতভাৱে মদ নিবাৰণী কাৰ্যসূচীটো ৰূপায়ণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিলে আমাৰ সমাজৰ বাবে ভাল হ'ব। এইখিনিৰ জৰিয়তে মই মোৰ মনৰ দু-আষাৰ কৈ বক্তৃতা সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ কথাখিনি ঠিকেই আছে আৰু আমাৰ নিজৰো বুজিবলৈ বহুত বাকী

আছে।

এতিয়া, শ্ৰী ৰূপজ্যোতি কুৰ্মী। Please keep your speech in analytical way.

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই গোলাঘাট আৰু যোৰহাট জিলাৰ চাহ-বাগিচা অঞ্চলৰ মোৰ জ্ঞাতি, ককা-আইতা, বৰদেউতা-বৰমা, দাদা-বৌ বা বন্ধু-বান্ধৱী যি সকল ঢুকাইছে তেওঁলোকৰ আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো আৰু পৰিয়াল বৰ্গলৈ আমাৰ তৰফৰ পৰা সমবেদনা জ্ঞাপনকৰিছো। এনে ঘটনা পুনৰ নহওঁক তাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো। মই ভাৱিছিলো, চৰকাৰী পক্ষৰ পৰা মাননীয় মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া, মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়া আৰু চাহ-জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা মাননীয় মন্ত্ৰী শ্ৰী পল্লৱলোচন দাস ডাঙৰীয়াই Adjournment Motion ৰ পিছত ২ মিনিট সময়ৰ বাবে থিয় হৈ মৌনতা অৱলম্বন কৰি মৃতকৰ আত্মাৰ সদ্‌গতিৰ হকে প্ৰাৰ্থনাৰ বাবে সদনক আহ্বান জনাব কিন্তু এনে নহ'ল । লগতে শাসকীয় পক্ষৰ পৰা কোনোবা এজন সদস্যই এই বিষয়ে আহ্বান কৰিব বুলি ভাৱিছিলো য'ত তেওঁলোকৰ মৃতকৰ প্ৰতি সহানুভূতি, গম্ভীৰতাৰ প্ৰতিফলন হ'লহেঁতেন। কিন্তু এইটোও দেখিবলৈ পোৱা নগ'ল। গতিকে অধ্যক্ষ মহোদয়, এটা প্ৰাৰ্থনা হ'লে ভাল হয়।

**মাননীয় অধ্যক্ষঃ** আমি শেষত কৰিম।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সতীৰ্থ বন্ধু বৰ্তমানৰ মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই সুধিছে যে বিষয়টো উত্থাপন কৰি CNP leader, Deputy Leader, Rupjyoti Kurmi ক'ত গ'ল ? অধ্যক্ষ মহোদয়, আমি ক'তো যোৱা নাছিলো, আচলতে আমি অসমৰ ৰাইজৰ স্বাৰ্থত তথ্য সংগ্ৰহ কৰি আছিলো। আমাৰ হাতত বহুত তথ্য আছে কিন্তু আমি ভুল তথ্য দাঙি ধৰিব নোৱাৰো। সেয়েহে আমি তথ্য সংগ্ৰহ কৰিবৰ বাবে Lobby ত বহি আছিলো। মই ভাৱিছিলো যে আজিৰ এই বিষয়টোৰ বাবে অসমৰ মাননীয় মুখ্যমন্ত্ৰী সোণোৱাল মহোদয়ৰ লগতে মাননীয় স্বাস্থ্য মন্ত্ৰী সদনত উপস্থিত থাকিব আৰু তেওঁলোকে আমাক এই সম্পৰ্কত যি পৰামৰ্শ আছে সেইবোৰ আগবঢ়াবলৈ ক'ব, আলোচনা বিচাৰিব, কিন্তু তেওঁলোক আজি সদনত নাই। এওঁলোকে সদায় সব্‌কা সাথ, সব্‌কা বিকাশ, পাহাৰ-ভৈয়াম, বৰাক-ব্ৰহ্মপুত্ৰৰ কথা সদনত কয় কিন্তু আজিৰ ইমান গুৰুত্বপূৰ্ণ বিষয় এটা আলোচনা কৰাৰ বাবে এওঁলোক সদনত উপস্থিত নাই। গতিকে, আমি কাক ভৰসা কৰি আজিৰ এই আলোচনা কৰি আছো ?

**মাননীয় অধ্যক্ষঃ** আমি আছো নহয়। আপোনাৰ মূল কথাখিনি কওঁক।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আমাৰ সন্মানীয় বিধায়ক শ্ৰী তেৰশ গোৱালা ডাঙৰীয়াই অলপতে কৈছে যে আমি হেনো আলোচনাৰ বাবে মাছৰ বজাৰৰ নিচিনা পৰিস্থিতিৰ সৃষ্টি কৰি ২ ঘন্টা সময় নষ্ট কৰিছো। কিন্তু, অধ্যক্ষ মহোদয়, আমি ৰাতিপুৱাই প্ৰশ্নকালীন ঘণ্টাৰ আৰম্ভণিতে Adjournment Motion দিছিলো যে এই বিষয়ত আলোচনা হ'ব লাগে। আমি যোৱাকালিৰ পৰাই বাগানে বাগানে ঘূৰি ফুৰিছো, মানুহৰ খবৰ ল'বলৈ হস্পিতাললৈ গৈছো । কিন্তু এই লোকসকলৰ দুখ সেইগৰাকী ব্যক্তিয়ে কেনেকৈ বুজি পাব যি গৰাকী ব্যক্তিয়ে খবৰ ল'বলৈ গোলাঘাট নগ'ল, বৰহোলা নগ'ল কিন্তু তাৰ বিপৰীতে তেওঁ 'কাছা -চোনা' নামৰ অনুষ্ঠানত নৃত্য কৰি ফুৰিছে আৰু আন কোনো বিধায়কে ডিব্ৰুগড়ত গান গাই ফুৰিছে।

**মাননীয় সদস্য শ্ৰী তেৰশ গোৱালা (দুলীয়াজান)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি নৃত্য কৰিবলৈ যোৱা নাই, আমি তাত মদৰ বিৰুদ্ধে কথা কৈছিলো।

**माननीय अध्यक्षः** ঠিক আছে। Rupjyoti Kurmi, you have every right to criticize. কিন্তু আমাৰ আজিৰ আলোচনাটোত মূল কথাবোৰ ক'লে ভাল হয়। এতিয়ালৈকে আপুনি criticism কৰি কথাবোৰ কৈ আছে আৰু এনেধৰণেৰে আলোচনাৰ main purpose সম্পূৰ্ণ নহয়।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আজি ফুটবলৰ ফাইনেল আছে আৰু খেল চাবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া গৈছে, য'ত চিঞৰ বাখৰ হ'ব, হাত-চাপৰি বজাব। কিন্তু অধ্যক্ষ মহোদয়, ইফালে মানুহৰ মৃত্যুয়ে সমগ্ৰ অসম জোকাৰিছে আৰু আনফালে ফুটবলৰ ফাইনেল পতা হৈছে।

আনহাতে যোৱা পৰহি তিতাবৰত অসমৰ মুখ্যমন্ত্ৰীয়ে সৌভাগ্য নামৰ আঁচনি উদ্বোধন কৰিবলৈ গৈছিল। তিতাবৰৰ পৰা বৰহোলালৈ ১০ মিনিটৰ ৰাস্তা কিন্তু তেওঁৰ বৰহোলালৈ যাবলৈ সময় নহ'ল।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ মতে, চৰকাৰৰ ফালৰ এই কথাবোৰ lapse হৈছে। এতিয়া আপুনি মূল কথালৈ আহক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোদয়, আজি সদনত বৈধ- অবৈধ চুলাইৰ কথা কোৱা হৈছে । এই চুলাই ঘাটিৰ উৎপত্তিস্থলী হ'ল আমাৰ বিধায়ক মৃণাল শইকীয়া ডাঙৰীয়াৰ খুমটাই সমষ্টিৰ যোগীবাৰী গাওঁ। এই কথাবোৰ enquiry ত নিশ্চয় ওলাব। কিন্তু এই enquiry ৰ বাবে যি গৰাকী D.G.P ক দায়িত্ব দিয়া হৈছে সেই D.G.P গৰাকীয়ে যিহেতু মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰীক দেখিলে এইটো (Savdhan position দেখায়) দিয়ে, তেন্তে সেইগৰাকী D.G.P, বা উজনি অসমৰ আয়ুক্তই তদন্তৰ কি ৰিপৰ্ট দিব ?

( সদনত শাসকীয় পক্ষৰ তীব্ৰ প্ৰতিবাদ)

**মাননীয় অধ্যক্ষঃ** কুৰ্মী ডাঙৰীয়া, আপোনাক কথা ক'বলৈ দিয়া হৈছে, আপুনি কওঁক কিন্তু এগৰাকী D.G.P, বা উজনি অসমৰ আয়ুক্তৰ বিষয়ে এনেকৈ নক'ব। এনেধৰণেৰে কোৱাটো উচিত নহয়। আপুনি মূল কথালৈ আহক। আপুনি মূল কথা নকৈ বেলেগ কথা ক'বলৈ লৈছে।

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

কুৰ্মী ডাঙৰীয়া, চৰকাৰৰ failure খিনি কোৱাৰ সকলো অধিকাৰ আপোনাৰ আছে। আপুনি চৰকাৰক সমালোচনা কৰোতে কাৰোবাৰ গাত হয়তো লাগিবও পাৰে একো ডাঙৰ কথা নহয়। কিন্তু আপুনি যিটো ঘপকৈ কৈ দিলে যে আমাক এইটো level ৰ enquiry নালাগে, এইটো level ৰহে লাগে। প্ৰত্যেকখন চৰকাৰৰ লগতে D.G.P., Chief Secretary বা Commissioner এজনকৈ থাকে গতিকে তেওঁলোকৰ বিষয়ে আপুনি তেনেকৈ ক'ব নালাগে।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** অধ্যক্ষ মহোদয়, আমি CBI enquiry বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, next টো কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** আনহাতে, আমাৰ মাননীয় মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী আৰু বৰ্তমানৰ মন্ত্ৰীয়ে আপোনাৰ গৃহ সমষ্টিৰ Assam Tea Corporation ৰ Central Hospitalখন আটকধুনীয়া কৰি তাত ৰাস্তা বনোৱাৰ কথা কৈছিল কিন্তু, আজিৰ তাৰিখতো এই ৰাস্তাটোত গৰু-ছাগলী যাব নোৱাৰা অৱস্থা হৈ আছে। চৰকাৰৰ সদিচ্ছাবোৰ লাহে লাহে ওলাব। ৰাজহ বাঢ়িছে কিন্তু এই বৰ্ধিত ৰাজহৰ ফলত আবকাৰী বিভাগত ভোট কিনা-বেচাৰ ৰাজনীতি চলিছে নেকি এই সকলোবোৰ কথা মানুহে লক্ষ্য কৰি আছে। বৰ্তমানৰ চৰকাৰখনে Countryspirit ৰ নতুনকৈ

license দিয়াৰ ব্যৱস্থা কৰিলে। আক্ৰান্ত সকলক লগ কৰিবলৈ ১০-১৫ মিনিটৰ বাবে কোনোবা বিধায়কে গৈছে কিন্তু মই তাত আঢ়ৈ ঘণ্টা ধৰি আছো।

(শাসকীয় দলৰ প্ৰতিবাদ)

**মাননীয় অধ্যক্ষঃ** Minister, please .

কুৰ্মী ডাঙৰীয়া আপোনাৰ কথাখিনি বিভাগীয় মন্ত্ৰীক দি দিব আৰু তেওঁ ইয়াৰ উত্তৰ দিব। আমি ইয়াত debate কৰা নাই মাত্ৰ মূল কথাবোৰৰ আলোচনা হ'ব লাগে।

**শ্ৰী পল্লৱ লোচন দাস, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, চাহ জনজাতি কল্যাণ ইত্যাদিঃ** অধ্যক্ষ মহোদয়, তেওঁ আমাক pinch কৰি থাকিব আৰু আমি একো নক'ম নেকি? Assam Tea Corporation ত ৰূপজ্যোতি কুৰ্মীয়ে ১৫ বছৰ ধৰি কি কাম কৰিলে?

**মাননীয় অধ্যক্ষঃ** আমি ইয়াত কংগ্ৰেছ-বিজেপি-অগপৰ কথা কৈ কাজিয়া কৰিবলৈ অহা নাই।

(সদনত শাসক-বিৰোধীৰ মাজত বাক-বিতণ্ড হয়)

**মাননীয় অধ্যক্ষ ঃ** অনুৰোধ কৰিছো আপোনালোকে সকলোৰে বহক। মন্ত্ৰী ডাঙৰীয়াকো কৈছো তেওঁলোকে যি ক'ব বিচাৰিছে ক'বলৈ দিয়ক। এইবিলাক চাবলৈ মই আছো। আপোনালোকে যদি কিবা উত্তৰ দিব বিচাৰিছে শালীনতা বজাই ৰাখি ক'ব। কেনেকৈ আমি বস্তুটো ঠিক কৰিব পাৰো সেইটোৰ ওপৰতে গুৰুত্ব দিব লাগে। এই মুহূৰ্তত আপোনালোকে কৈছে যে এটা high level enquiry হ'ব লাগে, এটা deligation যাব লাগে। এনেকুৱা ধৰণৰ ভাল কথাবিলাক আহক। মই ৰূপজ্যোতি কূৰ্মীকো কৈছো already critism has been made you just give the suggestions. বহুতেই ক'বলৈ বিচাৰি আছে কিন্তু ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়া, আপোনাক আগতীয়াকৈ ক'বলৈ দিয়াৰ কাৰণটো হৈছে আপুনি এই ঠাইসমূহ visit কৰিছে। গতিকে আপোনাকে মূল কথাটোলৈ আহক। ইজনে সিজনক attack কৰি কথা কৈ লাভ নাই। ভৱিষ্যতে এনেধৰণৰ ঘটনা কেনেধৰণে নাইকীয়া কৰিব পাৰিম এই ধৰণৰ কথাবিলাককলৈ আহক। **মদ নিবাৰণটো কেনেদৰে সম্ভৱ হ'ব পাৰে আপুনি সেই কথাটোলৈ আহক।**

**শ্ৰী ৰূপজ্যোতি কূৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৬ চনত মই প্ৰথমবাৰ বিধায়ক হৈছিলো। ২০০৬ চনৰ পৰা ২০১৬ চনলৈকে মই বিধায়ক হৈ আছিলো। তেতিয়াও এনেধৰণৰ ঘটনা বহুতো হৈছিল। পূৰ্ব্ব কংগ্ৰেছ চৰকাৰৰ দিনতো আমাৰ বহুতো ভুল হৈছিল। যেনেধৰণে নিয়ন্ত্ৰণ কৰিব লাগিছিল তেনেধৰণে আমি পৰা নাছিলো। এই কথা আমি স্বীকাৰ কৰিছো। কিন্তু ২০০৬ চনৰ পৰা ২০১৬ চনলৈকে আজিৰ যি ঘটনা ঘটিছে প্ৰায় ১৬৩ জন লোকৰ মৃত্যু ঘটাৰ দৰে ঘটনা আমাৰ দিনত ঘটা নাছিল। ২০১৬ চনৰ মাজভাগত নতুন চৰকাৰ আহিল। তাৰ কেইদিনমান পিছতে ২০১৭ চনৰ ডিচেম্বৰ মাহতে ডুমডুমাৰ তাৰা চাহ বাগিছাত ৭ জন মানুহৰ মৃত্যু হ'ল আৰু পাছলৈ গৈ মানুহৰ মৃত্যুৰ সংখ্যা বাঢ়িল। সেই সময়ত বৰ্তমানৰ আবকাৰী মন্ত্ৰীয়ে ঘোষণা কৰিছিল যে এনেকুৱা ঘটনাৰ আমি তদন্ত কৰিম চৰকাৰৰ ফালৰ পৰা আৰু ভৱিষ্যতে এনেকুৱা ঘটনা আমি হ'বলৈ নিদিওঁ বুলি। তাৰ প্ৰায় ডেৰ-দুমাহৰ পিছতে জানুৱাৰী, ২০১৮ত দৈয়াং চাহ বাগিছাত প্ৰায় ২৯ জন মানুহৰ মৃত্যু হ'ল। তাৰ আৰু কেইদিনমান পিছতে আকৌ উষা গৰঙা চাহ বাগিছাত প্ৰায় ৫ জন মানুহৰ মৃত্যু হ'ল। আকৌ তাৰ কেইদিনমান পিছত মেৰাপানী গাওঁ আৰু চাহ বাগিছা মিলাই প্ৰায় ৮ জন মানুহৰ মৃত্যু হ'ল। এই ঘটনাবিলাকৰ পিছত আমি ডুমডুমা আটছাৰ লগতে আছু ছাত্ৰ সন্থা,টাই আহোম ছাত্ৰ সন্থা, বিভিন্ন দল সংগঠনৰ লগতো কথা পাতিলো। তেওঁলোকে প্ৰত্যেকবাৰেই স্মাৰক পত্ৰ দিছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু আবকাৰী মন্ত্ৰী ডাঙৰীয়ালৈ যে এই বিষয়টো অনুসন্ধান হ'ব লাগে,

চুলাই মদ বন্ধ হ'ব লাগে আৰু ইয়াৰ এটা সমাধান হ'ব লাগে। ইয়াৰ পিছত আবকাৰী মন্ত্ৰী ডাঙৰীয়াই অসমৰ ৰাইজক আশ্বস্ত কৰিছিল যে ভৱিষ্যতে এনে ঘটনা হ'বলৈ নিদিওঁ বুলি। তাৰ পিছত শালমৰা চাহ বাগিছাত প্ৰথমতে ২১ তাৰিখে Welfare Officer ৰ লগত কথা পাতি গম পালো যে সন্ধিয়া ৫ বজাত প্ৰথমতে দুজন মানুহ আহিছিল চিকিৎসালয়লৈ আৰু তেখেত সকলৰ মৃত্যু হৈছিল। ২১ তাৰিখৰ এই ঘটনাটো আৰম্ভ হৈছিল যদিও বাতৰি কাকতত এইটো ওলোৱা নাছিল। কিন্তু ২২ তাৰিখে আমি সদনত আহোঁতে গম পাইছিলো যে ১৮ জন মানুহৰ মৃত্যু হৈছে আৰু তাৰ কিছু পিছতে এই সংখ্যা বৃদ্ধি হৈ ২৪ জন হ'লগৈ। সেই সময়ত মই আপোনাক ক'বলৈ প্ৰয়াস কৰিছিলো চৰকাৰী পক্ষৰ দৃষ্টি আকৰ্ষণ কৰি যে এইক্ষেত্ৰত কি ব্যৱস্থা লৈছে বা ল'ব সেইটো আমাক জনাবলৈ। অধ্যক্ষ মহোদয়ে নিশ্চয় কিবা বিবেচনা কৰি চৰকাৰী পক্ষক কৈছিল কিন্তু চৰকাৰী পক্ষই আমাক আজি জনাম বুলি ক'লে। এতিয়া প্ৰশ্ন আহিল ২১ তাৰিখে আৰম্ভ হোৱা ঘটনাটো ২২ তাৰিখে ৰাতিপুৱা প্ৰায় ১১ টা মান বজাত ২৪ জনলৈ বৃদ্ধি হোৱাৰ পিছত এই মুহূৰ্তলৈকে ১৬৩ জন মানুহৰ মৃত্যু হ'ল। এই লোক সকলৰ মৃত্যুৰ কাৰণ আমি নিশ্চয় বিচাৰিব লাগিব। Ambulance ত অনাৰ দেৰী হ'ল নেকি? নে ইমান poisonus আছিল যে মানুহ বিলাকক আমি বচাব নোৱাৰিলো। Ambulance ত life saving দৰৱ আছিলে নে নাই? চৰকাৰে ২২ তাৰিখে ঘটনাটো গম পোৱাৰ পিছত ২৪-২৫ তাৰিখে Toxicology বিভাগৰ যোগেদি বেলেগ special team দিল্লীৰ AIIMS বা অন্য কোনোবা ঠাইৰ পৰা অনাৰ ব্যৱস্থা কৰিলে নেকি? যদি নাই কৰা কেলেই নাই কৰা? সেই মানুহখিনিক গুৰুত্ব নিদিলে নেকি? এই কথাবোৰ আমি নিশ্চয় চিন্তা কৰিব লাগিব। বহু patient brought dead হ'ল। এইটো কেলেই হ'ল, ২২ তাৰিখে awareness campaign পতা নহল নেকি, ২৩ তাৰিখেও যিমান awareness campaign হ'ব লাগিছিল সিমান নহল নেকি? ২৪ তাৰিখেও awareness campaign নোহোৱাৰ কাৰণে চিকিৎসালয়ত patient brought dead হ'ল নেকি? এই কথাবোৰ নিশ্চয় আমি চাব লাগিব। গোলাঘাটৰ কুশলকোঁৱৰ চিকিৎসালয় মেৰাপানী আৰু শালমৰা লোকসকলৰ একমাত্ৰ ভৰষা। তাত যদি চিকিৎসকে যোৰহাট মেডিকেল কলেজলৈ লৈ যোৱাৰ কাৰণে কয়, ৰোগীক লৈ অহা হয়। কিন্তু যোৰহাট মেডিকেল কলেজত ICUকেইটা আছে? ডেৰ বছৰৰ আগতে আছিলে ৪৮ টা। কিন্তু আজি ডেৰ বছৰে ৩৮ টা ICU বেয়া হৈ আছে। TVS নামৰ এটা কোম্পানীক দিয়া হৈছিল। এই কোম্পানীটোৱে ভাল কৰা নাই নে চৰকাৰে টকাৰ অভাৱত গুৰুত্ব দিয়া নাই নে যিবোৰ বিষয়ৰ ওপৰত গুৰুত্ব দিব লাগে, সেইবোৰত গুৰুত্ব নিদিয়াৰ কাৰণে আজি ৪৮ টা ICU ৰ ভিতৰত ৩৮ টা ICU যোৰহাট মেডিকেল কলেজত বেয়া হৈ আছে। মই কোৱা কথা নহয় এইটো Enquiry টো প্ৰমান হ'ব এতিয়া মাত্ৰ ১০টা ICU আছে। এতিয়া ICU ৰ অভাৱটো চিকিৎসকে আওপতিয়া ভাবে কৈছে আমাৰ ৰোগী আমি বচাব পৰা নাই ছাৰ। মানে আমি কি বুজিম, আজিToxicology ৰ এটা বিভাগ, আমি নাজানো বেছি কথা পতা নাই ২-১ জন চিনাকী চিকিৎসকৰ লগত কথা পাতিছো। কওঁকচোন ইয়াৰ ৰখাব পৰা কি ব্যৱস্থা আছে। এতিয়া ৩০০ ৰ ওচৰা ওচৰি মানুহ Admit আছে। ১৬৩ জন গ'ল। বাকীবোৰ কি হ'ব? বাকীবোৰৰ ক্ষেত্ৰত যদি সময় মতে দিল্লী বা অন্য Foreign Country ৰ পৰা প্ৰয়োজন হলে, ঔষধ আহে তেতিয়া বচাব পাৰিম। নহ'লে এই Slow poison ৰ দৰে মানুহবোৰ গৈ থাকিব , কথাপাতি থকা অৱস্থাত মানুহ গুছি গৈছে ছাৰ। ইয়াৰ কাৰণে বৰ্তমান চৰকাৰে কি কৰিছে? আমি শুনা পালো খোৱা বোৱা বস্তু দিছে, আমি শুনা পালো Injection দিছে। তেজপুৰ মেডিকেল কলেজৰ পৰা এটা Team আৰু ডিব্ৰুগড় মেডিকেল

কলেজৰ পৰা এটা Team আহিছে। ডিব্ৰুগড় মেডিকেল কলেজৰ পৰা Team টো কেতিয়া আহিছে ছাৰ, ২১ তাৰিখৰ ঘটনা ২২ তাৰিখে ৰাতি আহিছে। তেওঁলোকে Rest লৈছে। ২৩ তাৰিখৰ ৰাতিৰ পৰা, শনিবাৰৰ পৰাহে কাম আৰম্ভ কৰিছে। তেজপুৰ মেডিকেল কলেজৰ পৰা Team ২৩ তাৰিখে সন্ধিয়াহে গৈ পাইছে। মানে Process Slow হৈ আছে নেকি? নে আমি গুৰুত্ব দিয়া নাই। নে এইটো আমাৰ ভাৰতৰ বাহিৰৰ পৰাও আমি ঔষধ আনিব পাৰো নেকি? Life saving ঔষধ । সেই কথা আমি চৰকাৰী পক্ষৰ পৰা আমি শুনিব বিচাৰিছো। আমি বিছাৰিছো আৰু মানুহ নমৰক। মানুহ বাচক। ছাৰ, মোৰ সতীৰ্থ বিধায়ক দুৰ্গাভুমিজ, সতীৰ্থ বিধায়িকা ৰ'জলিনা তিৰ্কীয়ে কব মই সামৰিব বিচাৰিছো। ছাৰ কেউজন বিধায়কে কৈছে, বহুত মানুহ ঢুকাইছে, তাৰ দুটামান উদাহৰণ দিও- আপুনি যদি Enquiry দিয়ে, বা All team যাওঁ। কিবা এটা আপুনি বিচাৰি পাব। এনেকুৱা পৰিয়াল, ভাইটি বাউৰী, শালমাৰা বাগানৰ ৪ জন মানুহৰ মৃত্যু হ'ল। সেইটো পৰিয়ালৰ এতিয়া কণ কণ ল'ৰা ছোৱালী আছে। সেই ল'ৰা-ছোৱালী কেইটাৰ এতিয়া কি হ'ব। সেই ল'ৰা-ছোৱালী কেইটাক আমি Orphan House ত ৰাখিব লাগিব নেকি? Class 12 লৈকে চৰকাৰে পঢ়া-শুনাৰ দায়িত্ব ল'ব লাগিব নেকি? এনেকুৱা এটা পৰিয়াল পালো, বৰহোলাৰ সঞ্জু তাতীঁ নে কি? তেওঁৰ বাপেক ঢুকালে মাক ঢুকালে, ৩ জনী ছোৱালী বিয়া হৈ যোৱা। ভনীয়েকবোৰে এইটোৱে অনুৰোধ জনাইছে আমাৰ ভন্টী এজনী থাকি গ'ল, মাৰ লগত আছিলে, এতিয়া ভন্টি জনীৰ পঢ়া-শুনা কি হ'ব আমি বুজি পোৱা নাই। অকলশৰীয়াকৈ তাই ইয়াত থাকিব পাৰিবনে? এনেকুৱা উদাহৰণ বহুত আছে। আমি বিচাৰিছো, Post mortem বহুত মানুহৰ ন'হল। তেনেকুৱা পৰিয়ালেও ক্ষতি পুৰণ পাওঁক, সেইটো এটা ব্যৱস্থা হ'ব লাগে। আৰু কবলৈ বহুত মন আছিল, মই Life saving ঔষধৰ কথা কৈছিলো । বাহিৰৰ পৰা যদি চিকিৎসকৰ দল আনিব লাগে, যদি ঔষধ আনিব লাগে, আনি হলেও যিবোৰ মানুহ এতিয়া মৃত্যুৰ সৈতে যুঁজি আছে, তেওঁলোকক বচাব লাগে। চিকিৎসকে এইটোৱে কৈছে যে লিভাৰটো লাহে লাহে বেয়া হৈ যায়। কাৰোবাৰ লিভাৰৰ Transplant টো কৰিব লগা হ'ব পাৰে। হয়তো লিভাৰটো বচাব পৰা উপায় আছে, যদি Life saving ঔষধ ভাৰতৰ বাহিৰৰ পৰাও আনে. চিকিৎসক সকলে এইটো চৰকাৰী পক্ষৰ যোগেদি কৰিব পাৰো। তেখেত সকলে কবলৈ টান পাইছে, আমাক কৈছে, আমি এই কথাবোৰ ৰাখিলো, আৰু পুনৰবাৰ যি সকল ব্যক্তি ঢুকালে, তেওঁলোকৰ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো, পৰিয়াল বোৰলৈ সমবেদনা জ্ঞাপন কৰিছো, আৰু Life saving ঔষধ বাহিৰৰ পৰা আনি হলেও, ভাৰতৰ ভাল ভাল চিকিৎসকৰ দল আনি হলেও প্লেনত আনক, হেলিকপ্তাৰত আনক, আনি হলেও মানুহবোৰক বচাওক। আৰু যিবোৰ পৰিয়ালে Post mortem কৰিব নোৱাৰিলে, তেওঁলোককো চাওঁক আৰু যিবোৰ পৰিয়ালৰ Dependant থাকি গৈছে, তেওঁলোক নিথৰুৱা হৈ যাব, কেৱল টকা দিলেই নহ'ব তেওঁলোকক কাৰোবাক হয়তো চাকৰি দিব লগা হ'ব পাৰে টকাৰ পৰিবৰ্তে। কাৰোবাক হয়তো হোষ্টেলত ৰাখিব লগা হ'ব পাৰে, Residential School ত । তেনেকে দি হলেও পৰিয়াল বিলাকক চাওঁক। এই খিনিকে কৈ আপুনি কবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ। আমাৰ হাতত ১২ ,১৩ মিণিট আছে। মই অকনমান বঢ়াম বাৰু। তিনিজন বক্তা এতিয়াও আছে, বাকী বহুতে বিচাৰিছে, কিন্তু সকলোকে নিদিওঁ। আমাৰ ৰ'জলিনা তিৰ্কী, দুৰ্গাভূমিজ, ৰাজদ্বীপ গোৱালা আৰু আমাৰ সঞ্জয় কিষান আছে। এইকেইজনে অকন অকন কওঁক। এতিয়া ৰ'জলিনা তিৰ্কীয়ে কওঁক।

**শ্ৰী মতী ৰ'জলিনা তিৰ্কী, সদস্যাঃ**- মাননীয় অধ্যক্ষ মহোদয়, আজি সচাঁকৈ বৰ দুখৰ বিষয় যে আজি বিষাক্ত সুৰাপান কৰি বহুত মানুহৰ মৃত্যু হৈ গৈছে। সেই কাৰনে সৰ্বপ্ৰথমে আজি যি সকলে মৃত্যু বৰণ কৰিলে, সকলো লোকৰ কাৰণে মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জ্ঞাপন কৰিছো, যাতে তেওঁলোকৰ সেই আত্মাই শান্তি পায, আৰু লগতে তেওঁলোকৰ পৰিয়াল বৰ্গৰ কাৰনেও মই প্ৰাৰ্থনা জনাওঁ যে শক্তি পায়, ধৈৰ্য্য পায় , আগন্তুক জীৱন আগবঢ়াবৰ কাৰনে। আজি আমি যিআলোচনা কৰি আছো, আজি যি সুৰাপানৰ কাৰণে মানুহ মৰা আমি দেখা পাইছো, সঁচাকৈ দুখ লগা কথা। আজি গোলাঘাট জিলা আৰু যোৰহাট জিলাৰ যি আমাৰ শালমৰা মুখ বাগিচা , শালমৰা বাগিচা, আধাসত্ৰ, বৰহোলা, মেৰাপানী আদি বিভিন্ন ঠাইত আজি ১৬৫ তকৈও ওপৰ মানুহৰ মৃত্যু হৈছে। আৰু ৩০০ তকৈও ওপৰ মানুহ চিকিৎসাধীন হৈ আছে। আজি বিভিন্ন সন্মানীয় বিধায়ক সকলে এই সদনত নিজৰ বক্তব্য ৰাখিছে। সকলোৰে কথাত নিজৰ নিজৰ যুক্তি আছে। কিন্তু মই আজি কব বিচাৰিছো যে আজি য'ত মৃত্যু হৈছে, আজি মৃত্যুবৰণ কাৰ ঘৰত মৃত্যুবৰণ হৈছে? আজি কোন শ্ৰেণীৰ মানুহ মৃত্যুবৰণ হৈছে? মৃত্যু হৈছে সেই সকল লোকৰ যিয়ে আজি চাহবাগিচাত শ্ৰমিকৰ কাম কৰি আছে, দিনহাজিৰা কৰা লোক সকলৰ, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে আজি কলেজত পঢ়া-শুনা কৰিবলৈ সুবিধা পোৱা নাই। তেওঁলোকে দুবেলা খাবৰ কাৰণে আজি তেওঁলোকৰ পইচাৰ বা আৰ্থিক অভাৱ আছে। তেনেধৰণে তেওঁলোকৰ আজি ঘৰ-দুৱাৰৰ সুৰক্ষা নাইকীয়া হৈছে। এই শ্ৰেণীৰ লোক হৈছে একেবাৰে সৰ্বহাৰা। তেওঁলোক সৰ্বহাৰা এইটো কাৰণে, কাৰণ আজি তেওঁলোকৰ ওচৰত আৰ্থিক যি অৱস্থা হ'ব লাগিছিল, বা পইচা যি উপাৰ্জন হ'ব লাগিছিল সেই উপাৰ্জন নোহোৱাৰ কাৰণে তেওঁলোকে আজি এনেকুৱা এটা অৱস্থাত তেওঁলোক পৰিণত হৈছে। এটা পৰিয়ালত যদি ১০ জন পৰিয়ালৰ লোক আছে তাত একজনহে উপাৰ্জনকাৰী লোক আছে। আৰু সেই উপাৰ্জনকাৰী লোক জনে ল'ৰাক পঢ়াবনে খোৱাৰ কাৰণে যোগাৰ কৰিব নে কাপোৰ-কানিৰ যোগাৰ কৰিব। এনেকুৱা বিভিন্ন কথাৰ কাৰণে তেওঁলোকে বহুত চিন্তিত হয়। আৰু আজি তেওঁলোকে সকলো হাৰি পেলাই আজি এই যে বিষাক্ত সুৰা যিটো।আজি ডেৰ টকা. দুটকা, দহটকা, বাৰ টকা, বিশ টকা, ত্ৰিশ টকা, চল্লিশ টকা কৈ মদ যে খাই আছে, চুলাই যে খাই আছে, এই বিলাক কিয় খাই আছে? তেওঁলোকে এই কথাবিলাক একেবাৰে পাহৰি গৈ পেলাই ৰাতি টোপনি যাবৰ কাৰণে তেওঁলোকে খোৱাৰ ব্যৱস্থা কৰি লৈছে। বা তেওঁলোকে খাই ৰাতি টোপনি যায়,আকৌ ৰাতি পুৱা শুই উঠি সকলো কথা পাহৰি আকৌ কামলৈ যাব লাগে। সেইটোৰ কাৰণে আজি এইটো খাইছে। সেই কাৰণে আজি এই সৰ্বহাৰা, এই শ্ৰেণীৰ লোকৰ মৃত্যু হৈছে। ইয়াত কোনো ধনী পৰিয়ালৰ বা কলেজত পঢ়ি থকা লৰা-ছোৱালী পৰিয়ালৰ লোক সকল আজি মৃত্যু হোৱা নাই। আৰু ৩য় তে হৈছে ছাৰ আজি এই অঞ্চল বিলাকত আমাৰ শিক্ষাৰ খুব অভাৱ হোৱাৰ কাৰনে আজি হয়তোএই কথাবিলাক আহি পৰিছে। আজি শিক্ষা যদি থকা হলে আজি তেওঁলোকে এই কামবিলাক কৰিব নালাগিলেহেতেন। কিন্তু কথাবোৰ আমি দেখি আহিছো। সকলোৱে সকলোবোৰ কথা কৈছে। কিন্তু আজি এই কথাবিলাকৰ জগৰীয়া কোন? মই ভাবো প্ৰথম জগৰীয়া হৈছে, চাহবাগিচা বিলাকত প্ৰথম জগৰীয়া হৈছে Planters সকল, কোম্পানীৰ মালিক সকল। আজি এইযে ওপৰোক্ত বক্তা সকলে কৈ গৈছে, আজি যি বৃটিছ ৰাজৰ Colonization আজিও এই Bonded labour বনুৱা হিচাপে আজিও চাহ শ্ৰমিক সকলক ব্যৱহাৰ কৰি আছে। সেই কাৰনে তেওঁলোকৰ সদইচ্ছাই নাই, তেওঁলোকে কোনো দিন চিন্তাই নকৰে যে তেওঁলোকৰ মজুৰীটো বৃদ্ধি কৰিব লাগে। আজি যদি তেওঁলোকৰ ওচৰত পইচা থকা হলে, আজি তেওঁলোকে ভাল এটা উপাৰ্জন কৰিব পৰা হলে, তেওঁলোকে নিশ্চয় আজি এই সস্তীয়া

মদ খাই পেলাই আজি মৃত্যু মুখত পৰিব নালাগিলেহেতেন। ঠিক তেনেধৰনে ২য় জগৰীয়া মই ভাৰো আমাৰ Trade Union ৰ লোক সকল। আজিTrade Union ৰ লোক সকল বুলি এই কাৰণে কৈছো, কাৰণ আজি তেওঁলোকে Management ৰ লগত তেওঁলোক এটা মাধ্যম। আমাৰ শ্ৰমিকৰ আৰু Management ৰ লগত যিটো মাধ্যম আছে সেইটো হ'ল Trade Union। আজি তেওঁলোকে উপৰোক্ত যিটো যুঁজ লাগিব লাগিছিল তেওঁলোকে নোৱাৰিলে। আৰু যিমান চেষ্টা কৰিছে, ইয়াতো হৈছে যে শিক্ষাগত ভাৱে তেওঁলোক অলপ পিছপৰি আছে, বা বিভিন্ন ক্ষেত্ৰত পিছপৰি থকাৰ কাৰণে। সেই কাৰণে Trade Union সকলক মই সজাগ হবলৈ কওঁ আৰু জোৰকৈ লাগিব লাগে। আৰু যি Plantation Labour Act য়ে হওঁক বা Labour Law য়ে হওঁক, বিভিন্ন যি আছে Minimum Wages ৰ কথা হওঁক সকলো কথাবিলাক ভালকৈ জানিশুনি পেলাই, Management কেই হওঁক বা Planters হওঁক বা আমাৰ মালিক সকলৰ তেওঁলোকে দাবী কৰিব লাগে আৰু দিয়াৰ ব্যৱস্থা কৰিলেহে প্ৰাপ্য আমাৰ শ্ৰমিক সকলে পাব। দ্বিতীয়তে মই ক'ব বিচাৰো যে, জগৰীয়া হৈছে চৰকাৰো। মই ভাল পাইছিলো যেতিয়া বাজেটত কৈছিলে যে, চাহ শ্ৰমিকসকলৰ কাৰণে বিনামূলীয়া চাউল দিছে। চেনিও দিব আৰু বিভিন্ন কথাও দিছে। ভাল পাইছো মই। ভাল কথাত মই সদায় আদৰণি জনাও, যদিও বিৰোধী দলত আছো। ম'বাইল দিছে বা বিভিন্ন আমাৰ, আজিৰ সদনতো কোৱা হৈছে সকলো কথা কৰিব লাগে। কিন্তু আজি বিভিন্ন ক্ষেত্ৰত এই চৰকাৰী নহওক বা যিকোনো চৰকাৰেই নহওঁক, আজি যিমান খিনি কাম চৰকাৰে কৰিবলগীয়া আছে, আজি শ্ৰমিকসকলৰ ক্ষেত্ৰতেই নহয়, সকলো ক্ষেত্ৰতে, সকলো বিভাগতে যিমানখিনি কাম চৰকাৰৰ লোৱা হৈছে, বা কাম কৰাৰ আঁচনিবিলাক লোৱা হৈছে, সকলোতে অৱহেলা দেখা গৈছে। ক'ত sincerely কাম হৈছে? আজি ইয়াতে আবকাৰী বিভাগে যিটো ধৰণে কাম কৰিব লাগিছিল, আজি আবকাৰী বিভাগে কাম ভালকে কৰা নাই। আজি যদি সঁচাকৈ sincerity থকা হ'লে আজি নিশ্চয় এই যে গোপনভাৱে আজি বিভিন্ন জিলা প্ৰশাসনে হওঁক বা পুলিচ প্ৰশাসনে হওঁক, সেই জিলাত আমি জানো বা সকলোৱে নিজৰ নিজৰ জিলাত জানে কি ধৰণে অবৈধ ব্যৱসায়বিলাক চলি আছে। সেই কাৰণে সঁচাকৈ sincerity দৰকাৰ আৰু আজি শিক্ষাৰ ক্ষেত্ৰত আমি বাগিচা অঞ্চলত দেখো যে, যি স্কুলবিলাকত আজি শিক্ষক এজনেই পঢ়াই থাকে, বহুত ল'ৰা-ছোৱালী পাঁচ-ছমাহ ধৰি যিটো mid-day meal দিয়া হৈছিল, সেইবিলাকৰ ব্যৱস্থা একেবাৰে নাই। এইবিলাকৰ কোনো অনুসন্ধান হোৱা নাই। কিন্তু অকল আঁচনি দিয়া যায়, ইয়াৰ পৰা কৰে, ভাল কথা, কিন্তু actual department য়ে কি কাম কৰিছে, চৰকাৰৰ ইয়াত কি নিৰ্দেশনা আছে, সচাঁকৈ apply কৰিব লাগে নে নালাগে সেই কাৰণে এনেকুৱা কথাবিলাক চলি আছে আৰু ঠিক তেনেধৰণে আৰু এটা কথা আজি চৰকাৰে যি আমাৰ ত্ৰিপাক্ষিক, মাননীয় অধ্যক্ষ মহোদয়, আপুনি যি Speaker Initiative ত আমাৰ চাহ জনগোষ্ঠী আদিবাসী লোকৰ কাৰণে যি এটা Initiative আনিছিলে, তাত মই কৈছিলো যে, এই যে, wages ৰ কথা। এইটো দ্বিপাক্ষিক নহৈ ত্ৰিপাক্ষিক হ'ব লাগে। ইয়াত চৰকাৰেও involvement হ'ব লাগে। সেইকাৰণে চৰকাৰৰ সঁচাকৈ দায়িত্ব আছে যে, ইয়াত involve হৈ আজি যদি planters বা কোম্পানীয়ে দিব বিচৰা নাই তথাপিও ইয়াত চৰকাৰ সোমাই এই ৩৫০ টকাতো কৰিবই লাগে। অকল চাহ শ্ৰমিকৰ কাৰণে নহয় সকলো হাজিৰা কৰা লোক সকলৰ কাৰণে আজি ৩৭৫ বুলি আমি বিভিন্ন article ত দেখি আছো। সেইকাৰণে All India Level ত যি আছে, যেনেকৈ নহওঁক on Humnitarian ground ত এইটো consider কৰিবই লাগিব। সেইকাৰাণে আজি যি ধৰণে আমাক কথা বিলাক কোৱা হৈছে আৰু

লগতে আমি দেখিছো আজি বিভিন্ন কথাতে আমি গম পাইছো যে, আজি এই বৃহত্তৰ সুৰাপানৰ কাৰণে কৰবাত লালিগুড় আহিছে, কৰবাত মিথানেল বুলি spirit বিলাক আহিছে। এই raw materials টো অসমতো উৎপাদন নহয়। এইটো বৰ্হিৰাজ্যৰ পৰা আহিছে। ইয়াক চৰকাৰে block কৰিব লাগে। অসমত যাতে এইবিলাক আহিব নালাগে আৰু বৰ্হিৰাজ্যৰ পৰা এনেকুৱা সৰবৰাহ কৰা এই কথাবতৰা বিলাক বন্ধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু লগতে মই অনুৰোধ জনাও যে ইমান ১৬৫ জনৰ ওপৰত যি লোকসকলৰ মৃত্যু হৈছে বা আৰু বহুত মৃত্যু মুখত পৰিব পাৰে বুলি তেনেকৈ বিভাগীয় লোক সকলে কৈছে। কিন্তু আমি কিমান দিন আৰু চাই থাকিম। সেইকাৰণে যিমানখিনি মানুহ আজি এই গোলাঘাট জিলা বা যোৰহাট জিলাত, এই আবকাৰী বিভাগতেই হওক বা বিভিন্ন বিভাগত যি জড়িত আছিল তেওঁলোকে কাম নকৰা sincerity নথকা সকলো লোকৰ ওপৰত বিহীত ব্যৱস্থা ল'ব লাগে আৰু যি যি কমিটি হৈছে এইবিলাক ৰোধ কৰা লোকসকলৰ কাৰণে তেখেত সকলেও arrest কৰিব লাগে আৰু যদি action নলয়, তেতিয়া এই process টো continue হৈ থাকিব। এইটোৰ বিষয়ে আমি যিমান আলোচনা কৰো শেষ নহয়। বহুতো লোকে এইকথাবিলাক কৈছে। কিন্তু আমি কথা ক'লেই নহ'ব। আমি সকলোৱে ইয়াৰ এটা solution উলিয়াব লাগিব। কাৰণ আজি আমি কান্দিম, কালিলৈকে আমি পাহৰি যাম। আমাৰ memory বহুত কম। সেইকাৰণে permanant solution ৰ কাৰণে চিন্তা চৰ্চা কৰিব লাগিব আৰু চাহ বাগিচাৰ অঞ্চল বিলাকত যি মদৰ ব্যৱসায় চলি আছে ইয়াৰ যোগেৰে আমি দেখিছো সকলোৱে মদ সেৱন কৰে। অকল চাহ বাগিচা অঞ্চলতেই নহয়, সমগ্ৰ ৰাজ্যতে কৰে। যিসকলে সেৱন কৰি আছে তেখেত সকলে কালিলৈ নাখাও বুলি আজি ভয়ৰ কোবত কৈছে। কিন্তু কালিৰ পৰা কেনেকৈ নাখাব। সদায় তেওঁলোকে এইটো সেৱন কৰি আছে। মদ নাখালে থাকিব নোৱাৰে। সেইকাৰণে rehabilitation ৰ কাৰণে চৰকাৰৰ ফালৰ পৰা ভাল এটা ব্যৱস্থা কৰিব লাগে আৰু সকলো ৰাইজে ইয়াত সহযোগিতা কৰিব লাগিব। অকল এটা দুটা বিভাগেই নহওঁক সকলো জনগণৰো আৰু আমাৰ সকলো representative কো ইয়াত চৰকাৰৰ লগতে আমি সকলোৱে একেলগে কাম কৰিলেহে ইয়াৰ এটা কিবা সুবিধা পাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ২ টা বাজিছে। মই অলপ সময় বঢ়াই ল'ব বিচাৰিছো। আজি কেইটামান ভাল ভাল বিষয় আছিল। মোক যদি Member সকলে allow কৰে। মই Member সকলক বিষয় raise কৰিবলৈ ২ মিনিট সময় দিম আৰু মন্ত্ৰীয়ে কাইলৈ উত্তৰ বিলাক দাখিল কৰিব। বাকী কেইটা বিষয়ত। আজিতো উত্তৰ দাখিল কৰিবলৈ সময় নহব। Statementwise কাইলৈ আপোনালোকৰ টেবুলত দি দিব। মই সময়টো extent কৰি লৈছো। এতিয়া শ্ৰীসঞ্জয় কিষাণ ।

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া ঃ** ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, মৃত লোকসকলৰ আত্মাৰ সদগতিৰ কামনা কৰিছো। পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছো আৰু চিকিৎসাধীন লোক সকললৈ আশু-আৰোগ্য কামনা কৰিছো। দুৰ্ভাগ্যবসতঃ ময়ো, সেই জনগোষ্ঠীৰে সন্তান। আমি যিসকল ইয়াত আছো, সেয়া বিৰোধীদলত বহি আছে মোৰ বন্ধু শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া। তেওঁ বিধায়কৰ পুত্ৰ আৰু মই এজনৰ শ্ৰমিকৰ পুত্ৰ। পাৰ্থক্য টো সিমানেই। কিন্তু আমাৰ একে মানুহখিনিক হেৰুৱাইছো। অধ্যক্ষ ডাঙৰীয়া মই দুটামান কথা কম। এটা কথা উপলব্ধি কৰিছো যে, বৰ্তমান ইতিহাসত, বৰ্তমান আমাৰ চৰকাৰখনে এই জনগোষ্ঠীটো ক্ষিপ্ৰতাৰে উন্নয়নৰ দিশত আগুৱাই লৈ যাবৰ কাৰণে যিখিনি পদক্ষেপ হাতত লৈছে, এই ক্ষণতেই এই দুৰ্ভাগ্যজনক ঘটনাটো ঘটিল। এই ঘটনাটো কিন্তু সমগ্ৰ

অসমতে ঘটা নাই। ঘটিছে দুখন জিলাত। অধ্যক্ষ ডাঙৰীয়া, যদি লালিগুড়ৰ পৰা এই ঘটনা হৈছে, তেতিয়া এই গুড়টো সমগ্ৰ অসমৰ প্ৰত্যেকখন জিলাতে গৈছে। আমি জানো বিশেষকৈ চাহ অধ্যুষিত অঞ্চলবিলাকতে চুলাই মদৰ প্ৰচলন বেছি। মোৰ তিনিচুকীয়া আৰু ডিব্ৰুগড়ত এই ঘটনা ঘটা নাই আৰু সেই কাৰণে মই ভাবিবলৈ বাধ্য হৈছো যে, ইয়াত নিশ্চয় ষড়যন্ত্ৰ আছে নেকি? যদি সমগ্ৰ জাগাতে গ'ল কিন্তু বাকী বিলাকত কিয় এই ঘটনা নঘটিল। যোৰহাট আৰু গোলাঘাটতে এই ঘটনা হ'ল আৰু সেই কাৰণেই মই দাবী জনাব বিচাৰিছো আৰু অনুৰোধ কৰিব বিচাৰিছো যে, ইয়াৰ কাৰণে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হ'ব লাগে যাতে এই কি ষড়যন্ত্ৰ উন্নয়নৰ ক্ষিপ্ৰতা ৰোধ কৰিবৰ কাৰণে বা বৰ্তমান অসমখনত আৰু অশান্তিৰ পৰিৱেশ সৃষ্টি কৰিবৰ কাৰণে কোনো অপশক্তিয়ে এই কাম কৰিছে নেকি? তাৰ কাৰণে ইয়াৰ এটা উচিত তদন্ত মই কামনা কৰিছো আৰু এটা কথা মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিছো যে, চাহ বাগিচাসমূহত কিয় ইমান বহলভাৱে খোলাখুলিভাৱে চুলাই মদৰ প্ৰচলনটো কৰিব পৰা যায়। এখন চাহ বাগিচাত যদি এজন শ্ৰমিকে, তেওঁ যদি পুহি থকা গৰুকেইটাৰ কাৰণে গোহালি বনাব বিচাৰে, তেতিয়াহ'লে মালিকপক্ষই তেওঁক অনুমতি নিদিয়ে আৰু তেনে অৱস্থাত খোলাখুলিকৈ ইমান মদৰ প্ৰচলন হয়, য'ত নেকি মালিকপক্ষ বা মেনেজাৰে কোনো ধৰণৰ বাধা প্ৰদান নকৰে। এই পৰিৱেশটো কেতিয়া নাইকিয়া হ'ব? শ্ৰমিক এজনে তেওঁৰ অধিকাৰৰ কাৰণে একো কৰিব নোৱাৰে। কিন্তু তাত খোলাখুলিকৈ চুলাই মদৰ প্ৰচলন সহজলভ্যভাৱে কৰিব পাৰে। তাত কিন্তু মেনেজাৰে হওঁক বা পৰিচালকেই একো বাধা তেওঁলোকে প্ৰদান নকৰে। আৰু সেই কাৰণে মই এটা অনুৰোধ জনাব বিচাৰিছো আপোনাৰ জৰিয়তে যে, মই শ্ৰম মন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অতি শীঘ্ৰে অসমৰ প্ৰত্যেক চাহ বাগিচাৰ মালিক সকলক একত্ৰিত কৰি কঠিনভাৱে তেওঁলোকক নিৰ্দেশ জাৰি কৰিব লাগে যে, তেওঁলোকৰ চাহবাগিচাত যদি চুলাই মদৰ প্ৰচলন হয়, তেতিয়াহ'লে সেই মালিকসকল আৰু পৰিচালক সকলেই দায়ী হ'ব। তাৰ কাৰণে সঠিক ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই আজি এই সদনত অনুৰোধ কৰিছো। আমি সকলোৱে অনুভৱ কৰিছো এই কথা। আজি ডুমডুমাত যেতিয়া মানুহ মৰিলে, তাৰ আগতেও মৰিছে, এতিয়া যিসকল বিৰোধীপক্ষত আছে, তেওঁলোকৰ চৰকাৰৰ দিনতো যথেষ্ট মানুহ মৰিছে, কিন্তু মানুহ মৰাৰ পিছত আমি এনেদৰে এই বিধান সভাত কথাখিনি আলোচনা কৰিছো। কিন্তু তাৰ পৰা কোনো দিনে আমি এটা সঠিক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলো। আজি হয়তো পাঁচ বছৰৰ পিছতো একেই দশা হ'ব। মাননীয় অধ্যক্ষ মহোদয়, আজি এই ঘটনা ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বই প্ৰত্যক্ষ কৰিছে আৰু আজি তেওঁলোকে ভাবিবলৈ বাধ্য হৈছে যে, আজি অসম বোলা জাগাতো আজিও চুলাই মদ খাই এশতকৈ বেছি মানুহ মৃত্যুবৰণ কৰা এটা পৰিৱেশ আমি অসমত জীয়াই ৰাখিছো। আমাৰ ই পৱিত্ৰ সদনত আমি এই কথাবিলাক আলোচনা কৰিছো। কিন্তু দুৰ্ভাগ্যবসতঃ আজিলৈকে এটা সমাধান আমি বিচাৰিব নোৱাৰিলো। অধ্যক্ষ ডাঙৰীয়া খোৱাং চাহ বাগিছাত যেতিয়া গুলীয়াই মানুহ মৰা হ'ল আমি সদনত আলোচনা কৰিলো। খোৱাং চাহ বাগিছাত যেতিয়া গুলিয়াই মানুহ মৰা হ'ল আমি সদনত আলোচনা কৰিলো। খোৱাং চাহ বাগিছাত যেতিয়া শ্ৰমিকৰ মাজত এটা পৰিৱেশ সৃষ্টি হ'ল, মানুহ মৰিলে আমি আলোচনা কৰিলো। গুৱাহাটীৰ ব্যস্ত ৰাজপথত যেতিয়া লক্ষ্মী ওৰাঙক উলংঙ্গ কৰা হ'ল, অত্যাচাৰ কৰিলে তেতিয়াও আমি সদনত আলোচনা কৰিলো। এই জনগোষ্ঠীটোৰ সাৰ্ব্বিক পৰিবৰ্ত্তনৰ বাবে এটা সিদ্ধান্ত আজিলৈকে ল'ব নোৱাৰিলো। পৰিবেশ সলনি কৰাৰ সঠিক সিদ্ধান্ত আমি ল'ব পৰা নাই। এই ঘটনা যদি ৫-১০ বছৰ পিছত আকৌ ঘটে আমি হয়তো আকৌ আলোচনা কৰিম। এনেদৰে মানুহ মৰি থাকিব আৰু আলোচনা বিলোচনা হৈ থাকিব। সেই কাৰণে অধ্যক্ষ

ডাঙৰীয়া আবকাৰী বিভাগটো সঠিকভাবে কিবা এটা কৰিব লাগিব। আবকাৰী বিভাগৰ কি কি অসুবিধা আছে সেইখিনি লৈ অতি সোনকালে এটা আলোচনা কৰা হওঁক। তেওলোকৰ বাহন নাই অধ্যক্ষ ডাঙৰীয়া। তেওলোক বহু আক্ৰমণৰ বলি হৈছে। মোৰ গাওঁতো তেওঁলোক আক্ৰমণৰ বলি হৈছে। আজিৰ দিনত সাধাৰণ শ্ৰেণীৰ মানুহ এই চুলাই ঘাটিবোৰ চলাই থকা নাই অধ্যক্ষ ডাঙৰীয়া। চুলাই ঘাটিৰ মালিকবোৰ যদি চায় তেওলোক কোটিপতি মানুহ। তেওলোকৰ মানুহ মেনেজ কৰিব পৰা ধন আছে। তেওলোকে পুলিছক- প্ৰশাসন, আবকাৰী বিভাগক ধনেৰে মেনেজ কৰি এই অসামাজিক ঘাটিবোৰ চলাই গৈছে। গতিকে আমি যদি এই ঘাটিবোৰ নাইকীয়া কৰিব বিচাৰো আমি এনেদৰে কেতিয়াও নোৱাৰিম। এই কেইদিন সকলো জিলাতে চুলাই মদৰ অভিযান চলি আছে। মোৰ নিজৰ তিনিচুকীয়া জিলাতে এই কেইদিনৰ ভিতৰত প্ৰায় ১ লাখ লিটাৰ চুলাই মদ ধ্বংস কৰা হৈছে অধ্যক্ষ মহোদয়। এইটো সৰু কথা নহয় । এইটো সমগ্ৰ অসমতে চলি আছে। আমি এইটো ক্ষেত্ৰত সটিক পদক্ষেপ ল'ব নোৱাৰা কাৰনে ৰেভিনিউতো হেৰুৱাইছো লগতে আজি সমগ্ৰ বিশ্বতে আমি এই ঘটনাটোৰ দ্বাৰা লজ্জিত হৈছো। অধ্যক্ষ ডাঙৰীয়া এই লালি গুড়বোৰ গৰুৰ খাদ্যৰ কাৰণে ব্যৱহাৰ কৰা হয়। এই বস্তুটো গাড়ী গাড়ীয়ে যিকোনো মানুহে লৈ যাব পাৰে কোনো বাধা নাই। আজি যদি কাৰোবাৰ চাহ বাগিছা আছে এই বাগিছাৰ চাহপাত বিক্ৰী কৰিবলৈ এটা চাৰ্টিফিকেট লাগে অধ্যক্ষ ডাঙৰীয়া । পঞ্জীয়ন কৰিলেহে চাহপাত ফেক্টৰিত দিব পাৰো। কিন্তু এই লালিবোৰ কোনো চাৰ্টিফিকেট নোহোৱাকৈ মানুহে কিনিব পাৰে। তেওলোকে গৰুৰে খাব বুলি লৈ যায় আৰু লিটাৰে লিটাৰে চুলাই মদ বনায়। গতিকে এই ক্ষেত্ৰত মই এটা সঠিক সিদ্ধান্ত লবলৈ অনুৰোধ জনালো। মই এটা আশা কৰিছো অধ্যক্ষ মহোদয় আমি সকলোৱে মিলি একেলগে ইয়াক নিন্দা কৰি পেলাই এটা সিদ্ধান্ত ল'ম। কিন্তু দূভাৰ্গ্যজনক অধ্যক্ষ মহোদয় আমি ইয়াক লৈ নিজৰ মাজতে অৰিয়াঅৰি কৰি আছো। শেষত এটা অনুৰোধ কৰিব বিচাৰিছো বিনম্ৰভাবে যে যিসকল অন্ততঃ চাহ জনগোষ্ঠী অধ্যুষিত অঞ্চলৰ সন্মানীয় বিধায়ক হৈছো সেইসকলে আহক আমি এই সদনতে প্ৰতিজ্ঞা বদ্ধ হও যাতে নিজ নিজৰ সমষ্টিটো চুলাইমুক্ত সমষ্টি হিচাপে গঢ়ি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰো। অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি সকলোকে আহ্বান জনালো ইয়াকে কামনা কৰি মোৰ বক্তব্য সামৰনি মাৰিছো।

শ্ৰীদুৰ্গা ভূমিজ ঃ গোলাঘাটৰ হালমৰা বাগিছাৰ বিষাক্ত চুলাই মদ সেৱন কৰি যিসকল ব্যক্তিয়ে কৰুণ মৃত্যুক সাবটি ল'লে মই তেখেতসকলৰ আত্মাৰ সদগতি কামনা কৰিছো। চুলাই মদ কেতিয়া বন্ধ হ'ব যেতিয়া চৰকাৰৰ আন্তৰিকতা থাকিব। যেতিয়া আইন কঠোৰ হ'ব, যেতিয়া পুলিছ বিভাগ-আবকাৰী বিভাগ সক্ৰিয় হ'ব তেতিয়া চুলাই মদ বন্ধ হ'ব। এতিয়া আবকাৰী বিভাগে কেনেধৰনে কাম কৰে- কেনেধৰনে কমিশ্যন লয় এই কথাবিলাক সন্মানীয় বিধায়ক অতুল বৰা ডাঙৰীয়াই ক'লে আৰু কেইবাজনেও কৈছে ,মই দোহাৰিবলৈ বিচৰা নাই। আৱকাৰী বিভাগটো এটা বিয়াগোম বিভাগ। এই বিভাগটো আচলতে চুড়ান্ত ব্যৰ্থ হৈছে। এই কথা প্ৰতিপন্ন হৈছে। ২০১৬ চনত এখন আইন amendment হৈছিল আৰু সেই আইণত কি কি আছে ৰাজহুৱা হোৱা নাই। চুলাই মদ বেপাৰীৰ যিটো ফাইন, জৰিমনা একেবাৰে নিম্ন। ধৰা পৰাৰ পিছত তেওলোকে থানাৰ পৰাই জৰিমনা বা টকা পইছা দি ঘৰলৈ গুচি যায়। আজি যদি জেইললৈ পঠোৱাৰ ব্যৱস্থা থাকিলহে তেঁন আৰু অপৰাধীক বিচাৰ কৰাৰ ব্যৱস্থা থাকিলহেঁতেন তেন্তে এইটো কিছু শাম কাটিলহেঁতেন। আজি প্ৰতিবেদনৰ কথা কোৱা হৈছে আমি ২০১৭ চন চেপ্টেম্বৰ মাহত যেতিয়া ৮ জন শ্ৰমিকে Assam Excise চুলাই খাই মৃত্যুবৰন কৰিছিল এই কথা মই বিধান সভাত গৰ্ভমেন্টক কৈছিলো। কিন্তু প্ৰতিবেদনত কোনো কথা উল্লেখ নহ'ল। কোনো ব্যক্তি গ্ৰেপ্তাৰ নহ'ল। আমি কোন কোন দোষী

দেকুৱাই দিছিলো কিন্তু তেওলোক পলাতক হৈ থাকি পুনৰ ঘুৰি আহিল। আজিও তেনেকুৱা হ'ব নেকি এটা শংকা হৈছে। আজি প্ৰতিবেদনৰ কতা কোৱা হৈছে। কিন্তু প্ৰতিবেদন ৰাজহুৱা হ'ব লাগিব লগতে কাৰ্য্যকৰীও হ'ব লাগিব। ফলপ্ৰসু তদন্ত হ'ব লাগিব। চুলাই মদবিলাক আজিকালি দামী দামী গাড়ীত অনা নিয়া কৰে । মোৰ সমষ্ঠিত চুলাই ভেনত- ছাফাৰীত অনা নিয়া কৰে। এইবিলাক বন্ধ কৰাৰ যাৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছে তেওলোকে দেখিও নেদেখাৰ ভাওঁ জোৰে। এতিয়া আবকাৰী বিভাগটো চুড়ান্ত ব্যৰ্থ হৈছে। এই ক্ষেত্ৰত কঠোৰতম আইন হ'ব লাগিব। বিষাক্ত চুলাই মদ খাই শালমৰা বাগিছাত যিসকল ব্যাক্তি ঢুকাইছে তেওলোকৰ পৰিয়ালক মুখ্যমন্ত্ৰী মহোদয়ে ২ লাখ টকা সাহাৰ্য্য ঘোষণা কৰিছে। এতিয়া কোনটো আইনত ২ লাখ টকা দিছে? এতিয়া চাহ জনগোষ্ঠীৰ লোক হোৱা বাবে তেওলোকক ২ লাক টকা দিয়া হ'ব বুলি আমি ধৰিম নেকি বাৰু? যদি হৈছে এইটো নিতান্তই দূৰ্ভাগ্যজনক। এতিয়া নতুন আইন হৈছে- ৫ লাখ টকা দিয়া হয়। কিয় ৫ লাখ দিয়াৰ বাবে ঘোষণা কৰা নাই? গৰ্ভমেন্টৰ যদি সৎ সাহস আছে আজি ঘোষণা কৰক। আমি ৰাজনীতি কৰিব বিচৰা নাই । ইয়াত জৰিত আছে, আমাৰ ৰিহন দৈমাৰী ডাঙৰীয়াও। আমাৰ লালিবোৰৰ যোগানৰ লগত ফুড এণ্ড চিভিল চাপ্লাই বিভাগ জড়িত হৈ আছে। ইমান মানুহ মৰাৰ পিছতো আজিলৈকে কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। যিবোৰ লালিগুড় জব্দ কৰিছে সেইখিনি কি কৰিব? আকৌ মালিকক ঘুৰাই দিব নেকি?

**শ্রী রাজদীপ গোয়ালা :-** মাননীয় অধ্যক্ষ মহোদয়, প্রথমেই গোলাঘাট এবং যোরহাটে যে ঘটনা ঘটেছে, যে ঘটনাতে ১৫০-এর অধিক শ্রমিকের মৃত্যু হয়েছে। বিভিন্ন সংবাদ মাধ্যমে পেয়েছি যে ৩০০-এর অধিক লোক এখনও চিকিৎসাধীন রয়েছেন। আমি প্রথমেই প্রার্থনা করছি। যাঁদের মৃত্যু হয়েছে তাঁদের আত্মার চিরশান্তি কামনা করছি এবং যাঁরা চিকিৎসাধীন রয়েছেন, ভগবানের কাছে প্রার্থনা করছি অতি সত্বর যাতে তাঁরা সুস্থ হয়ে উঠেন।

মাননীয় অধ্যক্ষ মহোদয়, আজ যে ধরনের একটা ট্র্যাজেডি হয়েছে, আমি বলব হয়তো ভারতবর্ষে এই ধরনের ট্র্যাজেডি আর হয়নি। কিছু দিন আগে উত্তর প্রদেশে শুনেছিলাম এই ধরনের ঘটনা ঘটেছে। আজ আমাদের নিজের রাজ্যেই এত বড় একটা ঘটনা হয়েছে, এত জন লোক এফেক্টেড হয়েছেন এই ঘটনায়। মাননীয় অধ্যক্ষ মহোদয়, আজ আমি আপনাকে অনুরোধ করব, এই হাউসকে অনুরোধ করব যে হাউস থেকে একটা ম্যাসেজ যেতে লাগে ওই ঘটনায় যাঁরা মারা গেছেন, ওদের পরিবারকে কি ভাবে আমরা সাহায্য করতে পারি। যাঁরা এখনও মেডিক্যালে চিকিৎসাধীন হয়ে আছেন, ওদের চিকিৎসার সমস্ত ব্যবস্থা কি ভাবে করা যায়। যাঁরা মারা গেছেন, তাঁরা অনেকেই পরিবারের ব্রেড আর্নার ছিলেন। উনারা মারা যাওয়ায় ওদের পরিবার এখন আগামী দিনে কী ভাবে চলবে? তাঁরা কিন্তু বুঝতে পারছেন না তাঁদের ফিউচার কী? এই ধরনের একটা সিচিউয়েশন হয়েছে। আজ কম্পেনসেশনের কথা বলা হয়েছে, কিন্তু যতই কম্পেনসেশন দেওয়া হোক না কেন, যাঁরা মারা গেছেন, তাঁরা কিন্তু আর ফিরে আসবেন না। সরকারকে আমি অনুরোধ করব যে ওই পরিবারগুলোকে অর্থাৎ যাঁরা মারা গেছেন, তাঁদের পরিবারকে ১০ লক্ষ টাকা করে রিলিফ দেওয়ার একটা ব্যবস্থা করা হোক। State Govt.-এর পক্ষ থেকে এটা যেন করা হয়। কিন্তু Central Govt.-এর পক্ষ থেকে কোনও কম্পেনসেশনের কথা শুনিনি এখনও। আশা করছি যে একটা বড় ধরনের কম্পেনসেশন যেন কেন্দ্রীয় সরকারের পক্ষ থেকে ওই পরিবারগুলোকে দেওয়া হয়। অনেক বিধায়করা বলেছেন, যাঁদের চিকিৎসা হচ্ছে সেই চিকিৎসাতে আই সি ইউ-এর অভাব, বেডের অভাব রয়েছে। মাননীয় অধ্যক্ষ মহোদয়, আমি অনুরোধ করব যে কোনও ধরনের ব্যবস্থা

করে যাঁরা ক্রিটিক্যাল কন্ডিশনে আছেন, ওদেরকে বাঁচানোর জন্য যদি এয়ার অ্যাম্বুলেন্সের ব্যবস্থা করা যায়, তাহলে এয়ার অ্যাম্বুলেন্সের ব্যবস্থা করে ওদের চিকিৎসার ব্যবস্থা করুন। সেই অনুরোধ রাখছি আমি। আজ বিভিন্ন বক্তার কথায় দেখা গেছে কিছু এক্সাইজ ডিপার্টমেন্টেল অফিসিয়ালস, যে ডিপার্টমেন্টের দায়িত্ব হচ্ছে অবৈধ মদ বন্ধ করা, এক্সাইজ অ্যাক্ট যাদের এনফোর্স করার কথা, ওরা এখন হয়ে গেছে ফেসিলিটেটর। আমি সবাইকে বলছি না, জেনারেলাইজ করব না। কিন্তু অনেক এই ধরনের অফিসিয়ালস রয়েছেন, যাদের বিরুদ্ধে কড়া ব্যবস্থা নেওয়ার জন্য আমি অনুরোধ জানাচ্ছি। এবং ওই ট্র্যাজেডি যে ঘটনা হয়েছে আমাদের রাজ্যে, সেই ঘটনার ওপর একটা উচ্চ পর্যায়ের তদন্তের দাবি রাখছি। বিশেষ করে আরও কয়েকটি কথা আমি আপনাদের জানাতে চাই এক্সাইজ ডিপার্টমেন্ট বিভিন্ন ধরনের সোর্স থেকে অ্যালকোহলের মাধ্যমে, লিকারের মাধ্যমে রেভিনিউ জেনারেট করে। 'শ-শ' কোটি টাকা, হাজার- হাজার কোটি টাকা রেভিনিউ জেনারেট হয়। কিন্তু আজ সেই এক্সাইজ ডিপার্টমেন্ট, নিজের ডিপার্টমেন্টের ইনফ্রাস্ট্রাকচারের জন্য কত টাকা ওদের দেওয়া হচ্ছে? ওদের ডিপার্টমেন্টের গাড়ি সহ বিভিন্ন ধরনের ব্যবস্থার প্রয়োজন রয়েছে। নতুন ভাবে অ্যাপয়েন্টমেন্টের প্রয়োজন রয়েছে। যত অফিসিয়ালসের প্রয়োজন, তত লোক নেই। আজ ওই রেভিনিউ আর্নিং ডিপার্টমেন্ট স্ট্রেংদেন করার জন্য কত টাকা দেওয়া হয়েছে, সেদিকে আমাদের লক্ষ্য রাখতে হবে। যদি এক্সাইজ অ্যাক্টকে এনফোর্স করতে হয়, অবৈধ মদ বন্ধ করতে হয়, তাহলে আমরা এর জন্য চাই একটা লং টার্ম সলিউশন। এই ট্র্যাজেডিতে অনেক লোকের মৃত্যু হয়েছে। কিন্তু এভাবে রোজই কোনও কোনও জায়গায়, বিভিন্ন জেলায় লোক মারা যাচ্ছে। এবং এটা এনফোর্স করার জন্য এক্সাইজ ডিপার্টমেন্টকে ভালো একটা বাজেট সেংশন করার দরকার আছে। যাতে ওরা এই ইলিগাল লিকার বন্ধ করতে পারবে। এই দুঃখের সময় আমরা সবাই দুঃখিত, মর্মাহত ওই ঘটনার জন্য। এই দুঃখের সময় আমি সরকারকে অনুরোধ জানাব যে সব কার্যসূচি বন্ধ রেখে আমরা যেভাবে বিধানসভায় এই আলোচনা করছি, সেভাবে সরকারের বিভিন্ন কার্যসূচি বন্ধ রেখে সমস্ত সরকারি মেশিনারিকে ওই লোকদের কিভাবে সাহায্য করা যায় সেই জায়গায় আমাদের কনসেনট্রেশন করতে হবে, ফোকাস করতে হয়। লাস্টলি, আমি একটা কথা বলব বিভিন্ন বড় বড় লিকার কোম্পানি রয়েছে, যারা হাজার-হাজার কোটি টাকা প্রোফিট করছে। ওদের সোসিয়াল রেসপন্সিবিলিটি রয়েছে কি না? ওদের সোসিয়াল রেসপন্সিবিলিটি যেটা আমরা 'সি এস আর' বলি, ওরা কী কী কাজ করছে আমাদের ওই অঞ্চলগুলোতে? এই সি এস আর-এর টাকা দিয়ে কী কী কাজ হচ্ছে, কী ওয়েলফেয়ার হচ্ছে? এটাও আমাদের দেখার প্রয়োজন রয়েছে। বিশেষ করে আমরা যারা বিধায়ক রয়েছি, আমাদের নেতৃত্ব দিয়ে আমাদের বিধানসভা কনস্টিটুয়েন্সিতে এই ইলিগাল লিকারের ব্যবসাটা বন্ধ করার প্রয়োজন আছে। তাছাড়া প্ল্যান্টেশন লেবার অ্যাক্টে প্রত্যেক বাগানে একজন করে ওয়েলফেয়ার অফিসার নিযুক্তির প্রভিশন রয়েছে। কিন্তু অনেক বাগানে ওয়েলফেয়ার অফিসার নেই। এই ওয়েলফেয়ার অফিসারের মাধ্যমে বিভিন্ন ধরনের অ্যান্টি সোসিয়াল অ্যাক্টিভিটি রিমোভ করার জন্য এবং বন্ধ করার জন্য ওদেরকে কাজে লাগানোর দায়িত্ব রয়েছে আমাদের। আমার মনে হয় সরকার ওই দিশাতে কাজ করবে। এই অ্যালকোহলের মধ্যে আমাদের কাছাড়ে, শিলচরে, বরাক ভ্যালিতে কয়েক দিন পরপর শোনা যাচ্ছে ড্রাগসের অভারডউজে অনেক লোক মারা যাচ্ছে। কোনও সময় কোনও শপিং মলে, কোনও হোটেলে লাশ উদ্ধার হচ্ছে— এটাও কিভাবে বন্ধ করা যায়, তার জন্য আমি সরকারকে বলব পদক্ষেপ নিতে। এই কথাগুলো বলে আমি আমার বক্তব্য শেষ করছি।

**माननीय অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী ভূৰন পেগু ।

**শ্ৰী ভূৰন পেগু (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখিনি বেদনা দায়ক ঘটনা ঘটিল ১৫০ তকৈ অধিক মানুহৰ মৃত্যু হ'ল, তাৰ কাৰণে মই শোক প্ৰকাশ কৰি সমবেদনা জ্ঞাপন কৰিছো। এইটো উচ্চ পৰ্য্যায়ৰ তদন্ত কৰিব লাগে, যি সকল দোষীয়ে এই বিষাক্ত producation টো কৰি খুৱাই মানুহৰ মৃত্যু ঘটালে তাৰ এক উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি দৃষ্টান্ত মূলক শাস্তি হ'ব লাগে এইটো মোৰ দাবী উত্থাপন কৰিছো। দ্বিতীয়তে, লালিগুড়ক লৈ আপোনাৰ চুলাই মদ প্ৰস্তুত হৈছে এইটো সকলোৰে জানে আৰু সকলো ঠাইতে অকল চাহ বাগানতে নহয়, মোৰ জিলাতো আছে। এটা কথা লক্ষ্যণীয় আপোনাৰ ল'ৰা-ছোৱালী বা মোৰ ল'ৰা-ছোৱালীয়ে লালিগুড়ৰ producation চুলাই নাখায়। এইটো বহুত Important বিষয় অধ্যক্ষ মহোদয়, আমিও ১০ টকাত চুলাই পাম, ২০ টকা দিলে আমিও আমাৰ গাওঁত চুলাই পাম কিন্তু অধ্যক্ষ মহোদয় আপোনাৰ ল'ৰা-ছোৱালী আৰু আমাৰ ল'ৰা-ছোৱালীয়ে চুলাই নাখায়, খায় একেবাৰে দিন হাজিৰা কৰি থকা মানুহখিনিয়ে। চাহ বাগানৰ মানুহখিনিক আজি ২০০/৩০০ বছৰে লেবাৰ হৈ থাকিব লাগে বুলি যিটো মানসিকতা বা এটা system বনাই থৈছে সেই system টোৰ দোষ অধ্যক্ষ মহোদয়। সেই system টো যদি চাহ বাগিচাৰ নাগৰিক সকলক যদি আপোনাৰ, মোৰ ল'ৰা-ছোৱালীয়ে যিটো স্তৰ পাইছে, সেই স্তৰত আনিবলৈ ব্যৱস্থা নকৰো কালিলৈ লালিগুড়বোৰ বন্ধ কৰিম, কিন্তু বেলেগ ১০ টকীয়া মদ বিচাৰি ফুৰিব। গতিকে মই ভাবো যে বিধান সভাই যদি কিবা কৰিব লাগে, এই বাগানৰ যিটো system বনাই থৈছে যুগ যুগ ধৰি বৃটিছে বনোৱা system, সেই system টোক ভাঙি তাৰ মানুহখিনিক শৈক্ষিকভাবে, অৰ্থনৈতিক ভাবে আৰু সামাজিক ভাবে উঠাই লৈ অহাৰ যিটো পৰিকল্পনা, সেই পৰিকল্পনাটোত মন দিলে এটা পৰিবৰ্তন হ'ব। আৰু এটা বিষয় আনিব বিচাৰিছো আজি এই বিষয়টোক লৈ, চুলাই মদৰ কাৰণে যিহেতু মৃত্যু ঘটিছে, ইয়াক লৈ বহুত ডাঙৰ আলোচনা হৈ আছে। মই যোৱা বহু বিধান সভাত লক্ষ্য কৰিছো, যেতিয়াই এই আলোচনাবোৰ হয় আৰু এটা বিষাক্ত slow poisioning বাগানত যে হৈ আছে এই Pesticides আৰু Chemical fertilizer প্ৰত্যেক দিনে ব্যৱহাৰ হৈ আছে, এইটোৰ কাৰণে যে বাগানৰ মানুহ Slow poisioning হৈ আছে যুগ যুগ ধৰি এই কথা অধ্যক্ষ মহোদয়, ভালকৈ পোহৰলৈ অহা নাই কিন্তু কেতিয়াবা BBC ৰ দৰে International News বিলাকত এই বিষয়বোৰ আহি আছে। আমাৰ নিজৰ মাটি এডোখৰ আছে ২০/২৫ বিঘা। তাতে ১০ বিঘা মাটি জংঘল আৰু ১০ বিঘা মাটিত চাহৰ খেতি আৰম্ভ কৰিছিলো। কিন্তু এই বাগানখন কৰাৰ ৪ বছৰ পিছত দেখা পালে যে তাত এটাও চৰাই নাই আৰু যেতিয়া মই গম পালো যে তাত বহুত Pesticides আৰু Chemical fertilizer ৰ ব্যৱহাৰ কৰে।মোৰ বাগানত কাম কৰা ল'ৰা বিলাকে আৰু সিহতে চৰাইবোৰ মাৰিবলৈ এই ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰে। তেতিয়া মই সেই ল'ৰা বিলাকক ক'লো যে এইটো তৎক্ষনাত বন্ধ কৰক, চাহ বাগানৰ অৱস্থা যি হয় হ'ব। এতিয়া এই কামটো ৫ বছৰ মান বন্ধ কৰাৰ পিছত এতিয়া মোৰ বাগানৰ গছ-গছনিত যথেষ্ট পৰিমাণে চৰাই দেখিবলৈ পোৱা যায়। ইয়াৰ পৰা বুজা যায় যে এই বিষাক্ত ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ ফলত চৰাই চিৰিকটিও যথেষ্ট পৰিমাণে আক্ৰান্ত হয়। এই বিষাক্ত ৰাসায়নিক দ্ৰব্য ৰ ব্যৱহাৰ ২০০/৩০০ বছৰ ধৰি বাগানত চলি আছে আৰু এই লালিগুড়ৰ ব্যৱহাৰ মোৰ সমষ্টিতো চলি আছে এই কথা মোৰ জ্ঞাত। কিন্তু এই লালিগুড়ৰ য'ত stock কৰা হয় তাত Pesticide আৰু Chemical fertilizer একেলগে ক'ৰবাত ক'ৰবাত জমা কৰাৰ কাৰণে এই বিষাক্ত ৰাসায়নিক দ্ৰব্য যদি কিবাকৈ লালিগুড়ৰ লগত মিহলি হয়, তেতিয়া হ'লে আৰু মানুহ

মৰিব। গতিকে এই বিষয়বোৰ তদন্ত কৰিব লাগে আৰু ক'ত কেনেকৈ এইটো উৎপাদন কৰি কোনে ষড়যন্ত্র কৰিলে তাৰ এটা উচ্চ পৰ্য্যায়ৰ তদন্ত হোৱাৰ লগতে ক্ষতি পুৰণৰ ক্ষেত্ৰটো চৰকাৰে দৃষ্টি ৰখা উচিত। যিহেতু এইটো এটা ডাঙৰ Human Tragedy আৰু শেষত মই চৰকাৰক ধন্যবাদ জনাব বিচাৰিছো যে যুগ যুগ ধৰি যিটো বঞ্চনাৰ ব্যৱস্থা চলি আছিল সেইটো নোহোৱাৰ কাৰণে চৰকাৰে যি বিলাক আঁচনি লৈছে আৰু সেই আঁচনি বিলাক যাতে ভালকৈ বলবৎ হয় তাৰ বাবে চৰকাৰে দৃষ্টি ৰখাটো উচিত।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনত সেইদিনা কথাটো যেতিয়া উত্থাপন হৈছিল আপুনি চৰকাৰৰ ফালৰ পৰা বিবৃত্তি দিবলৈ নিৰ্দেশ দিছিল আৰু মোৰ পিছত হয়তো আৰকাৰী মন্ত্ৰীয়েও কব দুআষাৰ। আমি চৰকাৰৰ তৰফৰ পৰা দুটামান কথা ক'ব বিচাৰিছো। অধ্যক্ষ ডাঙৰীয়া গোলাঘাট আৰু যোৰহাট জিলাত যিটো ঘটনা ঘটি গ'ল আৰু তাত নিৰীহ মানুহে প্ৰাণ আহুতি দিলে গতিকে তেখেত সকলৰ আত্মাই শান্তি লাভ কৰক।

**মাননীয় অধ্যক্ষ** ঃ Chief Minister has given him authority to give the statement. আৰু বাকীখিনিও তেখেতে কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় সদস্য)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে কি হৈছে, মই এটা হালধীয়া চোলা পিন্ধি আহিছো, মোৰ চোলাৰ এঠাইত দাগ লাগি আছে। মানুহে কয় পাটোৱাৰী ইমান Indiscipline ইয়াত ৰঙচুৰা দাগ আছে। মই হালধীয়া চাৰ্ট কালি বাদ দিলো বাদ দি বগা চাৰ্ট পিন্ধি আহিলো, তাতো একে জাগাতে দাগ লাগি আছে। তাৰ পিছত নীলা চাৰ্ট পিন্ধিলো আৰু দাগ এখেতে ইমান Indiscipline ইমান কোৰাৰ পিছতো দাগ লাগি থাকিল তেওঁৰ এনেকুৱা কথা। আচলতে এই দাগটো কিয় লাগিছে মোৰ চাৰ্টটোৰ তলত এটুকুৰা ঘা আছে, সেই ঘা টুকুৰাৰ কাৰণে এই দাগটো পৰে। গতিকে আমি কি কৰিব লাগিব, সমালোচনা যি সকলে কৰিছে, চাৰ্টটোত বাৰে বাৰে এটা দাগ লাগি থাকে, সেই দাগটোৰ ওপৰত আলোচনা কৰিবলৈ বাদ দি আমি কি কৰিব লাগিব যে আপোনাৰ পেটত ঘা এটুকুৰা আছে যি চাৰ্টে নিপিন্ধক দাগ লাগি যায় । গতিকে দাগটোৰ ওপৰত আলোচনা কৰিবলৈ বাদ দি ঘা টুকুৰাত মলম লগাওক বা ঔষধ খাওক। এই ঘা টুকুৰাৰ কথা আলোচনা নকৰি দাগটোৰ কথা আলোচনা কৰি থাকিলে আমাৰ সমস্যা কেতিয়াও সমাধান নহয়। অধ্যক্ষ ডাঙৰীয়া। গতিকে আমি ঘা টুকুৰাত যাব লাগিব। বৃটিছে যেতিয়া ইয়াত চাহ-বাগিচা প্লেন্টেশ্যন কৰিছিল, তেতিয়াৰ পৰা বাগানত কাম কৰা মানুহখিনিক এনেকুৱা এটা পৰ্যায়ত ৰাখিলে যাৰ ফলত আজি এনেকুৱা এটা ট্ৰেজেডি হ'বলৈ পালে। এই বিষয়টোত অকল এক্সাইজ ডিপাৰ্টমেন্টক দোষ দিলে নহ'ব। এক্সাইজৰ লগতে পুলিচ বিভাগ, ফুড এণ্ড চিভিল চাপ্লাই আৰু জিলা প্ৰশাসনো জড়িত হৈ আছে। গতিকে গোটেই কেইটা বিভাগে এটা কম্বাইন এফ'ৰ্ট লৈ কৰিব লাগিব। আমি যদি চাও ব্ৰিটিচৰ দিনৰপৰা যিটো কাম চলি আছে, আমি সকলোৱে কৈ আছো যে এইটো বন্ধ কৰি দিব লাগে আৰু এইটো বন্ধ নকৰিলে নহ'ব। সভাপতি ডাঙৰীয়া, মুখ্যমন্ত্ৰী সোণোৱাল ডাঙৰীয়াৰ চৰকাৰ হৈছে ২০১৬ চনত। ২০১৬ চনৰ পৰা ১৯১০ চনৰ এখন এক্সাইজ এক্ট মতে যে এই গোটেই কথাখিনি চলি আছিল তাৰ এটা পৰিৱৰ্তন অনাৰ কাৰণে বিগত দিনত ব্যৱস্থা লোৱা নহ'ল। নোহোৱাৰ কাৰণে অসাধু যিসকল ব্যৱসায়ী, সেই অসাধু ব্যৱসায়ী সকলে এই সুবিধাখিনি ইমানদিন গ্ৰহণ কৰি থাকিল। এতিয়া গোটেই কথাখিনি জুইত হাত দিয়াৰ নিচিনা। গতিকে জুইত হাত দিবলৈ কোনেও চিন্তা কৰা নাই। গতিকে সভাপতি মহোদয়, এই গোটেই চিষ্টেমটোৰ এটা পৰিৱৰ্তন বিচাৰিছিল

জনতা পাৰ্টিৰ চৰকাৰে, তেতিয়া গোলাপ বৰবৰা মুখ্যমন্ত্ৰী হৈ আছিল। চুলাই মদৰ যিটো মহলদাৰী চিষ্টেম, ইয়াৰ পৰিৱৰ্তন স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে জনতা পাৰ্টিৰ চৰকাৰে আৰম্ভ কৰিছিল। তেওঁ আৰম্ভ কৰি প্ৰাইজ কি পালে! ডুমডুমাত ত্ৰিৱেনী সিং, গোলাঘাটৰ মোহন জালানে তেওঁৰ চৰকাৰ সাত দিনৰ ভিতৰত ভাঙি দিছিল, ইমান শক্তিশালী লবী। গতিকে ইয়াত যিয়ে হাত দিছে,চৰকাৰ ভাঙি গৈছে। কিন্তু ইমান ষ্ট্ৰং লবীৰ ওচৰত আমি, আমাৰ বৰ্তমানৰ চৰকাৰে হাৰ মানিছো নেকি ! এইটোহে ডাঙৰ কথা হ'ব সভাপতি ডাঙৰীয়া। আমাৰ চৰকাৰে এই লবী, এই জুইৰ ভিতৰত হাত সুমুৱাই দিবলৈ কুণ্ঠাবোধ কৰা নাই। সেইকাৰণে আমি ১৯১০ ৰ যিখন এক্সাইজ এক্ট , এইখন আমি সংশোধন কৰি লৈছো। সংশোধন কৰি কৈছো যে চুলাই মদৰ যিটো মহলদাৰী চিষ্টেম, সেইটো এব'লিচ কৰা হ'ব আৰু বটলিং চিষ্টেম হ'বলাগিব। এইখিনি কথা আৰম্ভ হৈছে। মই পোৱা খৰৰ মতে যিটো বটলৰ চিষ্টেম এতিয়া কৰা হৈছে, সেই চিষ্টেমটো গোলাঘাট জিলা আৰু যোৰহাট জিলাত এনকাৰেজ কৰা নাই, তাত এটা ডাঙৰ লবীয়ে কামবিলাক কৰি আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত এই চৰকাৰখনে এটা যুগান্তকাৰী পদক্ষেপ লৈছে যে এই আইনখন সংশোধন কৰি যিসকল অসাধু ব্যৱসায়ী তেওঁলোকে ধৰা পৰিলে পাঁচ বছৰ জেলত থাকিব লাগিব। ইয়াৰ উপৰিও বহুলাখ টকাৰ ফাইনৰ ব্যৱস্থাও কৰা হৈছে। সভাপতি ডাঙৰীয়া, সদনক এইটো আশ্বস্ত কৰিব বিচাৰিছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই অসমৰ চাহ-বনুৱা সকলৰ প্ৰতি তেখেতৰ যি আন্তৰিকতা, সেই আন্তৰিকতাটো আপোনালোক সকলোৱে দেখিছে। আমাৰ দূৰ্গা ভূমিজ ডাঙৰীয়াৰ ডুম-ডুমাত বৰডুমচা চাহবাগিচাত হোৱা ' কৰম 'সন্মিলনত মুখ্যমন্ত্ৰী ডাঙৰীয়াই পৰম আন্তৰিকতাৰে ষ্টেজত নামি গৈ চাহ-বনুৱা ভাই সকলৰ লগত মিলি গৈছিল। ভূৱন পেগু ডাঙৰীয়াই এটা ভাল কথা কৈছে যে এওঁলোকক যদি আমি অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰিব পাৰো , তেতিয়াহ'লে এইবিলাক সমস্যাৰ পৰা তেওঁলোক আঁতৰি থাকিব। এই অৰ্থনৈতিক স্বাৱলম্বী কৰাৰ কাৰণে আমি এই অঞ্চল বিলাকত ৰাস্তা বনোৱাৰ কথা চিন্তা কৰিছো। আমাৰ মাননীয় মন্ত্ৰী পল্লৱ লোচন দাস ডাঙৰীয়াই কৈছে যে এটা ডাঙৰ আন্দোলন হ'ব লাগিব মদৰ বিৰুদ্ধে। সভাপতি ডাঙৰীয়া, এই সম্পৰ্কত আমি ভালকৈ মতামত দিব নোৱাৰো। কাৰণ আমি পথাৰৰ ধানৰ খেতিহে চিনি পাও, চাহ-বাগিচা নহয়। ১৯৮৫ চনত প্ৰথমবাৰৰ কাৰণে নাজিৰা সমষ্টিত হোৱা উপ-নিৰ্বাচনত মই চাহ-বাগিচাত কি ৰাজনীতি চলে মই দেখিছিলো। মই বিচুৰ্তি খাইছিলো যে মানুহ বিলাকক আমি কোনদিশে লৈ গৈ আছো মানুহবিলাকক আমি কেনেধৰণে ব্যৱহাৰ কৰিছো মানৱ অধিকাৰ সঁচাকৈ তেওঁলোকৰ আছেনে লাই সেইকাৰণে আজি আমাৰ চৰকাৰে তেওঁলোকক অৰ্থনৈতিকভাৱে সৱল কৰাৰ কাৰণে বিনামূলীয়া চাউল দিয়াৰ ব্যৱস্থা কৰিছো। বৃটিছৰ দিনৰ পৰা তেওঁলোকক নিমখ খুৱাই আছে,যাতে ব্লাড প্ৰেচাৰ হৈ মৃত্যু মুখত পৰে । ব্ৰেইনত থকা নিউৰো চেল বিলাকক চুগাৰ লাগে। কিন্তু এই চুগাৰ তেওঁলোকক দিয়া হোৱা নাছিল,নিমখ খুৱাই আছিল। প্ৰথমবাৰৰ বাবে আমাৰ চৰকাৰে সিদ্ধান্ত লৈছো যে অসমৰ চাহ-বাগিচাৰ বনুৱা ভাই সকলক দীৰ্ঘদিন জীয়াই থকাৰ কাৰণে, মনত থকা শক্তি বৃদ্ধিৰ বাবে, স্বাস্থ্যৰ শ্ৰীবৃদ্ধিৰ বাবে আমি দুই কিলো কৰি হ'লেও তেওঁলোকক চেনি দি চেনি খোৱাৰ এটা অভ্যাস কৰাৰ ব্যৱস্থা কৰিছো। আমি মহলদাৰী চিষ্টেমটো এব'লিচ কৰাৰ ব্যৱস্থা লৈছো। সভাপতি ডাঙৰীয়া, ৰোজলীনা তিৰ্কী ডাঙৰীয়ানীয়ে এটা ভাল কথা কৈছে ট্ৰেড ইউনিয়ন আৰু মালিক পক্ষই মিলি লেবাৰৰ কথাটো বাদ দি ৰেটটো ঠিক কৰি লয় আৰু তেওঁলোকে যি কয় সেইটোৱে বনুৱা-ভাই সকলে মানি লয়। শ্ৰীৰূপজ্যোতি কুৰ্মী,বিধায়ক ঃ সভাপতি মহোদয়, নিমখ-চেনিৰ কথা কৈ লাভ নাই, লাইফ চেভিং ট্ৰাষ্ট কিবা অনাৰ ব্যৱস্থা কৰিছে নেকি সেইটো কওঁক, আৰু আপোনালোকে পাঁচ

লাখ টকা থাকোতে আকৌ দুই লাখ  টকা যে ঘোষণা কৰিলে কাৰণটো কি  ?

(সদনত হুলস্থূল) ..

(Hon'ble Chairman Shri Wazed ali Choudhury on the Chair)

আজি আমাৰ মাননীয় বিধায়ক শ্ৰী ভূবন পেগু ডাঙৰীয়াই কৈছে যে এটা বৈপ্লৱিক পৰিবৰ্তন লাগিব। গোটেই চীচটেমটোৰ পৰিবৰ্তন লাগিব। এই চীচটেমটোৰ পৰিবৰ্তন আনিবৰ কাৰণে মদৰ মহলৰ মালিকে গোলাপ বৰা চৰকাৰ ভাঙি দিছিলে। কিন্তু আজি সৰ্ব্বানন্দ সোনোৱালৰ চৰকাৰে এই মহলৰ বিৰুদ্ধে আজি Assam Excise Act, 2018 আইন amend কৰিছে  যাতে এই চুলাই মদ খাই মানুহ নমৰে। আপোনালোকে এই ষ্টেপ লোৱাৰ কাৰণে সোনোৱাল ডাঙৰীয়াৰ চৰকাৰক ধন্যবাদ জনাব লাগে।

(সদনত হুলস্থুল)

(Hon'ble Speaker on the Chair)

মানুহ মৰাৰ কাৰণ আছে এনেই মানুহ মৰা নাই। Amend কৰিছো যদিও আবকাৰী বিভাগে একেদিনেই গোটেই শেষ কৰি দিব নোৱোৰে। তাতে বিৰোধী পক্ষ তথা ৰাইজৰ সহায় লাগিব। আমি অকলে পাৰিম বুলি কোৱা নাই। ATTSA ত আগতে কাম কৰা টৈৰছ গোৱালা ডাঙৰীয়া, পল্লৱ লোচন দাস ডাঙৰীয়া তেওঁলোকে আগতেই ধুনীয়াকৈ গোটেইখিনি কথা কৈছে। কিন্তু ইয়াত এটা কথা উল্লেখ কৰিছে যে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া হস্পিতাল যোৱা নাই। কিন্তু তেখেত হস্পিতাললৈ গৈছে আৰু তেখেতে প্ৰত্যেকটো মূহূৰ্ত্ততে খবৰ লৈ আছে। অধ্যক্ষ ডাঙৰীয়া হস্পিতালত যিখিনি চিকিৎসাধীন হৈ আছে তেওঁলোকৰ চিকিৎসাৰ ক্ষেত্ৰত আমি বিভিন্ন মেডিকেল কলেজৰ পৰা তাত প্ৰফেচাৰ বা ডাক্তৰ প্ৰেৰণ কৰিছো। স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই নিজে তাত গৈ সকলো দিশ চাইছে আৰু সেই অঞ্চল সমূহ তেখেতে ভ্ৰমণ কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে প্ৰতিটো মূহূৰ্ত্তত গোটেই চীচটেমটো তদাৰক কৰিছে । তাৰোপৰি আই চি ইউ ৰ সংখ্যা কম আছে বুলি ও এটা কথা কোৱা হৈছে। । আমাৰ মুঠ আই চি ইউ হৈছে ২৮ টা। ইয়াত কিন্তু ভুলকৈ তথ্য দিয়া হৈছে। এই ২৮ টা আই চি ইউ ৰ ভিতৰত মেডিচিন আই চি ইউ  ৯ টা, চাৰ্জিকেল আই চি ইউ  ৯ টা, আই চি চি ইউ ৪ টা, কেজুৱেলিটী আই চি ইউ  ৬ টা আছে। আৰু এই ২৮ টাই কাৰ্য্যক্ষম হৈ আছে। গতিকে এইটো সত্য নহয় যে মেডিকেলত চিকিৎসা লেপচ্ হৈছে।  মই এগৰাকী মন্ত্ৰী  হিচাবে দায়িত্ব সহকাৰে এইখিনি কৈ আছো। আমি Assam Excise Act, 2018 যিখন আইন amend কৰিছো যাতে আগন্তুক দিনত এনেকুৱা ঘটনা বিলাক নঘটে তাৰ বাবে এই আইনখন ষ্ট্ৰিকলী কৰাৰ ব্যৱস্থা কৰা হ'ব আৰু ৰাজনৈতিক মতাদৰ্শৰ ওপৰত আমি সকলোৱে এই আন্দোলনত আহিব লাগিব। যদিহে আমি এই আন্দোলটো গঢ়ি তুলিব পাৰো তেন্তে আমি ভাৰো যে এনে ধৰণৰ দূৰ্ঘটনা আৰু কেতিয়াওঁ নঘটে। আমাৰ আবকাৰী মন্ত্ৰীয়ে তেখেতৰ বিভাগৰ বিষয়ে কথাখিনি ক'ব। মই এটা ষ্টেটমেণ্ট দিব বিচাৰিছো। গোচৰৰ বিৱৰণ এনেধৰণৰ যোৱা ইং ২১-০২-২০১৯ তাৰিখে সন্ধিয়া প্ৰায় ৬ মান বজাত সংবাদ পোৱা গৈছিল যে গোলাঘাট থানাৰ অন্তৰ্গত হালমিৰা চাহবাগিছাত অবৈধ সুৰা বিক্ৰী কৰা ঘৰত ভেজালী দেশীয় সুৰা (চুলাই মদ) সেৱন কৰি ৪ (চাৰি) গৰাকী মহিলা বিষাক্ত দেশীয় সুৰা সেৱন কৰি প্ৰাণ হেৰুৱায়। ক্ৰমান্বয়ে মৃতকৰ সংখ্যা বৃদ্ধি হৈ গৈছিল আৰু সেই একে সুৰা সেৱন কৰি মৃত্যু হোৱা সংবাদ যোৰহাট জিলাৰ পৰাও পোৱা গৈছিল।

তাৎক্ষনিক ভাৱে ২৫-০২-২০১৯ তাৰিখে ৰাতিপুৰা ৯ বজালৈ মৃতকৰ সংখ্যা আছিল

এনেধৰণৰ ঃ

সৰ্ব্বমুঠ মৃতকৰ সংখ্যা - ১৫৫

**গোলাঘাট জিলাৰ**

মৃতকৰ সংখ্যা - ৯৫(পুৰুষ-৬৬ মহিলা - ২৯)

চিকিৎসাধীন - ৯৭(পুৰুষ-৭৪ মহিলা - ২৩)

গ্ৰেপ্তাৰ কৰা লোক - ২৬

**দেশীয় সুৰা ধ্বংস কৰা হৈছে ঃ**

২৪-০২-২০১৯ ৰ আগত - ৪২০০০ লিটাৰ।

২৪-০২-২০১৯ ৰ পিছত - ১০০০০ লিটাৰ।

**যোৰহাট জিলাৰ**

মৃতকৰ সংখ্যা - ৬০ (পুৰুষ-৪৩ মহিলা - ১৬)

চিকিৎসাধীন - ১৭১

গ্ৰেপ্তাৰ কৰা লোক - ৮

**দেশীয় সুৰা ধ্বংস কৰা হৈছে ঃ**

২৪-০২-২০১৯ ৰ আগত - ১৯০০০ লিটাৰ।

২৪-০২-২০১৯ ৰ পিছত - ৫০০০ লিটাৰ।

উক্ত ঘটনা সন্দৰ্ভত এই মূহুৰ্ত্তলৈকে লোৱা পদক্ষেপবোৰ এনেধৰণৰ ঃ

১) ইতিমধ্যে গোলাঘাট থানাত উক্ত ঘটনা সন্দৰ্ভত ৩ (তিনি) টা গোচৰ আৰু যোৰহাট জিলাৰ বৰহলা থানাত ২(দুই) টা গোচৰ ৰুজু হৈছে আৰু গোচৰৰ বিৱৰণ এনেধৰণৰ ঃ

**গোলাঘাট জিলা ঃ**

ক) গোলাঘাট থানা গোচৰ নং ২২৩/১৯ ভাঃদঃবিঃ আইনৰ ১২০ খ/৩২৮/৩০৪ (ক) ধাৰা

**গ্ৰেপ্তাৰ হোৱা লোক ঃ**

১) শ্ৰী দেৱকান্ত বৰা, বয়স - ৪৯ বছৰ, পিতা - শ্ৰী বলোৰাম বৰা, গাওঁ - উদয় নগৰ, থানা - গোলাঘাট।

২) শ্ৰী ইন্দ্ৰ কল্প বৰদলৈ, বয়স - ৫০ বছৰ, পিতা - স্বৰ্গীয় পদ্ম কমল বৰদলৈ, হস্পিতাল ৰোড, গোলাঘাট।

৩) শ্ৰী প্ৰবীণ ফুকন, বয়স - ৪২ বছৰ, পিতা - শ্ৰী লোকিৰাম ফুকন, গাওঁ - যুগী বাৰী, থানা-গোলাঘাট।

৪) শ্ৰী ভাইটি পাত্ৰ ওৰফে অভিজিত, বয়স - ৩২ বছৰ, পিতা - ধীৰেণ পাত্ৰ, গাওঁ - বেতিয়নী চাহবাগিছা, থানা - গোলাঘাট।

মাননীয় অধ্যক্ষ মহোদয়,

৫) শ্ৰী সুৰেশ পাত্ৰ, বয়স- ৩৩ বছৰ, পিতা- নন্দ পাত্ৰ, গাওঁ-ছেলেংপি, থানা-গোলাঘাট।

৬ ) শ্ৰী বালি মিণ্টয়, বয়স- ৫২ বছৰ, পিতা- বালোৰাম মিণ্টয়, গাওঁ-হালমাৰা, থানা-গোলাঘাট।

৭) শ্ৰী ৰাজীব ফুকন, বয়স- ২৭ বছৰ, পিতা- স্বৰ্গীয় ভীম কান্ত ফুকন, গাওঁ-চেলেংগী, থানা-গোলাঘাট।

খ) গোলাঘাট থানা গোচৰ নং-২২২/১৯ ভাঃদঃবিঃ আইনৰ ৩০৪ ক ধাৰা।

গ) গোলাঘাট থানা গোচৰ নং-২২৫/১৯ ভাঃদঃবিঃ আইনৰ ১২০ খ/৩০৪ ধাৰা।

যোৰহাট জিলা ঃ-

ক) বৰহলা থানা, গোচৰ নং-১৮/১৯ ভাঃদঃবিঃ আইনৰ ১২০ খ/৩০২/৩০৭ ধাৰা।।

গ্ৰেপ্তাৰ হোৱা লোকসকল ঃ-

i) শ্ৰী দিলীপ নৰহ, বয়স- ৩৫ বছৰ, পিতা-আবাং নৰহ।

ii) শ্ৰী ভোলাৰাম পায়েং, বয়স- ৩৫ বছৰ, পিতা-স্বৰ্গীয় গোপাৰাম পায়েং।

iii) শ্ৰী ৰমেশ টাইড, বয়স- ৪৪ বছৰ, পিতা-পূমান্দ টাইড।

গোটেই কেইজনৰ গাওঁ পোৱাজান মিচিং গাওঁ, থানা-বৰহলা।

খ) বৰহলা থানাৰ গোচৰ নাম্বৰ ১৫/১৯ ভাঃদঃবিঃ আইনৰ ১২০ খ/৩০৪/৩২৮ ধাৰা।

২) এই ক্ষেত্ৰত মূল যোগানকাৰী জিতু সোণোৱাল আৰু তেখেতৰ সহযোগী সুনীল বৰুৱা বুলি চিনাক্ত কৰা হৈছে আৰু দুয়োজন ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে।

৩) অভিযুক্ত জিতু সোণোৱালৰ ঘৰতো তালাচী কৰা হয় আৰু নিম্নোক্ত সামগ্ৰীবোৰ জব্দ কৰা হয়।

i) পাঁচটা বগা ৰঙৰ প্লাষ্টিকৰ জাৰ য'ত সুৰা থকা বুলি সন্দেহ কৰা হৈছে।

ii) প্ৰায় চাৰি কিলোগ্ৰামৰ ৰাসায়নিক দ্ৰব্য (সাৰ) এখন প্লাষ্টিক বেগত।

iii) প্ৰায় এশ গ্ৰাম ইউৰিয়া সাৰ।

iv) নগদ ধন ৫,১৭,৮৯০টকা বিভিন্ন ধৰণৰ নোট আৰু মুদ্ৰা।

v) পাঁচখন বেঙ্ক পাচবুক।

৪) শ্ৰী ধনঞ্জয় পঃ ঘানোৱাট, আই.পি. এছ. আৰক্ষী অধীক্ষক, এছ. বি (পূব সংমণ্ডল) নেতৃত্বত আৰক্ষী বিশেষ শাখা আৰু অপৰাধ অনুসন্ধান শাখাৰ এটা দল ঘটনাস্থলীলৈ ৰাওনা হৈছিল আৰু জিলা আৰক্ষীক তদন্ত খৰতকীয়া কৰিবলৈ গোলাঘাট জিলাত অস্থায়ী আৱাস কৰি আছে।

৫) ইয়াৰ উপৰিও ফৰেনচিক বিজ্ঞানাগাৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈছিল আৰু ঘটনা স্থলীৰ পৰা নমুনা সংগ্ৰহ কৰিছিল।

এই মূহুৰ্ত্তলৈ পোৱা সংবাদ মতে বহু সংখ্যক লোক এতিয়াও যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু গোলাঘাট শ্বহীদ কুশল কোঁৱৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

এই ঘটনা সন্দৰ্ভত অসম চৰকাৰে উজনী অসমত সংমণ্ডল আয়ুক্ত পৰ্য্যায়ৰ এক উচ্চ তদন্তৰ ঘোষণা কৰিছে। ইয়াৰ উপৰিও আৱকাৰী বিভাগৰ দ্বাৰাও উচ্চ পৰ্য্যায়ৰ তদন্ত ঘোষণা কৰি তদন্ত আৰম্ভ কৰা হৈছে। মৃতকৰ নিকট আত্মীয়লৈ ২ লাখ টকাৰ সাহায্য আৰু চিকিৎসাধীন প্ৰতিজনৰ বাবে ৫০ হাজাৰ টকাৰ সাহায্য ঘোষণা কৰা হৈছে।

যিহেতু তদন্ত এতিয়াও অব্যাহত আছে, সেয়েহে পৰৱৰ্ত্তী তদন্তৰ প্ৰতিবেদন এতিয়াও অপেক্ষাগত। এতিয়া এই যিকেইজন মানুহ আমি গ্ৰেপ্তাৰ কৰিলো, কাৰণ আমি সন্দেহ কৰিছো। এছ বি, চি, আই আমাৰ দল আৰু ফৰেনচিক লেবৰেটৰীৰ মানুহ আছে। তেওঁলোকে নমুনাবিলাক সংগ্ৰহ কৰিছে। আটাইতকৈ ডাঙৰ কথা হ'ল যিকেইটা গুদাম আমি চীল কৰিলো, য'ৰ পৰা গুড় আহিল বা যিটোৰ কাৰণে এই ৰ' মেটেৰিয়েল খিনি আহিল, এই চাপ্লাই কেইটা আৰু অসমৰ বিভিন্ন ঠাইৰ পৰা অহা চাপ্লাই চেইনটো আমি এতিয়া চিনাক্ত কৰি আছে আমাৰ পুলিচে আৰু আৰক্ষী বিষয়াই আৰু আৱকাৰী বিভাগেও কৰি আছে। যদি এই একধৰণৰ ৰ' মেটেৰিয়েল অন্য ঠাইতো গৈছে, ' তেতিয়াহ'লে আৰু ক'ৰবাত অঘটন হ'ব। গতিকে ফৰেনছিক লেবৰেট'ৰীয়ে গোটেই কথাখিনি ঠিক কৰি আছে যে তাত কিবা ভেজাল বা অন্য কিবা আছে নেকি? কি কি তাত মেটেৰিয়েল আছে, কি কি তাত যি

সামগ্ৰী আছে, এই গোটেই ব্যৱস্থাটো তেওঁলোকে পৰীক্ষা কৰি আছে। পৰীক্ষা আৰু তদন্তৰ অন্তত কথাখিনি ফাদিল হ'ব, অধ্যক্ষ ডাঙৰীয়া মই সদনত ডাঙৰকৈ এটা On behalf of Hon'ble Chief Minister সৰ্ব্বা নন্দ সোণোৱাল ডাঙৰীয়া, ক'ব বিচাৰিছো যিয়ে দোষী হ'ব, তাক দৃষ্টান্তমূলক শাস্তি এই চৰকাৰে দিব। এই খিনি কথা মই ক'লো আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত মই সদনৰ বাহিৰত গৈ মই কথা পাতিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সন্তোষ প্ৰকাশ কৰিছে যে আপুনি বিধান সভাত গোটেই বিষয়টো বৃহৎভাৱে যে শূন্যকালীন ঘণ্টাত ইমান সময় আলোচনা কৰিব দিছে তাৰ বাবে তেখেতে খুব সন্তোষ পাইছে। এজেক্টলি তেওঁ এই কথাটো কৈছে বঢ়িয়া। মাননীয় অধ্যক্ষ মহোদয়ক মই ধন্যবাদ দিছো। এই বিষয়টো আমি সকলোৱে একমত হৈ যুঁজিব লাগিব। অধ্যক্ষ ডাঙৰীয়া আমাৰ লুকাব লগীয়া একো নাই। টান্সফাৰেণ্ট, কাৰণ মহলদাৰৰ লগত আমাৰ সম্পৰ্ক নাই। গোটেই কথাখিনিত আমি পৰিষ্কাৰ আছো। চৰকাৰৰ সদিচ্ছা আছে। চাহ বাগিচা উন্নয়ন কৰাৰ কাৰণে ইমান আঁচনি লৈছো। যাতে তেওঁলোকে এই মালিকৰ বন্ধনৰ পৰা ওলাই আহি আমাৰ নিচিনাকৈ ভালকৈ চলিব পাৰে তাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে। সেইকাৰণে আমাৰ বিৰোধী পক্ষৰ পৰা কৈছে, যে সৰ্ব্বদলীয় দল তালৈ যাব লাগে। অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰীৰ লগত কথা পাতিছো, তেখেতে সন্তোষ প্ৰকাশ কৰিছে। মই মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ মই আপোনাক অনুৰোধ কৰিলো যে আপুনি আপোনাৰ নেতৃত্বত এটা তাৰিখ ফিক্স কৰি আমাৰ সৰ্ব্বদলীয় দল এটা এই ঘটনাস্থলী পৰিদৰ্শন কৰক আৰু আপোনালোকেও যদি কিবা vCause find out কৰিব লাগে find out কৰক। অল পাৰ্টী ডেলীগেশ্যনৰ এটা আপোনাৰ নেতৃত্বত গঠন কৰাটোত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সন্মতি আছে। অধ্যক্ষ মহোদয়, শেষত মই ক'ব বিচাৰিছো যে আমাৰ এই যিটো বেমাৰ, এই বেমাৰটোৰ কাৰণে সকলোৱে লগ হৈ আমি ৰাজনীতিৰ উৰ্দ্ধত এই কামটো কৰিব লাগিব। মানুহখিনিৰ যিখিনি শোষিত হৈ আছে, আচলতে তেওঁলোক শোষিত হ'ব নলাগে। ৰূপ জ্যোতি কুৰ্মী ডাঙৰীয়া কেতিয়াবা কেতিয়াবা আৱেগিক হৈ যায়, কাৰণ তেওঁ বাগানতো থাকে আৰু সকলো দেখি থাকে। তেওঁৰ নিশ্চয় মনত ক্ষোভ থাকিবই। আজি ক্ষোভটো কিয় হৈছে? আমাৰ মানুহখিনি যে শোষিত হৈ আছে মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰৰ সময় ২০১৬ চনৰ পৰা হৈ থকা নাই । এইটো বৃটিছৰ দিনৰ পৰা, স্বাধীনতাৰ দিনৰ পৰা চলি আছে। গতিকে এই মানুহখিনি শোষণ আৰু বঞ্চনাৰ পৰা মুক্ত কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ কাৰণে আমি সকলোৱে এটা যৌথ প্ৰচেষ্টা ল'ব লাগিব আৰু চৰকাৰেও বহুত কেইটা আঁচনি এই চাহ বাগিচাৰ কাৰণে লৈছে। অধ্যক্ষ মহোদয়, গতিকে মই এইখিনি কথাই ক'লো আৰু সকলোলৈকে মই আহ্বান জনালো যে আমাৰ মন্ত্ৰী পল্লৱ লোচন ডাঙৰীয়াই কোৱাৰ দৰে যদি সকলোৱে আমি নিজৰ নিজৰ অঞ্চলত মদৰ বিৰুদ্ধে আন্দোলন কৰো আৰু মানুহবিলাকক সজাগ কৰিব পাৰো তেতিয়াহ'লে আমাৰ সমাজ বহুখিনি উপকৃত হ'ব। অধ্যক্ষ মহোদয়, মোৰ আৰু অলপ ক'বলগীয়া আছে যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ সদিচ্ছা আৰু মানৱীয়তাৰ দৃষ্টিভঙ্গীৰে দুই লাখ টকাকৈ দিছে। সেইটো আমাৰ মাননীয় সদস্য কিছুমানে পাঁচ লাখ কৈছে, কিছুমানে দহ লাখ কৰিব কৈছে। গতিকে No. PLA.524/2015/Pt/190(ECF-38361) এই চাৰ্কোলাৰ অনুসৰি Compensation কাক দিব লাগে স্পষ্ট কৰি দিছে।

1. Victim of acid attack.
2. Victim of Lynching.
3. Rape Victim.

4. Minor Victim of Physical abuse
5. Rehabilitation of Victim of human trafficking.
6. Victim of sexual Assault (Excluding rape)
7. Death
8. Permanent Disablity (80%or more)
9. Partial Disablity(40% to 80%)
10. Burns affecting greater than 25% of the body (Excluding acid attack)
11. Loss of foetus
12. Loss of fertility.

তাৰ পিছত Women victim of cross border firing: death or permanent disability and partial disability এই কেইটা আছে। মই notice খন পঢ়ি নিদিও কিন্তু আমাৰ mannual খনত উল্লেখ আছে যে সুৰাপান কৰি কোনোবা লোকৰ মৃত্যু হ'লে ক্ষতিপূৰণ দিয়াৰ কোনো ব্যৱস্থা নাই। ইয়াত যি death ৰ কথা কৈ আছে , সেইটো অন্য death ৰ কথা কোৱা হৈছে। গতিকে এনেধৰণৰ provision নথকা স্বত্বেও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মানৱতাৰ খাতিৰত ২ লাখকৈ টকাৰ ক্ষতিপূৰণ এই লোকসকলক দিব। ধন্যবাদ।

**মাননীয় সদস্য শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, ইয়াত death বুলি লিখা আছে। এই মৃত্যু পানীত পৰিও হ'ব পাৰে বা অন্য কাৰণতো হ'ব পাৰে কিন্তু আজিৰ এই অপমৃত্যুক special হিচাপে consider কৰি ১০ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** আমি All Party Delegation যিহেতু যাম গতিকে কথাখিনি আমি মুখ্যমন্ত্ৰীৰ লগতো পাতিম।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি চৰকাৰে আমাক আস্থাত লৈছে তেন্তে মই গুৰুত্বপূৰ্ণ বিষয় এটা দাঙি ধৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়াই যি কেইটা point এৰি গৈছে আপুনি অকল সেই point কেইটা কওঁক।

**মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সেইকেইটাই ক'ব বিচাৰিছো। প্ৰথমে, Life Saving Drugs ৰ ব্যৱস্থা কৰিব নেকি ? দ্বিতীয়তে, foreign country ৰ পৰা Toxicology ৰ Doctor নাইবা Lever Specialist অসমত আনিব নেকি ? এই বিষয়ে একো নকৈ নিমখ-চেনীৰ কথা কৈ থৈ দিলে। তৃতীয়তে, Jorhat Medical College Hospital ত ৰএই বিষয়ে specially deal কৰিবৰ কাৰণে কোনোবা এজন A.C.S. বিষয়াক দায়িত্ব দি 'May I Help You' নামেৰে এটা Counter খুলিব নেকি ?

( সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** ৰূপজ্যোতি কুৰ্মী, আপুনি এক মিনিট সময় বহক। আমি এই আলোচনা গ্ধZero Hour ত দিছিলো আৰু Zero Hour ত মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিছত অন্য কোনো debate হ'ব নালাগে। কিন্তু আপোনাৰ যদি কিবা অতি লাগতিয়াল point ৰৈ গৈছে তেন্তে সেই কেইটা মন্ত্ৰী ডাঙৰীয়াক দি দিয়ক। তেওঁ তাৰ ভিত্তিত উত্তৰ দিব। তাৰ বাহিৰে আপুনি অন্য কথা নক'ব। আপুনি point কেইটা লিখি মোক দিয়ক নহ'লে মন্ত্ৰী ডাঙৰীয়াক দি দিয়ক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ**অধ্যক্ষ মহোদয়, মোৰ চতুৰ্থ point টো হ'ল যে, যি সকল সৰু সৰু ল'ৰা-ছোৱালীৰ মাক-দেউতাক, ককা-আইতা ঢুকাইছে সেই অনাথ সকলক Residential School ত ৰাখিব নেকি ?

**মাননীয় অধ্যক্ষঃ** মই বুজি পাইছো। মানে আপোনাৰ চাৰিটা point আছিল ?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** নহয় মোৰ আৰু point আছে। সেইকেইটা মই কৈ দিছো-

পঞ্চমতে, যি সকল মৃত আৰু যাৰ postmortem হোৱা নাই, তেওঁলোকৰ বিষয়ে তদন্ত হ'ব লাগে লগতে মৃত সকলৰ নিকটৱৰ্তী আত্মীয় সকললৈ humanitarian ground ত আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিব লাগে।

ষষ্ঠতে, চৰকাৰী নীতি অনুসৰি 'Death' Head ত ৫ লাখ টকাৰ আৰ্থিক সাহাৰ্য্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে।

সপ্তমতে, CBI Enquiry বা গৌহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰ প্ৰাপ্ত ন্যায়াধীশৰ দ্বাৰা ঘটনাটোৰ ওপৰত তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে।

অষ্টমতে, ঘটনাস্থলীত Health Camp organize কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে আক্ৰান্ত সকলক চিনাক্ত কৰি তেওঁলোকৰ জীৱন ৰক্ষাৰ বাবে উপযুক্ত চিকিৎসা প্ৰদান কৰিব পাৰি।

**মাননীয় অধ্যক্ষঃ** পাটোৱাৰী ডাঙৰীয়া, উত্তৰটো details ত দিব নালাগে, মই ভাৱো যে চৰকাৰে এই point কেইটা লৈ যিমানখিন পাৰে take up কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** হয় অধ্যক্ষ মহোদয়, মই উত্তৰটো

দিছো। প্ৰথমতে, Life Saving Drugs ৰ অভাৱ কেতিয়াও নহয় কাৰণ ই দুষ্প্ৰাপ্য নহয়। দ্বিতীয়তে, Pulmonology বিভাগটো আগতে অসমত নাছিল যাৰ বাবে কলিকতা, দিল্লীৰ পৰা ডাক্তৰ ইয়ালৈ আহিছিল। কিন্তু আজিকালি Pulmonology ৰ বিভাগ এটা গুৱাহাটীত খোলা হৈছে আৰু ইয়াৰ ডাক্তৰ, Dr. Jogesh Sharma, who is the professor and Head of the Department of Pulmonology. গতিকে, Pulmonology বিভাগৰো ডাক্তৰ আমাৰ আছে। তৃতীয়তে, May I Help You ৰ Counter খুলি দিয়া হ'ব। চতুৰ্থতে, সৰু ল'ৰা-ছোৱালীৰ rehabilitation ৰ ক্ষেত্ৰত আমি সকলোৰে মিলি-জুলি কাম কৰিব লাগিব আৰু এতিয়া আমি প্ৰত্যেক ঘৰতে ২ লাখকৈ টকা দিছো।

**শ্ৰী দূৰ্গা ভূমিজ, (ডুমডুমা)ঃ** অধ্যক্ষ মহোদয়, দুই লাখ টকাটো অলপ বৃদ্ধি কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ভূমিজ ডাঙৰীয়া আপুনি আৰু ইয়াত প্ৰশ্ন নকৰিব।

All Party Delegation ৰ visit ৰ পিছত আমি Govt. Delegation ৰ লগত বিষয়বোৰ আলোচনা কৰিম যাতে এই বিষয়টো আৰু গভীৰলৈ নাযায় তাৰ বাবে আমি লক্ষ্য ৰাখিব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** সেয়েহে আমি মানি লৈছো যে আপোনাৰ নেতৃত্বত All Party Delegation যাওঁক।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া ৩ বাজি ১০ মিনিট হৈছে। আপোনালোকে মোক ১ ঘণ্টা ১০ মিনিট সময় বেছিকৈ দিলে তাৰ বাবে মোৰ আপোনালোকলৈ অত্যন্ত ধন্যবাদ থাকিল।

আজি Zero Hour ত এটা বিষয়ৰ ওপৰতে আমি আলোচনা কৰিলো আৰু যিহেতু এই বিষয়টো indirectly চাবলৈ গ'লে অসমৰ একেবাৰে oppressed classৰ ওপৰত হোৱা

এক অত্যাচাৰ। তেওঁলোকক আমি সহায় কৰিব পৰা নাই কিন্তু এতিয়া সহায় কৰাৰ বাবে চেষ্টা চলাই থকা হৈছে।

মই মাননীয় সদস্য আব্দুল খালেক, আমিনুল ইছলাম আৰু কমলাক্ষ দে' পুৰকায়স্থৰ নামত -'কলগাছিয়াত ভাৰতীয় সেনাত কৰ্মৰত তিনি ভাতৃলৈ বিদেশীৰ জাননী' শীৰ্ষক বিষয়ত Notice অনা দেখিছো। এই বিষয়ে আলোচনা নকৰি মাত্ৰ issue কেইটা উত্থাপন কৰক। আপোনালোকৰ statement টো যাতে lay হয় কাইলৈ তাৰ ব্যৱস্থা কৰিম। ইয়াৰ পিছত সত্যব্ৰত কলিতা আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতাই ' অৰুণাচল প্ৰদেশত হিংসাৰ দবানল' শীৰ্ষক বিষয়টো আনিছে। আপোনালোকেও issue টো অকল raise কৰিব, ইয়াৰ উত্তৰ কাইলৈ দিয়া হ'ব কাৰণ আমাৰ ওচৰত আলোচনাৰ বাবে সময় নাই। ইয়াৰোপৰি, খালেক ডাঙৰীয়াই কৃষি ভূমিৰ কথা এটা কৈছিল, আপুনিও যদি issue টো raise কৰে কৰিব পাৰে, কিন্তু উত্তৰটো কাইলৈ দিয়া হ'ব। ডঃ নোমল মমিন নাই, সেয়েহে আমাৰ কাৰ্যসূচী প্ৰায় শেষ অন্য নাই। আমাৰ হাতত দুখন Bill আছিল কিন্তু সেই দুখন থাকি গ'ল। তাৰে এখন Bill ত amendment নাই আৰু এখনত আছে গতিকে আলোচনা হ'ব। কাইলৈ যদি Speaker's Initiative ৰ পিছত সময় হয় তেন্তে Bill কেইখন উত্থাপন কৰিম। আনহাতে, খালেক ডাঙৰীয়াই পদত্যাগ কৰা সমিতিখনত সৰ্বসন্মতিক্ৰমে এজন সদস্য হ'ব আৰু সেই নামটোও আমি আজি কৈ দিব বিচাৰিছো।

Excise Minister, আপুনি চমুকৈ কথা কেইটা কওঁক। পিছত দৰকাৰ হ'লে আমি বহলাই আলোচনা কৰিম।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মাননীয় মন্ত্ৰী, আবকাৰী, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, অলপতে, গোলাঘাট আৰু যোৰাহাটত যি দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছে সেই ঘটনাটোৱে সমগ্ৰ ৰাজ্যতে তোলপাৰ লগাইছে তথা আমিও খুব চিন্তিত হৈ আছো। সেইকাৰণে আজি ইয়াৰ ওপৰত আলোচনা হ'ল। ১৯৯১ চনতে মই বিধান সভাত নিৰ্বাচিত হৈ আহিছিলো আৰু মই ভাৱো এইবাৰ প্ৰথমবাৰৰ বাবে এনেধৰণৰ গুৰুত্বপূৰ্ণ ঘটনা Zero Hour ত গোটেই দিনটো আলোচনা কৰাৰ বাবে সুবিধা পাইছো। Zero Hour ত প্ৰথমতে দেখিবলৈ পালো যে মাননীয় সদস্য শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াই এই আলোচনা আৰম্ভ কৰিছিল আৰু শ্ৰী ভূৱন পেগু ডাঙৰীয়াই ইয়াৰ সামৰণি মাৰিছে। তাৰ মাজতে আমাৰ শ্ৰদ্ধাৰ বিধায়ক বন্ধু সকল, আমাৰ মন্ত্ৰীসকলেও এই আলোচনাত অংশগ্ৰহণ কৰিছিল। মোৰ বিশেষ ক'বলগীয়া নাই কিয়নো অলপ আগতে বহু খিনি কথা উত্থাপন কৰিছেই। আমি আজি এটা বস্তু লক্ষ্য কৰিলো যে যিসকলে আজি আলোচনাত অংশগ্ৰহণ কৰিলে প্ৰতিজনে এই ঘটনাত খুৱ দুঃখ প্ৰকাশ কৰিলে আৰু এই অৱস্থাৰ পৰা আমি কেনেকৈ অসমখনক মুক্ত কৰিব পাৰো তাৰ কাৰণে বহুখিনি suggestion দিলে। সেইকাৰণে আমি তেখেতসকলক ধন্যবাদ জনালো। অধ্যক্ষ মহোদয়, ক'বলগীয়া বহুখিনি কথা আছিল কিন্তু বেছি কথা মই ক'বলৈ নাযাওঁ। জাতিৰ পিতা মহাত্মা গান্ধীৰ ফটোখনলৈ চাই এটা কথা মনত পৰিছে যে অসমত জাতিৰ পিতাৰ নেতৃত্বত ১৯২০ ত এটা আন্দোলন হৈছিলে Opium ৰ বিৰুদ্ধে যিটোক আমি কানি বুলি কওঁ। তেতিয়া আমি বাগান অঞ্চললৈ গৈ প্ৰচাৰ চলাইছিলো যে কানি খোৱাটো বেয়া আৰু আজিৰ দিনত অসমৰ মানুহে কানিটো নাখায়। কংগ্ৰেছৰ বন্ধুসকলেও এই আন্দোলনত অংশগ্ৰহণ কৰিছিল। এইটো খুউব ভাল কাম। কিন্তু তেতিয়াৰ পৰা এতিয়ালৈকে এই চুলাই মদটো চলি আছে। তাৰ কাৰণে এতিয়া আমাৰ বিভাগক জগৰীয়া কৰা হৈছে। কিন্তু এইটো অবৈধ চুলাই মদ। এইটো আমাৰ নিয়ন্ত্ৰণত নাই। কিন্তু নিয়ন্ত্ৰণৰ বাহিৰত থকা বস্তুটো নিয়ন্ত্ৰণৰ অধীনত আনিবলৈ আমাক কিছুমান ক্ষমতা দিয়া

হৈছে। Practically আমাৰ বিভাগটো এটা amalgated বিভাগ। আমি জিলাভিত্তিক DC ৰ নেতৃত্বত আৰকাৰী বিভাগটো চলিবলগীয়া হয়। এনেকুৰা নহয় যে আমাৰ বিভাগটোৱে কোনো কাম কৰা নাই। অধ্যক্ষ মহোদয় , মই আপোনাক তথ্য দিব পাৰো। এই ঘটনা ঘটাৰ কেইদিনমান আগতে যোৱা ৯ ফেব্ৰুৱাৰীত আমি notice serve কৰিলো all Superintendent, Deputy Superintendent, please note that continuous drive against illicit liquer must continue. If any fatality happens due to illicit liquer, responsibility shall be fixed. জানুৱাৰী মাহতো আমি Anti-drugs ৰ ফালৰ পৰা campaign কৰিছো যে এই illicit liquer বিলাক খাব নালাগে।

আমাৰ চৰকাৰ অহাৰ লগে-লগে আমি দেখিলো যে আগৰে পৰাই চুলাই মদটো খাই মানুহ পঙ্গু হৈ গৈছে। সেইকাৰণে ২০১৬-১৭ ত আমি ২৪,৯২২ জন মানুহক arrest কৰিছো। ২০১৭-১৮ ত ২৪,৫৯৮ জন arrest কৰিছো। এপ্ৰিল, ২০১৮ ৰ পৰা নৱেম্বৰলৈকে ৩,১১৯ জন মানুহ arrest কৰিছো। আইন আমি amend কৰিছো। আগতে ৫০০ টকা জৰিমনা আৰু তিনি মাহ জেল আছিল, এতিয়া আমি ৩ বছৰ জেল আৰু ৫ লাখলৈকে জৰিমনা কৰিছো। Adultration হ'লে আজীৱন জেল হ'ব। গতিকে আমি আমাৰ বিভাগৰ ফালৰ পৰা অবৈধ সুৰা বন্ধ কৰিবলৈ যথেষ্ট চেষ্টা কৰি আছো। আমি আপোনাৰ জৰিয়তে গোটেই ৰাইজক clear কৰিব বিচাৰিছো যে revenue টো কেনেকৈ বাঢ়ে ? ইয়াত কোৱা হৈছে যে আগতে ১৫ বছৰত যিমান revenue আহিছিল, যোৱা আঢ়ৈ বছৰত ইয়াতকৈ বেছি আহি গ'ল। কিয় আহিল ? আমি illicit liquer যিমান বন্ধ কৰিব পাৰিছো, আৰু dutypaid বস্তুবিলাক মানুহে ব্যৱহাৰ কৰিব পাৰিছে সিমানেই আমি revenue টো পাইছো। এইটোৱে indicate কৰে যে অবৈধ সুৰাটো বন্ধ হোৱাৰ কাৰণে আমাৰ revenue টো বাঢ়িছে। Country spirit টো আগতে মহল system ত আছিল। এইটো আমি সম্পূৰ্ণৰূপে বন্ধ কৰিলো। আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পাছতে আমি চেষ্টা চলাই আছো অবৈধ সুৰা প্ৰচলন বন্ধ কৰিবৰ কাৰণে।

আজি লালী গুৰৰ কথা আহিছে। অধ্যক্ষ মহোদয়, লালী গুৰটো আমি control কৰিব নোৱাৰো। লালী গুৰটো banned আছে। cattle food ৰ কাৰণে কোনো party য়ে উচ্চতম ন্যায়ালয়লৈ যোৱাৰ পিছত উচ্চতম ন্যায়ালয়ে লালী গুৰটো চলাবলৈ ৰায়দান দিলে। এই

লালী গুৰটো বন্ধ কৰিবলৈ আমি আমাৰ চৰকাৰৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰী আৰু বিভাগীয় মন্ত্ৰীৰ লগত কথা পাতিম। লালী গুৰটো practically cattle food ৰ কাৰণে ব্যৱহাৰ নহয়। বেছিভাগ লালী গুৰ অবৈধ সুৰা প্ৰস্তুত কৰণত ব্যৱহাৰ হয়। এইটো আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ভাল কথা এটা ক'লে। Chief Minister, Food & Civil Supply Minister তেওঁলোকে মিলি এইটো নিয়ন্ত্ৰণ কৰিব লাগিব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়। আমি বাগানত থকা মানুহ। আজি বিৰোধীৰ বন্ধুসকলে কৈছে মোৰ resignation ৰ কাৰণে কিন্তু তাৰ কাৰণে মোৰ অলপো দুখ লগা নাই। মই এতিয়াই resignation দিব পাৰো। মোৰ একো অসুবিধা নাই। মোৰ জীৱনৰ আৰম্ভণিয়েই হৈছিলে এই চুলাই মদটো বন্ধ কৰাৰ কাৰণে। কিন্তু নিয়তিৰ এই পৰিহাস মোৰ বিভাগত এটা অতি দুখজনক ঘটনা ঘটিছে। একেলগে ডেৰশতকৈও অধিক মানুহ ঢুকাই গ'ল। ইয়াৰ কাৰণে কোনোৱা নহয় কোনোৱা নিশ্চয় দায়ী। আমাৰ চৰকাৰ গঠন হোৱা আঢ়ৈ বছৰ হ'ল কিন্তু তাৰ আগৰে পৰা সৃষ্টি হোৱা এনেধৰণৰ পৰিস্থিতিৰ বাবে দায়ী কোন ? এই স্থিতিটো কেনেদৰে হ'ল ? এইবোৰ

কথা আপোনালোকে চিন্তা কৰা ভাল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমি এইটো কেনেদৰে ভাল কৰিব পাৰো এইটো কওক।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰতিটো ৰাজনৈতিক দলে মিলি আমি ইয়াৰ বিৰুদ্ধে থিয় দিব লাগিব।

**মাননীয় অধ্যক্ষঃ-** আপোনালোকে এতিয়া নিজৰ ঠাইত উঠি লাইনটো কব। সন্মানীয় সদস্য কাইলৈ মন্ত্ৰীয়ে উত্তৰ দিব। সন্মানীয় সদস্য আব্দুল খালেক, কমলাক্ষ্য দেৰ একেই বিষয় বস্তু। আপোনালোকৰ এজনে কেৱল কথাটো কৈ দিয়ক। মন্ত্ৰীয়ে কালি উত্তৰ দিব। অসুবিধাখিনি মই চাই লম। এতিয়া কেৱল দীঘলীয়া নকৰিব।

**শ্ৰী আব্দুল খালেক, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মোক বিষয়টো উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মই দুখন বাতৰি কাকতৰ জাননী দিছিলো। এখন দৈনিক গণ অধিকাৰ একে তাৰিখৰ ২২ ফেব্ৰুৱাৰী। শিৰোনামা আছিল কলগাছিয়াত ভাৰতীয় সেনাত কৰ্মৰত তিনি ভাতৃলৈ বিদেশীৰ জাননী উন্মোচিত হৈছে, সীমান্ত আৰক্ষীৰ নগ্ন ছবি আৰু এখন কাকত দিছিলো 'দৈনিক যুগশংখ' পাকিস্থানের সংগে যুদ্ধ করব না ট্ৰাইব্যুনালের চক্কর কাটবো তিনি ভাই সেনা কৰ্মী বিদেশী চলে পরিবারের নামে নোটিস ট্ৰাইব্যুনালের গুরুত্ব পাচ্ছেনা রেজিমেন্টর" চিঠি দুখন বাতৰিৰ জাননী দিলেও এই একেটা বাতৰি একে তাৰিখৰ 'অসমীয়া খবৰ' আমাৰ অসম, কেইবাখনো বাতৰি কাকতত প্ৰকাশ পাইছে। তাৰ আগদিনা কেইবাটাও নিউজ চেনেলত এই বাতৰিটোৱে স্থান পাইছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ বৰনগৰ ৰাজহ চক্ৰৰ , সৰুহৰিত গাৱৰ তিনিজন ভাই ককাই সেনা বাহিনীত কাম কৰে। তিনিওজন আব্দুল হামিদৰ পুত্ৰ আৰু সেই তিনিও জনৰ উপৰিও তেওঁলোকৰ মাতৃ আৰু তেওঁলোকৰ আৰু এজন ককায়েকৰ বিৰুদ্ধে বিদেশী ন্যায়াধীকৰনে জাননী জাৰি কৰিছে। এইবোৰ আমাৰ অঞ্চল বিলাকৰ কাৰণে নিত্য নৈমিত্তিক ঘটনা। তাতকৈ ডাঙৰ কথা অধ্যক্ষ মহোদয়, এই জাননী জাৰি কৰাৰ পাছত 852 Light Regiment এই ৰেজিমেন্টৰ কৰ্নেল H.K Nayar য়ে যিজন কামাণ্ডিং অফিচাৰ তেখেতে JC-282089 LPRS নামত এখন চিঠি অসমৰ মাননীয় মুখ্য মন্ত্ৰীক, অসমৰ গৃহমন্ত্ৰীক, অসমৰ Director General of Police বৰপেটা জিলাৰ উপায়ুক্ত, বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক, বৰপেটা Sub Divisional ৰ মেজিষ্ট্ৰেট আৰু জিলা সৈনিক Welfare লৈ পঠিয়াইছে। মই আপোনাক পত্ৰখন দিছো, দৰকাৰ হলে কপি আপোনাক দিম। অধ্যক্ষ মহোদয়, ২০ অক্টোবৰত চিঠিখন দিছিল। যদি সেনা জোৱানৰ ক্ষেত্ৰতে এনেকুৱা হয়। সেনা বাহিনীৰ মকৰলৰ সময়তে পৰীক্ষা নিৰীক্ষা কৰা হয়। সেই কাৰনে বিষয়টোত আমি চৰকাৰৰ জৰুৰী হস্তক্ষেপ বিচাৰিছো। বিদেশী যাব লাগে। কিন্তু বিদেশীৰ নামত যাতে হাৰাশাস্তি নহয়। তাতে সেনাবাহিনীৰ জোৱান। আমি সীমান্ত যুদ্ধৰ কথা কৈছো। ২০০৫ চনত নহয়। এইটো ২০১৮ চনৰ। ২০ ডিচেম্বৰত মুখ্য মন্ত্ৰীলৈ পত্ৰ লিখিছিল সেনাবাহিনীয়ে। পত্ৰখন আপোনাক দিছো। গতিকে চৰকাৰৰ হস্তক্ষেপ দাবী কৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** মই দি দিম। ৰেকৰ্ডত তিনিওজনৰ নাম থাকিব। আব্দুল খালেক, কমলাক্ষ্য দে পুৰকায়স্থ আৰু আমিনুল ইছলামৰো নাম থাকিব। এতিয়া সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আজি ইমান সময় ধৰি যিটো বিষয়ৰ ওপৰত আলোচনা চলি আছিল, খুউব দুখজনক,দুৰ্ভাগ্যজনক ঘটনা। সেই একে সময়তে আন এটা বিষয় অসমৰ জনসাধাৰণৰ বা আমাৰ সকলোৰে দৃষ্টিগোচৰ হৈছে আৰু বিভিন্ন বাতৰি কাকত আৰু টি ভি চেনেল সমূহত হেডলাইন পাবৰ কাৰণে সক্ষম হৈছে। এখন বাতৰি কাকতত লিখিছে "অৰুণাচল

প্ৰদেশত হিংসাৰ ডাবানল” ইটানগৰত আবদ্ধ ৰীমা দাসৰ দল। ৰক্তাক্ত অৰুণাচল। এনেকুৱা প্ৰায়বোৰ খবৰ, গণ অৰাজকতা বিধস্ত অৰুণাচল। এনেকে বিভিন্ন বাতৰি কাকতত আজি এই বাতৰি শিৰোনামা দখল কৰিবলৈ সক্ষম হৈছে। স্থায়ী প্ৰমানপত্ৰৰ বাসিন্দা দিবলৈ বিচৰা হৈছিল। বিশেষকৈ নামচাই আৰু চাংলাং জিলাত। দেউৰী, সোণোৱাল, কছাৰী, মৰাণ, আদিবাসী, গোৰ্খা আৰু মিচিং সকলক আৰু তাত এনেকুৱা এটা পৰিস্থিতি হ'ল, পৰিস্থিতিটো উদ্বেগজনক, আমাৰ ওচৰ চুবুৰীয়া ৰাজ্যৰ। আমি সকলোৱে নিশ্চয় চাব লাগিব, আৰু তাতকৈ ডাঙৰ কথা যে এসময়ত শদিয়া য'ত ভীষ্মক ৰজা আছিল, ৰুক্মিনীয়ে দ্বাৰকাৰ পৰা আহি কৃষ্ণই লৈ গৈছিল। সেই আদিবাসী সকল, সেই আমাৰ জনগোষ্ঠী সকল, তাত আজি যি ধৰণৰ দুৰ্ভাগ্যজনক পৰিস্থিতিৰ সন্মুখীন হৈছে, তাৰ কাৰণে নিশ্চয় অসম চৰকাৰৰ এটা প্ৰধান দায়িত্ব থকা উচিত আৰু এই বিষয়ে নিশ্চয় অৰুণাচল প্ৰদেশৰ লগত, কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিব। এটা দুৰ্ভাগ্যজনক কথা যে সেই সময়তে তাতে আৰ্ন্তজাতিক চলচিত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছিল। তালৈ অসমৰ বহু শিল্পী গৈছিল। ভাৰতবৰ্ষৰ ডাঙৰ ডাঙৰ চলচ্চিত্ৰ নিৰ্মাতাসকল আহিছিল। আমাৰ অসমৰো উৎপল বৰপূজাৰী, মঞ্জু বৰাকে ধৰি কেইবাজনো আছিল। আমাৰ ৰীমা দাসৰ দলটো তালৈ গৈছিল। মণিপুৰৰ পৰা পৱন সিং আহিছিল। তাৰোপৰি South Africa ৰ পৰা internationl এগৰাকী সদস্য আহিছিল। সেই সকলো তাত আৱদ্ধ হৈ থাকিব লগীয়া হ'ল। আটাইতকৈ দুভাগ্যজনক কথাটো হ'ল অসমৰ পৰা যি শিল্পীৰ দল গৈছিল, সেই দল বিলাকে যথেষ্ট ভাবুকি, তেওঁলোকৰ সন্মুখত ডেৰশ খনতকৈও অধিক গাড়ী ভস্মীভূত কৰা হ'ল। তেওঁলোকৰ যি বাদ্য যন্ত্ৰ বিলাক আছিল সকলো তাত ধংস কৰা হ'ল। গতিকে মোৰ প্ৰশ্নটো হ'ল যে অৰুণাচলৰ পৰা আমাৰ সীমান্তৱৰ্তী এখন ৰাজ্যলৈ অৰুণাচললৈ যোৱা শিল্পীৰ দলৰ যদি এনেকে দুৰ্যোগ হয়, তেওঁলোকৰ তাত আমি অসম চৰকাৰৰ মাত মতাৰ অধিকাৰ আছে। আৰু আমি মাত মাতিব লাগিব আৰু অৰুণাচল চৰকাৰৰ লগত তৎক্ষণাত যোগাযোগ কৰি যি সকল শিল্পী-কলা-কুশলীয়ে তাত তেওঁলোকৰ, গীতাৰটো বা তেওঁলোকৰ ড্ৰামচেটটো বা তেওঁলোকৰ জীৱনৰ এটা সম্বল সেই সম্বলটো তাত ধংস কৰি দিয়া হৈছে। সেই সকলক ক্ষতিপূৰণ দিয়াৰ কাৰণে অৰুণাচল চৰকাৰক আমি বাধ্য কৰাব লাগে। সেইটো মই অনুৰোধ জনাইছো। তাত যাতে এই জনগোষ্ঠীৰ লোক সকল যি সকল অসমৰ ভূমিপুত্ৰ, সেই ভূমিপুত্ৰ সকলৰ কেনে আলৈ আথানি হৈছে আপোনালোকে চাওঁক।

মাননীয় অধ্যক্ষ ঃ- সেইখিনিৰ কথাৰ details নাযাও আজি। মই এইটো allow কৰিছো because of the sensitivity of the matter. আৰু তাতকৈ বেছি নকব।

**শ্ৰী সত্যব্ৰত কলিতা, সদস্য ঃ**- গতিকে আমি আপোনাৰ যোগেদি চৰকাৰক আহ্বান জনাইছো। প্ৰথম কথা সেই সকলৰ জীৱন আৰু সা- সম্পত্তিৰ নিৰাপত্তা সুৰক্ষিত কৰিব লাগে আৰু ২য়তে যি শিল্পীৰ দল অসমৰ পৰা তালৈ গৈ ক্ষতিগ্ৰস্ত হ'ল সেই সকলক যাতে তৎকালীন ভাৱে অৰুণাচল চৰকাৰে ক্ষতিপূৰণ দিবলৈ বাধ্য হয়, তাৰ কাৰণে অসম চৰকাৰক আপোনাৰ যোগেদি দৃষ্টি আকৰ্ষন কৰিলো ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ**- Thank you. দুটা Statement কাইলৈ প্ৰত্যেকে দিব। মন্ত্ৰীক মই কৈছো আৰু খালেক ডাঙৰীয়া আপোনাৰ আৰু এটা আছিলে। এইটো আপুনি উত্থাপন কৰি দিয়ক। কাইলৈ উত্তৰ আহিব।

**শ্ৰী আব্দুল খালেক, সদস্য ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই বিষয়টো উত্থাপনৰ আগত মই এটা অনুৰোধ কৰিছো যাতে আগবেলাই কাইলৈ Statement টো দি দিয়ে। তেতিয়া আমাৰ কাৰণে

অলপ সুবিধা হয়। মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপ্ৰণালীৰ কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৫৪ ৰ অধীনত ২০১৯ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখৰ 'আমাৰ অসম' কাকতত প্ৰকাশিত "কৃষিভূমিৰ ধ্বংসৰে জনীয়াত ইটাভাটা নিৰ্মান " এই প্ৰসংগটো উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ কাৰণে আপোনাক মই ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, মোৰ ভাটকুছি গাওঁ পঞ্চায়ত জনীয়া সমষ্টিৰ বাকবৰ ৰাজহ চক্ৰ। ইয়াত ২২ টা ইটাভাটা আছে আৰু এই গোটেইখিনি মাটি কৃষিভূমি। মই অলপ ইফাল সিফাল কৰি খবৰ লৈছিলো, আমি সকলোৰে জানো যে PGR/ VGR মাটিত নে কোনোবাই ভূমিহীনক পট্টাদিব পৰে বা চৰকাৰী অনুষ্ঠান হ'ব পাৰে। কিন্তু আশ্বৰ্য্যজনক কথাটো হৈছে এই PGR/VGR মাটিতো ইটাভাটাৰ অনুমতি দিয়া হৈছে। গোটেইখিনি মাটিয়েই কৃষিভূমি। কৃষিভূমিৰ মাটিখিনি অকৃষিভূমি ঘোষণা নকৰাকে তাত দিছে আৰু নিয়মমতে জনবসতি থাকিব নালাগে। তাত ঘন জনবসতি পথাৰ আছে। খেতি পথাৰবোৰকে এই অৱস্থা কৰিছে। তাত প্ৰদূষণৰো সৃষ্টি হৈছে। যি সময়ত গ্লবেল ওৱাৰমিংৰ কথা কৈছো, পৰিবেশৰ কথা কৈছো সেই সময়ত সেই সকলো বিলাক দিশ চিন্তা নকৰাকৈ, হয় আমাক উদ্যোগ লাগিব। এই কথাটো অস্বীকাৰ নকৰো। কিন্তু একে সময়তে প্ৰদূষণ ৰক্ষা কৰিব লাগিব। PGR/VGR মাটি ৰক্ষা কৰিব লাগিব। গতিকে এই বিষয়ত চৰকাৰৰ স্তিতিত মই বিবৃতিয়েই নহয় যাতে এই ধৰণৰ ঘটনা আৰু নঘটে, কৃষিভূমিত যাতে ইটাভাটাৰ অনুমতি দিয়া নহয় আৰু PGR/VGR মাটিত যাতে ইটাভাটাৰ অনুমতি দিয়া নহয় যাতে এলেকাটো প্ৰদুষিত নহয়। সেই ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ মই ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনাৰ দৃষ্টিগোচৰ কৰিছো, কিন্তু বিষয়টো উদ্যোগ আৰু বাণিজ্য বিভাগতো পৰে। বিষয়টো কৃষি বিভাগতো পৰে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। কাইলৈ তেওঁলোকে উত্তৰ এটা দিব। Industry Minister ৰ লগতো বিষয়টো আলোচনা কৰি লব। ইয়াৰ পাছত নোমল মোমিন তেখেত নাই। এতিয়া প্ৰদীপ হাজৰিকা, মই আজি বিল দুখন নললো। প্ৰদীপ হাজৰিকাৰ হৈ বৃন্দাৱন গোস্বামীয়ে আমাৰ বিধায়ন সমিতি Sub ordinate Legislation ৰ report place কৰিব।

**শ্ৰী বৃন্দাবন গোস্বামী, তেজপুৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অধীনস্থ বিধায়নৰ সমিতি'ৰ সভাপতিৰ হৈ সমিতিৰ ২৫ আৰু ২৬ তম্ প্ৰতিবেদন দুখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পাছত Smti. Roselina Tirkey, Chairperson, Committee on Welfare of Women and Children তেখেতে Sixth Report টো আজি place কৰিব।

**Smti. Roselina Tirkey, Sarupathar :** Hon'ble Speaker Sir, I beg to present the Sixth Report of the Committee on Welfare of Women and Children, Assam Legislative Assembly.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই ৰাজহুৱা হিচাপ সমূহৰ সমিতিলৈ নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু আবেদনকাৰীৰ প্ৰাৰ্থীৰ সংখ্যক হোৱা বাবে, শ্ৰীআব্দুল খালেক ডাঙৰীয়াই তাৰ পৰা resign দিছিলে, সেই কাৰণে আমি notification দিছিলো আৰু তাত মাত্ৰ আমাৰ এজনে প্ৰাৰ্থী আছিল। সেইবাবে মই শ্ৰী ৰেকিবুদ্দিন আহমেদক ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ বাকী থকা কাৰ্য্যকলাপৰ বাবে সদস্য হিচাপে নিৰ্বাচিত বুলি ঘোষণা কৰিছো আৰু এটা point of order আছিল।

**শ্ৰীনুৰুল হুদা, ৰূপহীহাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৫ ফেব্ৰুৱাৰীৰ পৰা NRC ৰ দাবীৰ

আপত্তিৰ কামখিনি চলি আছে। ইয়াত দেখা গৈছে যে, এজন মানুহৰ ওপৰত যদি কোনোবা আপত্তি কৰিছে, সেই মানুহজনৰ গোটেই বংশ মাতি লৈ গৈছে। মোৰ সমষ্টিৰ নগাওঁৰ ৰূপহীৰ মানুহ লক্ষীপুৰত মাতিছে। ঠিক তেনেকৈ দৰঙৰ মানুহ ধুবুৰীত মাতিছে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক কৈছো এইটো point of order নহয়। Give me in writting tommorrow. I will take up the matter with the Chief Minister.

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা point of order আছিল। মই এটা প্ৰশ্ন কৰিছিলো, অসমত সৰ্বমুঠ কিমানখন চাহ বাগিচা লিজত আছে।

**মাননীয় অধ্যক্ষ ঃ** কেই নম্বৰ প্ৰশ্ন ?

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰা বিহীন প্ৰশ্ন নং ৪০৬। তাতে মই বাকী ১৯ খন জিলাৰ তথ্যখিনি পালো, কিন্তু প্ৰধানকৈ ডিব্ৰুগড় জিলাৰ তথ্যখিনি মই নাপালো। এইটো ৰেভিনিউ। লিজত থকা চাহ বাগিচাৰ তালিকাখন ।

**মাননীয় অধ্যক্ষ ঃ** মই Note কৰি লৈছো আৰু আপোনাক জনাই দিম।

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আৰু এটা কথা হ'ল যে ইয়াত লিজত লোৱা চাহ বাগিচাৰ মাটি কোনোবাই ব্যক্তিগত কাৰণত ব্যৱহাৰ কৰিব নোৱাৰে বুলি কৈছিল। যোৱাবাৰো মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল।

**মাননীয় অধ্যক্ষ ঃ** মই ভাবো সেইটো এটা বেলেগ issue.

**শ্ৰী সঞ্জয় কিষাণ, তিনিচুকীয়া ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইয়াতে আকৌ কোৱা হৈছে যে তদন্ত কৰা হ'ব বুলি। এইটো হ'লে ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপুনি দুইটা কথা details ত দৰকাৰ হ'লে মোক দি দিব। আজি মই সিমান সময় দিব পৰা নাই।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order. মোৰ এটা প্ৰশ্নৰ, হৰিশংকৰ ব্ৰহ্ম ডাঙৰীয়াৰ নেতৃত্বত এটা কমিটি কৰি প্ৰতিবেদন দাখিল কৰিছিল। প্ৰতিবেদনখন চাই থকা হৈছে বুলি কৈছে, কিন্তু সেই প্ৰতিবেদনখন সদনত দাখিল কৰিবৰ কাৰণে কোৱা হৈছিল। কিন্তু সেইখন দাখিল কৰা নাই ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মোক এটা লিখিতভাৱে দিব।

**শ্ৰীগুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা আছিল, তৰা চিহ্নত প্ৰশ্ন নং ২২৮। ইয়াৰ আগতেও প্ৰশ্নটো কৰা হৈছে। প্ৰায় ১৩৭ বিঘা মাটিৰ এটা পুখুৰী বে-দখলৰ কবলত আছে। মই চৰকাৰক এইটো দৃষ্টিগোচৰ কৰিব বিচাৰিছো। উত্তৰত বে-দখলৰ আছে বুলি কৈছে, এইটো সোনকালে মোকোলাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপুনি মোক এখন লিখিত দিব। মই এইকেইটা কথা চাই দিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটামান কথা আছে। সেইখিনি লিখিত দি দিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সকলোখিনি মোক এখন লিখিত দিব। আজি যিহেতু দীঘলীয়া এটা আলোচনা হ'ল, মই সকলোকে ধন্যবাদ দিছো। আমি আজি এটা খুউৰ দৰকাৰী কথা আলোচনা কৰিব পাৰিলো, এটা সৌহাদ্যপূৰ্ণ পৰিৱেশতআৰু আলোচনা কৰাৰ মই সকলোকে ধন্যবাদ জনাইছো আৰু সকলোৰে corporate কৰাৰ কাৰণে। আমি সদনৰ সন্মতি সাপেক্ষে, বিধায়িনী দলৰ সকলো

সদস্যৰ সন্মতি সাপেক্ষে আৰু মাননীয় মুখ্যমন্ত্ৰীৰ সন্মতি, বিৰোধী দলপতিৰ সন্মতি সাপেক্ষে আমি এটা All Party Delegation সেই অঞ্চলটোলৈ যাম, কিন্তু অকল গ'লেই নহ'ব, কি কি কৰিব লাগিব অলপ প্লেন কৰি গলে ভাল হ'ব। কাৰণ আমাৰ সকলো দলৰ মানুহ গৈ আছে। কিন্তু আমি গ'লে কি কৰিম নকৰিম প্লেন কৰি গ'লে ভাল। যিসকলে যাব, All Party Delegation যাম। কংগ্ৰেছ বিধায়িনী দলে কেইটামান নাম দিছে, বাকী কেইটা বিধায়িনী দলেও মোক নাম কেইটা দিব। তাৰ পৰা আমি হয়তো গোটেইখিনিকে নোৱাৰিলেও Large Delegation গ'লেও অকণমান তাত অসুবিধা হয়। গতিকে আমি চাম। মই এটা আলোচনা কৰি এই কামটো কৰিম। কাইলৈতো ২৬ আৰু ২৭ তাৰিখে দুটা দিন আপোনালোকৰ অসুবিধাও আছে। ২৮ তাৰিখৰ পিছত আমি ভাবিছো, সেই কাৰণে মই অলপ ঠিক-ঠাক কৰি আপোনালোকক জনাম। আৰু সেইকাৰণে মই এই দায়িত্ব দিয়াৰ কাৰণে সদনক পুনৰ ধন্যবাদ জনাইছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিৰোধী দলপতিয়ে যিটো কৈছে, আমি ভাল পাইছো আৰু আমাৰ লগত যদি Delegation ত মন্ত্ৰী সকলো যায় মই ভাল পাম। এতিয়া কাইলৈ Speaker's Initiative ত অসমৰ কলা সংস্কৃতি সংৰক্ষণ আৰু প্ৰসাৰ আছে। এই বিষয়টোৰ ওপৰত কাৰোবাক যদি কিবা material লাগে মোৰ office ৰ পৰা আপোনালোকে ল'ব পাৰিব। যোৱা কালি Stake Holder ৰ মিটিঙত যথেষ্টখিনি আমাক দিছে। কেইজনমান সদস্যক দিছো। কাইলৈ এইটো ভাল আলোচনা হ'ব বুলি মই আশা কৰিছো আৰু একেবাৰে শেষত গোলাঘাট আৰু যোৰহাট জিলাত বিষাক্ত সুৰা সেৱন কৰি মৃত্যু ঘটা চিৰশান্তি কামনা কৰাৰ লগতে বাকী যিসকল অসুস্থ হৈ আছে, তেওঁলোকৰ সোনকালে আশু-আৰোগ্য কামনা কৰি ভগৱানৰ ওচৰত একমিনিট সময় আমি প্ৰাৰ্থনা জনাম। 'ঔম শান্তি'।

**এতিয়া সদন অহা ২৬ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখলৈকে পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**